# Assam Legislative Assembly Debates

सत्यमेव जयते

1990

## OFFICIAL REPORT

IGHTEENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FIFTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## ( OCTOBER - NOVEMBER - SESSION )

## VOL. XVIII

**NO. 10**—14

The 15th November, 1977 —

*Geetali Art Press, G. S. Road, Dispur, Guwahati—781022*

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1977

( October - November Session )

Volume— XVIII

No— 10

Dated the 15th November, 1977,

CONTENTS.


| | | Page No. |
|---|---|---|
| 1. | Questions — — | 5— 50 |
| 3: | Calling Attention Notice— — — | 51— 54 |
| 3: | Matter Under Rule—301— — | 55— 64 |
| 4 | Presentation of the list of Supplimentary Demands for Grants and Supplimentary Appropriation for the year—1977-78— — | — 65 |
| 5: | Laying of Papers— — | — 66 |
| 6. | Presentation of Reports of Legislature Committee— | — 67 |
| 7 | Government Bills— — — | 68— 141 |
| 8 | Statement by the Chief Minister— — | 142— 147 |
| 9: | Statement by the Minister— — | 148— 158 |
| 7. | Adjournment— — — | — 159 |

# Proceedings of the Eighteenth Session of the Assam Legislative Assembly assembled after the Fifth General Election under Sovereign Democratic Republican Constitution of India.

—+—

The House met in the Assembly Chamber, Dispur, Gauhati on Tuesday, the 15th November, 1977 with the Hon. Speaker in the Chair, 11 ( Eleven ) Ministers, 4 ( Four ) Ministers of State, 1 ( One ) Deputy Minister and 85 ( eighty Five ) Members present.

—+—

## STARRED

## Questions and Answers

( To which oral answers were given )

Date : 15th November, 1977

—×—

বিষয় :— মঙ্গলদৈ মহকুমাৰ ৰাজহ বিভাগৰ চক্ৰ

শ্ৰীলক্ষ্মীকান্ত শইকীয়াই সুধিছে :—

•১০০। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) মঙ্গলদৈ মহকুমাত ৰাজহ বিভাগৰ চক্ৰ কেইটা আৰু কি কি?

(খ) এই চক্ৰকেইটাত কেইখনকৈ মৌজা আছে আৰু কি কি?

(গ) নতুন চক্ৰ গঠনৰ প্ৰস্তাৱ চৰকাৰে বিবেচনা কৰিছে নেকি?

(ঘ) যদি কৰিছে, আৰু কি কি চক্ৰ গঠনৰ প্ৰস্তাৱ কৰা হৈছে আৰু কেতিয়া গঠন কৰা হব?

ডাঃ ভূমিধৰ বৰ্মণ (ৰাজহ বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :—

১০০। (ক)— মঙ্গলদৈ মহকুমাত ৰাজহ বিভাগৰ চক্ৰ তিনিটা। সেই কেইটা হল— (১) মঙ্গলদৈ, (২) কলাইগাঁও, (৩) ওদালগুৰি।

(খ)— এই চক্ৰ কেইটাৰ মঙ্গলদৈত ১৫ খন, কলাইগাঁৱত ৬ খন আৰু ওদালগুৰিত ৫ খন, মৌজা আছে। (মৌজা সমূহৰ নাম অনুবন্ধ সূচী সদনৰ মেজত ৰখা হৈছে)।

(গ)— হয়। মঙ্গলদৈ মহকুমাত আৰু দুটা চক্ৰ গঠনৰ প্ৰস্তাৱ চৰকাৰৰ হাতত আছে আৰু চৰকাৰৰ হাতত থকা ৰাজ্যৰ আন ভালে-কেইটা প্ৰস্তাৱৰ লগতে এই প্ৰস্তাৱ দুটাও চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(ঘ)— দলগাঁও আৰু খৈৰাবাৰীত চক্ৰ গঠনৰ প্ৰস্তাৱ চৰকাৰৰ হাতত আছে। কেতিয়ালৈ নতুন চক্ৰ গঠন কৰিব পৰা হব সঠিককৈ কোৱা টান, কিন্তু এই বিষয়ে সোনকালে সিদ্ধান্ত লবলৈ চেষ্টা কৰা হৈছে।

শ্ৰীলক্ষ্মী কান্ত শইকীয়া :- মাননীয় অধ্যক্ষ মাহোদয়, মঙ্গলদৈ,

কলাই গাওঁ ওড়ালগুৰী চক্ৰৰ ভিতৰত যি কেইটা মৌজা আছে। অসমৰ আন আন ঠাইত যিবিলাক চক্ৰ আছে তাৰ তুলনাত মঙ্গলদৈত বহুত বেছি আছে। এই কথাৰ গুৰুত্বলৈ চাই মন্ত্ৰী মহোদয় এইটো আশ্বাস দিব নে যে মঙ্গলদৈৰ এই ব্যৱস্থালৈ লক্ষ্য ৰাখি অতি সোনকালে খৈৰাবাৰী আৰু দলগাওঁ চক্ৰ স্থাপনৰ সিদ্ধান্ত ঘোষণা কৰিব ?

ডাঃ ভূমিধৰ বৰ্ম্মন (মন্ত্ৰী) :— এইটো সোনকালে ঘোষণা কৰিবলৈ চেষ্টা কৰা হৈছে।

শ্ৰীসুৰেন দাস :— এইটো কথা সচানে যে কামৰূপ জিলাৰ টিহু চাৰ্কলত তিনিটা মৌজা। তাৰে বাই ফাৰকেট কৰি বৰবৰীত চাৰ্কল কৰিবলৈ খোজা কথাটো সচানে ?

মিঃ স্পীকাৰ :— এইটো প্ৰশ্ন নুঠে ।

শ্ৰীলক্ষ্মী কান্ত শইকীয়া : মন্ত্ৰী মহোদয়ে জনাব নে যে খৈৰাবাৰী আৰু দলগাওঁ প্ৰস্তাৱিত চক্ৰৰ অন্তৰ্গত কোন কোন মৌজা অন্তৰ্ভুক্ত কৰিব খোজা হৈছে ?

ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) :— দলগাওঁত অন্তৰ্ভুক্ত কৰিব বিচৰা হৈছে, পুব দলগাওঁ আৰু পশ্চিম দলগাওঁ, পুব শিয়ালমাৰী পশ্চিম শিয়ালমাৰী আৰু শ্যালাবাৰী। আৰু খৈৰাবাৰীত বাজহ চক্ৰ হব লাগে বুলি স্থানীয় অফিচৰ পৰা অহা নাই যদিও বাজহ আৰু মাননীয় এম, এল,এ মহোদয়ে সৰাবাৰী, চিনাকোলি মাজিকুছি আৰু চেথাৰ মৌজাক লৈ কৰাৰ কথা কৈছে।

শ্ৰীপিটচিং কোঁৱৰ :— মন্ত্ৰী মহোদয় মঙ্গলদৈ বাজহ সম্পৰ্কত এটা কথা কৈছে। যে অসমৰ অন্যান্য ঠাইৰ পৰাও এনে প্ৰস্তাৱ

আহিছে। এই অন্যান্য প্ৰস্তাৱ বিলাক কৰ কৰ পৰা আহিছে ?

ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) :— অসমৰ অন্যান্য ঠাইৰ বিভিন্ন জিলা আৰু মহকুমাৰ পৰা এনেকুৱা দাবী আহিছে। তাৰ ভিতৰত মাননীয় সদস্য শ্ৰীসুৰেন দাসে কোৱা আৰু প্ৰশ্নকৰ্তাই কোৱা ঠাইৰ পৰাও দাবী আহিছে।

শ্ৰীবাহাদুৰ বসুমতাৰী :— মন্ত্ৰী মহোদয়ে কৈছে যে তিনিটা চক্ৰ অছে তাৰ ভিতৰত ওডালগুৰী চক্ৰটোৰ বৰ্তমান নিজা ঘৰ আছে নে নাই ?

ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) ঃ— ওডালগুৰিত নতুনকৈ চক্ৰটো আৰম্ভ কৰা হৈছে চাৰ।

শ্ৰীআব্দুল হান্নান চৌধুৰী ঃ— অসমৰ বিভিন্ন ঠাইৰ পৰা চক্ৰ গঠনৰ প্ৰস্তাৱ আহিছে বুলি কৈছে। তাৰ ভিতৰত সৰ্থেবাৰীৰ পৰা প্ৰস্তাৱ আছি নে নাই।

মাননীয় অধ্যক্ষ ঃ— প্ৰশ্নটোত কেৱল মঙ্গলদৈৰ ভিতৰৰ কথাহে কোৱা হৈছে। বাহিৰৰ পৰা কৰৈলে হলে বেলেগে প্ৰশ্ন কৰিব লাগিব।

ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) :— অসমৰ বিভিন্ন ঠাইৰ পৰা প্ৰস্তাৱ আহিছে। গতিকে বেলেগে বেলেগে প্ৰশ্ন কৰিলেহে উত্তৰ দিবলৈ সুবিধা হব।

শ্ৰীআটাওৰ ৰহমান ঃ— প্ৰশ্নটো যদিও মঙ্গলদৈ মহকুমাৰ বিভিন্ন চক্ৰৰ সম্পৰ্কত। তথাপিতো বিভিন্ন ঠাইৰ পৰা প্ৰস্তাৱ আহিছে বুলি কৈছে। গতিকে প্ৰশাসনৰ সুবিধাৰ কাৰণে সৰু সৰু একোটা গোট কৰাৰ

কথাটো নীতিগত ভাৱে গ্ৰহণ কৰিব নোৱাৰেনে ?

Shri Md. Umaruddin, ( Minister , Revenue) :— Yes Sir. We haveset up a High Power Committee to go into the whole matter not only in regard to the prodosals in hand, but also of the State as a whole. This Committee will be composed of the senior Commissioner or chaermen, the over Deveronl Commisioner, Revenue Officers and other officers of the Debartment. They will axamire the question of creationg compact units in accordance withe ceitarin norms so that these are easily manageable and efficiency can be increassed. The whole matter is undea examination. But due to financial stringency we could not impliement come of the Fendins proharas it .We hve taken up the matter with the Finance and it is expected that during this year 10 new circlee will be created.

শ্ৰীলক্ষ্মী কান্ত শইকীয়া :— মন্ত্ৰী মহোদয়ে কৈছে যে এইটো চৰকাৰে নীতিগত ভাৱে গ্ৰহণ কৰিছ। । আৰু ইতিমধ্যে এই সম্পৰ্কত এটা উচ্চ পৰ্য্যায়ৰ কমিটিও গঠন কৰৰি দিছে। মন্ত্ৰী মহোদয়ে এইটো কথাৰ আশ্বাস দিব পাৰনে যিহেতুকে অৰ্থৰ কথা উল্লেখ কৰিছে । আমাৰ প্ৰত্যেক মহকুমাত যিবিলাক খণ্ড উন্নয়ন কাৰ্য্যালয় আছে সেই বিলাকক অংশ হিচাবে লৈ ইয়াক কেন্দ্ৰ, কৰি একোটা চক্ৰ গঠন কৰি ভূমি সংস্কাৰৰ ব্যৱস্থা খৰটকীয়া কৰিবলৈ একোটা চক্ৰ সোনকালে গঠন কৰিব ?

শ্ৰীজগদিশ দাস :— যিবিলাক চক্ৰ গঠন কৰা হব সেইবিলাকৰ প্ৰাইয়েৰিটি কি বেচিচত দিব ?

শ্ৰীমহম্মদ ওমৰুদ্দিন (মন্ত্ৰী) :— প্ৰাইয়োৰিটি নৰ্মচৰ ওপৰত নিৰ্ভৰ কৰিছে। আমি টকাৰ অভাৱত এতিয়াও কৰিব পৰা নাই। কিন্তু অহা বছৰত যিমান পৰা যায় কৰিবলৈ চেষ্টা কৰিম।

শ্ৰীসোনেশ্বৰ বৰা — আনুসঙ্গিক ভিত্তিত মই কথাটো কব বিচাৰিছো। আমাৰ ৰাজহ মন্ত্ৰী ডঃ বৰ্মন ডাঙৰীয়া জৰুৰীকালীন অৱস্থা গোলাঘাটৰ সৰু পথাৰত এনে এটা চক্ৰ গঠন কৰিব বুলি ঘোষণা কৰিছিল আৰু তাত এজন এচ,ডি,চি,ও নিয়োগ কৰিব বুলি ঘোষণা কৰিছিল কিন্তু তাৰ পিচত একোৱে নগ'ল। ইয়াত চক্ৰ গঠন কৰা কথাটো কি হল।

ডঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) :— গোলাঘাট মহকুমাৰ ভূমিসংস্কাৰৰ সুবিধাৰ বাবে জৰুৰীকালীন অৱস্থাৰ সময়ত সৰু পথাৰত সাময়িক ভাৱে এজন এচ ডি চি দিয়াৰ কথা আছিল। কিন্তু ইয়াৰ কাৰণে বাইজে ঘৰ দুৱাৰৰ ব্যৱস্থা কৰি দিব বুলি কৈছিল। কিন্তু এই ঘৰ দুৱাৰ দিব নোৱাৰাৰ ফলত সাময়িক ভাৱে দিব খোজা কথাটো গুচি গ'ল। এতিয়া অন্য ঠাইৰ লগত এই কথাটাও বিবেচনা কৰা হব।

Re :— PUBLICATION OF ASAMAR JANAJATI

Shri Ramesh Mohan Kouli, asked :—

*101. Will the Minister, Plains Tribes and Welfare

of Backward Classes be pleased to state—

(a) Number of issues of "অসমৰ জনজাতি" published so far ?

(b) The total expenditure incurred in each issue for publication ?

(c) The total amount of grants-in-aid sanctioned for the purpose from grants under Article 275 ?

Shri Uttam Chandra Brahma ( Minister Welfare of Backward Classes ) replied :—

101. (a)— Two issues were published.

(b)— The total expenditure incurred in each issue are as follows :—

| | | | |
|---|---|---|---|
| 1st issue— | .... | Rs. | 17,190.91 |
| 2ad issue— | ... | Rs. | 46,980.61 |
| Contstingent expenditure | ... | Rs. | 7,535.24 |

(c)— Total amount so fat sanctioned is Rs. 57,600·00

শ্ৰীৰমেশ মোহ কৌলি :— এই টকাখিনি আৰ্টিকল ২৭৫ৰ পৰা গ্ৰাণ্টইন্ এইড হিচাবে নিয়া হৈছে নেকি ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্মা [ মন্ত্ৰী ] :— হয় ।

শ্ৰীৰমেশ মোহন কৌলি :— যদি হয় তেনেহলে সদৌ অসম জনজাতীয় পৰিষদৰ তৰফৰ পৰা উলিওৱা আলোচনীখনত বিধান সভাৰ বিৰোধী দলৰ সদস্য সকলৰ নাম দিয়া নাই এই কথাটো সঁচানেকি ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্মা ( মন্ত্ৰী ) :— নাম থকা কথাটো চাব লাগিব চাৰ ।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :— এই আলোচনী খনৰ প্ৰকাশ কোন ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্মা ( মন্ত্ৰী ) :— ৰেজিষ্টাৰ্ড অৰগেনাইজেচন আছে ।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :— কি অৰগেনাইজেচন ? নামটো কি জানিব পাৰোনে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম ( মন্ত্ৰী ) :— সদৌ অসম জনজাতীয় ভাষা সংস্কৃতি উন্নয়ন পৰিষদ ।

শ্ৰীনগেন বৰুৱা :— আলোচনীৰ কাৰণে যিটো ভৰণি হৈছে সেইটো চৰকাৰৰ ফালৰ পৰা দিয়া হৈছে । কিন্তু এই আলোচনীখন অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ ট্ৰাইবেল চেলৰ দ্বাৰা প্ৰকাশ কৰা হৈছে গতিকে এইখন পাৰ্টিৰ মুখপত্ৰ নেকি আৰু তাৰ কাৰণে তেনে ধৰণে টকা খৰচ কৰিব পাৰে নেকি ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্মা ( মন্ত্ৰী ) :— এইখন পাৰ্টিৰ তৰফৰ পৰা হোৱা নাই । সদৌ অসম জনজাতীয় ভাষা সংস্কৃতি উন্নয়ন পৰিষদৰ পৰা প্ৰকাশ কৰা হৈছে । ইয়াত কোনো ৰাজনৈতিক কথা বা ৰাজনৈতিক দলৰ কথা নাই । জনজাতীয় গোষ্ঠীৰ ভাষা সংস্কৃতি আৰু কলাৰ প্ৰকাশৰ কাৰণে কৰা হৈছে ।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :— এইটো হাউচক মিচ্‌লিড কৰা হৈছে। এই আলোচনী খন এ-পি-চি-চিৰ ট্ৰাইবেল চেলৰ দ্বাৰা প্ৰকাশ কৰা হৈছে ভৃগুমুনি কায়ংৰ দ্বাৰা। ইয়াত লিখা থকা সত্বেও মন্ত্ৰী মহোদয়ে তেনেকৈ হউচক মিচলিড কৰিবলৈ চেষ্টা কৰা নাইনে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী) :— ভৃগুমুনি কায়ং তেখেত সেই চেলৰো সম্পাদক আৰু জনজাতীয় উন্নয়ন পৰিষদৰো সম্পাদক।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :— এ-পি-চি-চিৰ ট্ৰাইবেল চেলৰ পৰা প্ৰকাশ কৰিচে এইটো হয়নে নহয় ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী) :— উন্নয়ন পৰিষদথনে চেলৰে এটা বস্তু

শ্ৰীনগেন বৰুৱা :— ট্ৰাইবেল ডেভেলপমেণ্ট কাউন্সিল অ'-বি-চি, এচ-চি আদি নানান বোৰ্ড আছে তেনে কোনো বোৰ্ড প্ৰকাশ কৰিলে আপত্তি কৰিবৰ নাই কিন্তু এ-পি-চি-চিৰ পৰা চেলৰ পৰা প্ৰকাশ কৰা হৈছে। গতিকে ৰাজহুৱা ধন পাৰ্টিৰ কাৰণে খৰচ কৰা হোৱা নাইনে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী) :— আমাৰ জনজাতীয় ভাষা সংস্কৃতি প্ৰচাৰ কাৰণে তেনেকুৱা ধৰণৰ অনুষ্ঠান নাই কাৰণে কংগ্ৰেছৰ ট্ৰাইবেল চেলৰ ফালৰ পৰা সদৌ অসম জনজাতীয় ভাষা সংস্কৃতি উন্নয়ন পৰিষদৰ দ্বাৰা কৰা হৈছে।

শ্ৰীৰমেশ মোহন কৌলি :— মন্ত্ৰী মহোদয়ক পুনৰ সুবিধ খুজিছো তেখেতে সদনক মিচলিড নকৰি আশাকৰো সঁচা কথাৰে উত্তৰ দিব।

অধ্যক্ষ :— মিচলিড নকৈ মিচ ৰিপ্ৰেজেন্‌টেশ্যন অব ফ্যাক্ট বুলি কওক।

শ্ৰীৰমেশ মোহন কৌলি ঃ— বিধান সভাৰ বিৰোধী দলৰ সদস্যৰ নাম নথকা কথাটো সচা হয়নে নহয় সেইটো চাই কব লাগে। আৰু যদি নাম নাই তেতিয়াহলে এই প্লেনিং চেলত অৰ্থাত অসমৰ জনজাতীয় ভাষা সংস্কৃতি উন্নয়ন পৰিষদত কংগ্ৰেছী সদস্য সকলহে লোৱা হৈছে বুলি ভাবিব পাৰোনে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্মা ( মন্ত্ৰী) ঃ— এইটো চাব লাগিব চাৰ ।

শ্ৰীপিট সিং কোঁৱৰ ঃ— ট্ৰাইবেল ডেভেলাপমেণ্ট চেলৰ কংগ্ৰেছ পাৰ্টিৰ বাহিৰেও কিছুমান মানুহ পোন্ধৰ দিনৰ কাৰণে ভাষা সংস্কৃতি অধ্যয়ন কৰিবৰ কাৰণে চৰকাৰে টকা দি বাহিৰলৈ পঠিয়াইছিল সেই সকলৰ নাম জানিব পাৰিনে ? আৰু কিমান টকা দিয়া হৈছিল ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্মা (মন্ত্ৰী) ঃ— সদৌ অসম জনজাতীয় ভাষা সংস্কৃতি উন্নয়ন পৰিষদৰ তৰফৰ পৰা কাকো পঠিওৱা হোৱা নাই ।

শ্ৰীবাহাদুৰ বসুমতাৰি ঃ— এই ভাষা সংস্কৃতি উন্নয়ন পৰিষদত বিধান সভাৰ সদস্যৰ বাহিৰেও আন কোনো সদস্যৰ নাম আছে নেকি, অৰ্থাৎ আন কোনো এই পৰিষদৰ মেম্বাৰ আছেনেকি ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্মা (মন্ত্ৰী) ঃ— অন্যান্য বহুতো আছে ।

শ্ৰীশান্তিৰঞ্জন দাসগুপ্ত ঃ— ইয়াত উলিওৱা আলোচনী খন আৰু সদৌ অসম জনজাতীয় ভাষা সংস্কৃতি উন্নয়ন পৰিষদৰ পৰা প্ৰকাশ কৰা আলোচনী দুয়োখন একে হয় নে নহয় ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্মা (মন্ত্ৰী) ঃ— প্ৰশ্নটো আকৌ কব লাগে ।

শ্ৰীশান্তিৰঞ্জন দাশগুপ্ত ঃ— ইয়াত উলিওৱা আলোচনী খন এ-

পি-চি-চিৰ ট্ৰাইবেল চেলৰ দ্বাৰা প্ৰকাশিত, সদৌ অসম জনজাতীয় ভাষা সংস্কৃতি পৰিষদৰ দ্বাৰা প্ৰকাশ কৰা খনো এই খনেই নেকি ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্মা (মন্ত্ৰী) :— একেই ।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :— ইয়াৰ দ্বাৰা আৰ্টিকুল ২৭৫ৰ টকা দলৰ কামত খৰচ কৰা হোৱা নাইনে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্মা (মন্ত্ৰী) :— দলৰ কামত খৰচ কৰা হোৱা নাই । ভাষা সংস্কৃতি আৰু কলাৰ উন্নয়নৰ কাৰণে খৰচ কৰা হৈছে ।

শ্ৰীসোনেশ্বৰ বৰা :— এ-পি-চি-চিৰ ট্ৰাইবেল দলৰ সম্পাদকৰ নামত খৰচ কৰা আৰু প্ৰকাশ কৰা আলোচনীখন পাৰ্টিৰ নহৈ পৰিষদৰ কেনেকৈ হব পাৰে বুজাই কব লাগে ।

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্মা (মন্ত্ৰী) :— ইয়াত পাৰ্টি বুলি ধৰা হোৱা নাই । পৰিষদ বুলিহে কাম কৰা হৈছে ।

শ্ৰীসোনেশ্বৰ বৰা :— এ-পি-চি-চিৰ পৰা কৰাখন কৰা হৈছে ।

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্মা (মন্ত্ৰী) :— এ-পি-চি-চিৰ ট্ৰাইবেল চেলৰ পৰা ভাষা সংস্কৃতিৰ বিকাশৰ কাৰণে কৰা হৈছে ।

শ্ৰীসোনেশ্বৰ বৰা :— মন্ত্ৰী ডাঙৰীয়াই সচাঁ কথা কোৱা নাই কিয় ? এ-পি-চি-চিৰ চেলৰ দ্বাৰা, তাৰ সম্পাদকৰ দ্বাৰা প্ৰকাশ কৰা আৰু জনজাতী পৰিষদৰ দ্বাৰা কৰা একেই কথা জানো ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্মা :— কংগ্ৰেছ চেল যদিও ৰাজনৈতিক দল ভুগুমুনি কায়ং সেই চেলৰ সম্পাদক আৰু তেওঁ জনজাতীয় উন্নয়ন পৰিত্ৰ

যদৰো সম্পাদক। তেওঁৰ নামত কৰা হৈছে ।

শ্রীসোনেশ্বৰ বৰা :— এ-পি-চি-চিৰ চেলৰ সম্পাদক আৰু ভাষা সংস্কৃতি উন্নয়ন পৰিষদৰ সম্পাদক মানুহজন একে হব পাৰে কিন্তু আলোচনী খন জনজাতীয় ভাষা সংস্কৃতি পৰিষদৰ সম্পাদক নামত প্ৰকাশ হব লাগিব যি কোনো কাৰ নাম হব লাগিছিল ?

শ্রীউত্তম চন্দ্ৰ ব্ৰহ্মা ( মন্ত্ৰী ) :— উন্নয়ন পৰিষদৰ সম্পাদকৰ নামত প্ৰকাশ হৈছে ।

শ্রীসোনেশ্বৰ বৰা :— যিহেতু পাৰ্টিৰ সম্পাদকৰ নামত প্ৰকাশ কৰা হৈছে তাৰ কাৰণে কি ব্যৱস্থা হৈছে ?

শ্রীউত্তম চন্দ্ৰ ব্ৰহ্মা ( মন্ত্ৰী ) :— পাৰ্টিৰ নামত কৰা হোৱা নাই ।

Shri Mohitosh Purkayastha :— Sir, when it is fairly proved by this publication that the publication is made by the Tribal Cell of the A. P. C. C. how the Minister again and again say that this is not the same when he agreed that the person is the some. So correct statement should be given how subsidy has been given to the party publication.

শ্রীউত্তম চন্দ্ৰ ব্ৰহ্মা ( মন্ত্ৰী ) :— এই পাবলিকেশ্যন সংশোধন কৰাৰ ব্যৱস্থা কৰা হব ।

শ্রীবদন চন্দ্ৰ তালুকদাৰ :— টকাতো আৰ্টিকেল ১৭৫ৰ পৰা দিয়া হৈছিলনে নাই আৰু সেই টকাতো বিশেষ ৰাজনৈতিক দলৰ

বিশেষ চেলক দিয়া হৈছিল নেকি ।

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্মা ( মন্ত্ৰী ) :— মাননীয় সদস্য জনে গোটেই কিতাপ খন ভালদৰে পঢ়ি চালে গম পাব তাত কোনো ধৰণৰ ৰাজনৈতিক কথা নাই, তাত কেৱল জনজাতীয় সকলৰ ভাষা-সংস্কৃতিৰ উন্নয়নৰ-সম্পৰ্কীয় কথা বিলাক সন্নিবিষ্ট কৰা হৈছে আৰু ট্ৰাইবেল দেভোলপমেণ্টচেলে সেইটো পাবলিচ কৰিছে ।

শ্ৰীৰমেশ মোহন কুলি :— এই যে যিটো সন্থাৰ কথা কোৱা হৈছে সেইটো এ, পি, চি, চিৰ চেল হয়নে নহয় ?

উত্তম চন্দ্ৰ ব্ৰহ্মা ( মন্ত্ৰী ) :— এ, পি, চি, চিৰ চেল চৰকাৰৰ গ্ৰাণ্টৰ পৰা টকাটো দিয়া হৈছে ।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :— এইটো টকা চেলক দিয়া হৈছে নে কাউনচিলৰ নামত দিয়া হৈছে ।

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্মা ( মন্ত্ৰী ) :— কাউনচিলক দিয়া হৈছে ।

## Re : LEKHAPANI OPIUM ADDIET TREATMENT CENTRE

Shri Chandra Bahadur Chetri asked :—

* 102. Will the Minister, Excise be pleased to state—

(a) Whether Government has been runnig the Lek-

hapani opium addict treatment centre ?

(b) Whether Government has any proposal for reconstrucition of the house of the treatment centre ?

Snri Md, Idris ( Minister, Excise ) ) replied :—

102: (a)— No.

(b)— No.

Shri Chndra Bahadur Chetri :— Whether there is a opium addict treatment centre at Lekhapani or not ?

Shri Md. Indis ( Minister ) :— Mes, there was a centre.

Shri Chandra Bahadur Chetri :— If there was a center, I put the question in 1973 and Govt. replied that it was under active consideration to construct the centre. It is nearly 4 years passed but Govt. produced nothing. I want to know whether arrangement has been made to reconstruct the house for the centre.

Shri Md. Idris, ( Minister ) :— Sir, in the year 1973 Government temporarily discontinued this centre and the prohibition of opium matters was entrusted with the Stat Prohibition Council. Sir, it is not

only at Lekhapani centre there are other centres also closed down and a procedure adopted since then that the addicts should be treated in the nearly hospital or dispensary.

Shri Mohitosh Purkayastha :— Will the Hon'-ble Minister be pleased to state how many opium addicts are there ?

Shri Md. Idris, (Minister) :— There was a survey. We surveyed these things through State Prohibition Council. Such survey was done by the Department in 1962-63. Now 31,0C0 addicts are there.

শ্ৰীমতী ভকলতা ৰৰা :— মন্ত্ৰী ডাঙৰীয়াই কৈছে যে লেখাপানী 'অপিয়াম এদিক্ট' হস্পিতাল থনৰ উন্নয়নৰ কাৰণে কোনো ব্যৱস্থা কৰা হোৱা নাই। ডিব্ৰুগড় জিলাত ইয়াণ্ডাবু সন্ধিৰ সময়ত মানুহখিনিয়ে কানি উঠাই দিয়াৰ কাৰণে আন্দোলন কৰিছিল কিন্তু আজি তাত অজস্ৰ কানি খোৱা মানুহ আছে, এতিয়া তাত কানি খোৱা কিমান আছে ? আৰু সেই মানুহ খিনিৰ কি ব্যৱস্থা কৰা হৈছে।

শ্ৰীমহম্মদ ইদ্ৰীচ (মন্ত্ৰী) :— গোটেই খিনি ষ্টেট থনৰ এটা চাৰভে চলি আছে, তিনিচুকীয়াতো চাৰভে চলি আছে, এই চাৰভে গাওপঞ্চায়তে কৰি আছে, তেওঁলোকৰ চাৰভে মতে এতিয়ালৈকে ২৪৪২ জন কানিয়া তিনিচুকীয়া চাবডিভিজনত আছে। লেখাপানীত ৪৪ জন আছে। আমাৰ দেশ স্বাধীন হোৱাৰা পিচত কানি নিবাৰণৰ ক্ষেত্ৰত

ভাল ফল পোৱা গৈছে আৰু কানিয়াৰ সংখ্যা গোটেই ৰাজ্যতে আগতকৈ কিছু কমিছে। আৰু যিখিনি এতিয়াও বাকী আছে সেই খিনিও নিৰ্মূল কৰাৰ কাৰণে চেষ্টা চলি আছে।

শ্ৰীমতী ত্তকলতা বৰা ঃ— আৰু এটা প্ৰশ্ন আছে সেইটো হ'ল আজি কেবল কানি খোৱা মানুহ খিনিক হে চাৰভে কৰা হৈছে কিন্তু এই কানি বেপাৰী অসমত কিমান আছে সেই বিষয়ে চাৰভে কৰা হৈছে নে নাই আৰু এই কানি ব্যৱসায়ী সকলৰ ক্ষেত্ৰত আইনৰ কিবা ব্যৱস্থা কৰিব নে ?

শ্ৰীমহম্মদ ইদ্ৰীচ (মন্ত্ৰী) ঃ— বেলেগ প্ৰশ্ন, তথাপিতো কানি ব্যৱসায়ীৰ কাৰণে আইনৰ যি ব্যৱস্থা আছে সেইমতে চলাই থকা হৈছে।

শ্ৰীসোনেশ্বৰ বৰা :— লেখাপানীৰ যিটো কানিয়াৰ সংখ্যা দেখুৱাইছে সেইটো শুদ্ধকৈ দিয়া হৈছে নেকি ? আৰু আমাৰ কানিয়াৰ সংখ্যাতকৈ তাত কানি বেপাৰীৰৰ সংখ্যা বেচিহে হৈছে।

শ্ৰীমহম্মদ ইদ্ৰীচ (মন্ত্ৰী) ঃ— কানিয়া সাধাৰণতে নাহে আৰু ঔষধো নালে গতিকে গাওপঞ্চায়তৰ লেকেল নলেজ থকাৰ কাৰণেই তেওঁলোকক চাৰভে কৰিবলৈ দিয়া হৈছে। কানি ব্যৱসায়ীৰ চাভে তেনে ধৰণৰ হোৱা নাই।

শ্ৰীসোনেশ্বৰ বৰা ঃ— অধ্যক্ষ মহোদয়, এখন এখন কানি খোলাত কেইটা কেইটা কানিয়া বহি কানি খাব পাৰে তাৰ সংখ্যা মন্ত্ৰী মহোদয়ে দিব পাৰিবনে ?

শ্ৰীমঃ ইদ্ৰিছ [মন্ত্ৰী] ঃ— অধ্যক্ষ মহোদয়, দোকানলৈ গলে প্ৰশ্ন কৰ্ত্তাই নিজেই গম পাব।

শ্ৰীআটাউৰ ৰহমান :— অধ্যক্ষ মহোদয়, যদি এইটো কথা সচাঁ, যে কানি নিবাৰনী আন্দোলন চলি থকা স্বত্তেও লেখাপানী অঞ্চলত কানি খোৱা ব্যৱসায় চলি আছে, যদি সচাঁ হয়, প্ৰশ্নকৰ্ত্তাই এটা শক্তি-শালী দল গঠণ কৰি কানি নিবাৰণী ব্যৱস্থা গ্ৰহণ কৰিব নেকি ?

শ্ৰীমঃ ইদ্ৰিছ [ মন্ত্ৰী ] :— অধ্যক্ষ মহোদয়, বৰ্ত্তমানে কানি নিবাৰণী আন্দোলন চলি বৰ জোৰকৈ চলি আছে। কানি নিবাৰণী পৰিষদৰ লগতে প্ৰশ্ন কৰ্ত্তাই যদি সহাৰি জনাই, নথৈ কৃতগ্য হম আৰু কানি নিবাৰণ কৰাত সোণকালে কৃত কাৰ্য্য হোৱাত নিশ্চিত হম।

## Re : SALES TAX ARREARS

Dr. Rabindra Kumar Goswami, asked :

* 103. Will the Minister, Finance be pleased to state—

(a) The total arrears of State Tax in the State on 31st March, 1977 ?

(b) What action has been taken by Govt. to recover Sales tax arrears ?

Shri Md. Idris ( Minister, Finance ) replied :

103. (a)— Total arrear as on 31st March, 1977 is Rs. 9,06,79,533·00

(b) — Besides imposition of penalty anb levy of in-

terest, the following action is also being taken to recover the arrear taxes —

1. Recovery units have been started Departmentally at selected places and the Supdt. Of Texes entrusted with the power of a Bakijai office has been continuing realisation of the arrears by stages. These officers are under the direct control of the Department.

2. The Department has also organised checking in collaboration with the police and other Depa ıtments. Instructions have been issued not to renew permits, issue contract, or lease etc. Without tax clearance certificates from this Department.

3. As regards arrears under Bakijai. Bakijai officers are personally contacted by the Superintendent of Taxes for speedy realisation of arrear dues from the defaulters. Joint collection drives are undertaken by the officers of the taxation Department and the Bakijai staffs of the Deputy Commissioner and Sub-Divisional Officer for realisation of arrear dues.

4. Reminders are issued from time to time to the defaulters by the Superintendent of Taxes for payment of arrear dues. In some cases even personal contacts

are also made for realisation of arrears. Proceeding for penal action are also taken up against the habitual defaulters.

ডাঃ ৰবীন্দ্ৰ কুমাৰ গোস্বামী :— অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে যে, ৯ কোটি ৭৯ লাখ টকাৰ ভিতৰত কিমান লাখ টকাৰ আপীল গোচৰ অমিমাংশীত হৈ আছে আৰু কিমান লাখ টকাৰ ক্ষেত্ৰত বাকিষাই ব্যৱস্থা গ্ৰহণ কৰা হৈছে ?

শ্ৰীমঃ ইদ্ৰিছ ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, আপীল হৈছে ১ কোটি, ১১ লাখ, ৭৩ হেজাৰ ৫শ, ৭টকা। বাকিষাই আছে ১ কোটি ৮৯ লাখ ৩২ হেজাৰ ৬শ ৩০ টকাৰ কাম।

ডাঃ ৰবীন্দ্ৰ কুমাৰ গোস্বামী :— অধ্যক্ষ মহোদয়, সেইটো টকাৰ হিচাব দিয়া হৈছে। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে মাৰ্চ মাহৰ শেষলৈ কিমানটা কেচৰ বিক্ৰী কৰৰ ক্ষেত্ৰত অমিমাংশিত গোচৰ হৈ আছে ?

শ্ৰীমঃ ইদ্ৰিছ ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, ৩১।৩।৭৭ তাৰিখলৈ কিমান বিলাক কেচৰ গোচৰ অমিমাংশিত হৈ আছে আটাই বিলাকৰ হিচাব দিয়াটো টান। কাৰণ বেলেগ বেলেগ ক্ষেত্ৰত বেলেগ বেলেগ কেচৰ গোচৰ চলি আছে।

Mr. Gisuddin Ahmed :— What is the total number of defaulters and who are those defaulters ?

Mr. Md. Idris ( Minister ) :— It is very difficult to give catagorical replies to this. The defaulters are

mostly dealers and shopkeepers.

শ্ৰীতুলাল চন্দ্ৰ থাউণ্ড :— অধ্যক্ষ মহোদয়, তেখেতে সম্পূৰ্ণ সংখ্যা দিব নোৱাৰিলে। মই জানিব বিচাৰিছো যে ১ লাখতকৈ অধিক দিবলৈ বাকী থকা ডিলাৰৰ সংখ্যা কিমান আৰু তেওঁলোক কোন কোন ?

শ্ৰীমঃ ইদ্ৰিছ ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, ডিলাৰৰ হিচাব বেলেগ বেলেগ কৈ ৰখা হোৱা নাই।

Mr. Md. Idris ( Minister ) :— As per new amendment of the Act. 12% interest is charged for the first 60 days and after that the interest will be 24%.

Mr. Giasuddin Ahmed :— What is the period ?

শ্ৰীকবীৰ ৰায় প্ৰধানী :— অধ্যক্ষ মহোদয়, বিলৰ টেক্সৰ টকা যিমান থিনিৰ আদায় দিয়া নাই, সেই থিনিৰ কিবা সুতৰ ব্যৱস্থা আছে নেকি ? আৰু যদি আছে কিমান সুত ধাৰ্য্য কৰা হৈছে ?

শ্ৰীমঃ ইদ্ৰিছ ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, সুতৰ ব্যৱস্থা আছে।

শ্ৰীঅতুল শইকীয়া :— অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰেঁা নে যে এতিয়ালৈকে কোন কোন লোকে আটাইতকৈ বেছি বিক্ৰীকৰ দিবলৈ বাকী আছে ?

শ্ৰীমঃ ইদ্ৰিছ ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, এইটো হিচাব দিব নোৱাৰি।

শ্ৰীঅতুল শইকীয়া :— অধ্যক্ষ মহোদয়, গোটেই ভাৰতবৰ্ষৰ

ইনকাম টেক্সৰ হিচাব বিচাৰিলে কেন্দ্ৰৰ মন্ত্ৰীয়ে লগে লগেই কৈ দিব পাৰে, তেনে পৰিপ্ৰেক্ষিতত এখন ৰাজ্যৰ হিচাব কিয় দিব নোৱাৰিব ?

শ্ৰীমঃ ইদ্ৰিছ ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, ব্যক্তিগত হিচাব ৰখাটো কঠিন ।

ডাঃ ৰবীন্দ্ৰ নাথ গোস্বামী :— অধ্যক্ষ মহোদয়, আইন মতে যিবিলাক চেল্‌চ টেক্স ইন্সপেক্টৰ ফিল্ডলৈ পঠোৱা ব্যৱস্থা আছে, সেই অফিচাৰ বিলাকে ফিল্ডলৈ নগৈ অফিচতে থকাৰ কাৰণেই আমাৰ গোচৰবোৰ ইমান দিনলৈ পৰি আছে নেকি ?

শ্ৰীমঃ ইদ্ৰিছ ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, অফিচাৰ বিলাকক আৱশ্যকীয় কামতহে নিয়োগ কৰা হৈছে, তাকে যদি ঠিকমতে কৰা নাই তাক বিচাৰ কৰি চাব লাগিব।

Mr. Santi Ranjan Dasgupta : - Sir, I want to know the districtwise figure.

Mr. Md. Idris ( Minister ) :— That is not with me Sir, I will not be able to give the figures now.

Mr. Speaker :— It will eat up the whole time.

শ্ৰীকবীৰ ৰায় প্ৰধানী :— অধ্যক্ষ মহোদয়, যিবিলাক লোকে বিক্ৰী কৰ আদায় নকৰাকৈ আছে, সেইসকলৰ বিষয়বোৰ পৰীক্ষা কৰি সোনকালে টকা আদায় কৰা উচিত আৰু থকতকীয়া ব্যৱস্থা চৰকাৰে হাতত লৈছে নে ?

শ্ৰীমঃ ইদ্ৰিছ ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, এই বিষয়ে আৱ-

শ্যকীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে ।

শ্ৰীঅতুল শইকীয়া :— অধ্যক্ষ মহোদয়, যিটো বিক্ৰী কৰ হব লাগিছিল, তাৰ সকলো হিচাব পাইছে নে ? যদি পোৱা নাই, এতিয়ালৈকে কিমান টকা বাকী আছে ?

শ্ৰীমঃ ইদ্ৰিছ ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে সঠিক হিচাব দিব পৰা নহব ।

## Re : POISONING CASE IN HAPJAN T.E.

Shri Khirode Chandra Saikia asked :—

*104. Will the Minister, Labour be pleased to state—

(a) There was a food poisoning case in Hapjan Tea Estate, Mamrup in August, 1977 where (four) persone died ?

(b) Whether it is a fact that the management of the Tea Garden proposes to give two thousand rupees each to only 3(three) victims ?

Shri Gajen Tanti [ Minister Labour ] replied :

104. [a] — Yes.

[b] — No. It is not a fact.

Shri Khirode Chandra Saikia :— Sir, may I know from the Hon'ble Minister whether the Govt. has made any enquiry for which this incident occurred ?

Shri Gajen Tanti [ Minister ] :— Yes, sir, the matter is under examination by the Food Inspectorer

Shri Mahitose Purkayastha :— Sir, may I know from the Hon'ble Minister how many persons were offeclid dy this food poisoning ?

Shri Gajen Tanti ( Minister ) :— Sir, altogether 18 families got involved and 20 persons belonging to these 18 families were affected.

Shri Mahitosh Purkastha :— Sir, may I know from the Hon'ble Minister whether it is a fact that the employer of the Tea Garden supplied this food-stuff which was unfit for human consumption ?

Shri Gajen Tanti ( Minister ) :— Sir, that matter is now unner examination by the Food Inspector. The report of the Food Inspector is yet to be received.

Shri, Mahitosh Purkayastha :— Sir, may I know from the Hon'ble Minister whether it is a fact that the management of the Tea Garden did not send the

affected persons to any recognised hospital for oper medical treatment ?

Shri Gajen Tanti (Minister) :— Sir, my information is that all the patients were treated in the Namrup Ferttlizer Hospital.

শ্ৰীনগেন বৰা ঃ— মাননীয় মন্ত্ৰী মহোদয়ে [ক] প্ৰশ্নোত্তৰত স্বীকাৰ কৰিছে যে, ফুড পইজ নিং হৈ উক্ত বাগিছাত চাৰিজন লোকৰ মৃত্যু হৈছে। মন্ত্ৰী মহোদয়ৰ পৰা মই এইটো জানিব খুজিছোঁ যে, কি খাদ্য খোৱাৰ ফলত এই চাৰিজন লোকৰ মৃত্যু হৈছে ?

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ) ঃ— সন্দেহ কৰা হৈছে যে আটা খোৱাৰ ফলতেই এইটো হল। মৃত্যু হোৱা চাৰিজন লোকৰ ভিতৰত একেটা পৰিয়ালৰে তিনিজন আৰু অন্য লোক এজন। সৰ্বমুঠ ১৮ জন লোক আক্ৰান্ত হৈছিল।

শ্ৰীনগেন বৰা ঃ— আটা কোনে যোগান ধৰিছিল।

শ্ৰীগজেন তাঁতী [ মন্ত্ৰী ] ঃ— ডিব্ৰুগড়ৰ অন্নপূৰ্ণা ৰাইচ মিলে।

শ্ৰীনগেন বৰুৱা :— কোন বিভাগৰ ফালৰ পৰা এই ৰাইচ মিলক এই আটা যোগান দিয়া হৈছিল ?

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ) ঃ— চাপ্লাই বিভাগৰ ফালৰ পৰাই দিয়া হৈছিল।

শ্ৰীনগেন বৰুৱা (মন্ত্ৰী) ঃ— বহুদিন ধৰি এই বস্তুবোৰ চাপ্লাই বিভাগৰ গুদামত পৰি থাকি শেষত খাদ্যৰ অনুপযোগী হোৱাৰ কাৰণেই

এই বস্তু বিলাক বাগানৰ মজদুৰ বিলাকৰ মাজত বিলাই দিয়া কথাটো সচাঁনে ?

শ্ৰীগজেন তাতী (মন্ত্ৰী) :— এইটো সত্য নহয়।

Shri Giasuddin Ahmed :— Sir, may I know from the Hon'ble Minister whether the management will give any compensation to the surviving members of the family of victims?

Shri Gajen Tanti [ Minister ] :— Sir, the management had already made an agreement with the survivors of the victims and accordinlly the management had paid Rs. 750/- to the survivors of the first family and Rs. 750/- to the survivors of the Second family to meet funeral and other expenses. The management has also entered into an agreement with the Assam Cha Mazdoor Sangha ( with which the workers are affiliated ) to pay Rs. 150/- per month to the first family for the next 24 months as monetary assistance. They have also agreed to bear the school fees and other cost of education of the surviving son of Late Samu Tanti and have assured him a job in the garden after he comes out the School, i. e., after his education is over.

Shri Giasuddin Ahmed :— Sir, what are the total number of victims ?

Shri Gajen Tanti [Minister] : – Sir, the total number of victims is four.

শ্ৰীশান্তিৰঞ্জন দাসগুপ্ত :— মেডিকেল এক্সপাৰ্টে এইটো একজামিন কৰিছিল নে নাই আৰু যদি কৰিছিল তেতিয়াহলে, তাৰ ৰিপৰ্ট চাবমিট কৰা হৈছেনে নাই ?

শ্ৰীগজেন তাতী (মন্ত্ৰী) :— ফুড ইন্সপেক্টৰে এইটো পৰীক্ষা কৰিছে তাৰ প্ৰতিবেদন দাখিল কৰা নাই।

শ্ৰীনগেন বৰুৱা :— পোষ্ট মৰ্টেম ৰিপৰ্টত কি বুলি কোৱা হৈছে ?

শ্ৰীগজেন তাতী [মন্ত্ৰী] :— ফুড পইজনীং বুলিয়েই কৈছে।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :— ইয়াৰ লগত আটা বাকী কিছুমান ঠাইতো বিতৰণ কৰা হৈছিল। সেই বিলাক ধ্বংশ কৰা হলনে নাই ?

শ্ৰীগজেন তাতী [মন্ত্ৰী] :— সেইবোৰ ডেষ্ট্ৰয় কৰা হৈছে। অন্যান্য বহুতো গাৰ্ডেনত আৰু ঠাইত এই আটা বোৰ বিতৰণ কৰাইছিল কিন্তু সেই পাৰ্টিকোলাৰ টি গাৰ্ডেন খনতেই এইটো কিয় হল সেই বিষয়ে অনুসন্ধান কৰি থকা হৈছে।

বিষয় : চাইডিং বজাৰৰ অগ্নিকান্দ

শ্ৰীমতী তৰুলতা বৰাই সুধিছে :

* ১০৫। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

[ক] ডিব্ৰুগড়ৰ ডিনিচুকীয়া নগৰত যোৱা ২৮।৬।৭৭ তাৰিখে চাইডিং বজাৰত হোৱা ব্যাপক অগ্নিকাণ্ডত কিমান টকাৰ বয়-বস্তু ঘৰ আদি হানি হৈছে ?

[খ] ক্ষতিগ্ৰস্ত লোকক চৰকাৰৰ তৰফৰ পৰা সাহাৰ্য্য আদি দিয়া হৈছে নেকি ?

শ্ৰীভূমিধৰ বৰ্মন [ ৰাজহ বিভাগৰ মন্ত্ৰী ] য়ে উত্তৰ দিছে :—

১০৫। [ক] —মুঠ হানি ৫১,৮০,৮৭৬'০৭ টকাৰ।

[খ]— চৰকাৰৰ তৰফৰ পৰা ৩,৭১,০০০'০০ টকাৰ পুনৰ সংস্থাপনৰ কাৰণে ঋণ মঞ্জুৰ কৰা হৈছে।

শ্ৰীমতী তৰুলতা বৰা :— মাননীয় মন্ত্ৰী মহোদয়ে যিটো টকা দিয়াৰ হিচাব দিলে সেই টকাটো ঋণ মঞ্জুৰ কৰা হৈছে নে ইতি-মধ্যেই সেইটকাটো সেই লোক সকলে পাইছেই ?

শ্ৰীভূমিধৰ বৰ্মণ ( মন্ত্ৰী ) :— ঋণ মঞ্জুৰ কৰি সেই টকাটো এছ, ডি, অ' আৰু ডি, চি-ক দিয়া হৈছে। ডি,চিএ টকাটো ডিছবাৰ্ছ কৰিব।

শ্ৰীতৰুলতা বৰা :— টকাটো দিয়া হৈছে কিন্তু সেইটো ডিছবাৰ্ছ কৰা হৈছেনে নাই ?

শ্ৰীসোনেশ্বৰ বৰা :— ডিনিচুকিয়াৰ সেইঘটনাৰ প্ৰত্যক্ষ দৰ্শী হিচাবে ইয়াত কৈ বহুত বেছি টকা ক্ষতি হৈছে বুলি হিচাব কৰা হৈছে। কিন্তু চৰকাৰৰ ফালৰ পৰা মাত্ৰ ৫১ লাখ টকা হব বুলিছে

ঠাইঁৰ কৰা হৈছে। চৰকাৰে লোকচানত দিয়া হিচাবত কি কি বস্তুৰ ধৰা হৈছে ?

শ্ৰীভূমিধৰ বৰ্মণ ( মন্ত্ৰী ) :— চৰকাৰে ধৰা হিচাবত ঘৰ আৰু ইয়াৰ ভিতৰত থকা বস্তুবিলাকো ধৰা হৈছে।

শ্ৰীমতী তৰুলতা বৰা :— আমি জনামতে, এই ঘটনাত কিছুমান যন্ত্ৰপাতিও নষ্ট হৈছে। গতিকে সেই নষ্ট হোৱা যন্ত্ৰপাতি বিলাকৰ হিচাবো এই হিচাবৰ ভিতৰত ধৰি পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰা হৈছে নেকি ?

শ্ৰীভূমিধৰ বৰ্মণ ( মন্ত্ৰী ) :— আমি পোৱা প্ৰতিবেদন মতে ঘৰ আৰু ঘৰৰ ভিতৰত থকা বস্তুবিলাকৰ হিচাবো ইয়াৰ ভিতৰত সোমৰা হৈছে।

শ্ৰীসোনেশ্বৰ বৰা :— আমি জনামতে, জুডিচিয়েল মেজিষ্ট্ৰেটৰ হতুৱাই এইটো তদন্ত কৰি থকা হৈছে। সেই তদন্তৰ প্ৰতিবেদন দাখিল কৰা হৈছেনে নাই ?

শ্ৰীভূমিধৰ বৰ্মণ ( মন্ত্ৰী ) :— ৰাজহ বিভাগে এই হিচাবটো দাখিল কৰিছে।

শ্ৰীসোনেশ্বৰ বৰা :— জুডিচিয়েল ৰিপৰ্ট দাখিল নকৰাকৈয়ে এইটোকেই প্ৰকৃত সিদ্ধান্ত বুলি ভাবেনেকি ?

শ্ৰীভূমিধৰ বৰ্মণ ( মন্ত্ৰী ) :— তদন্তৰ ৰিপৰ্ট যি হয় হবই। কিন্তু ৰাজহ বিভাগৰ ফালৰ পৰাও এইবিষয়ে অনুসন্ধান কৰি এটা হিচাব আনিবলাগিব।

শ্ৰীসোনেশ্বৰ বৰা :— এই তদন্তৰ শেষ নোহোৱাকৈয়ে ৰাজহ

বিভাগেদিয়া হিচাব টোকেই আচল সিদ্ধান্ত বুলি কেনেকৈ মানিছে, ?

শ্ৰীভূমিধৰ বৰ্মণ ( মন্ত্ৰী ) :— প্ৰাকৃতিক বিপৰ্যায় জনিত যি কোনো ঘটনাৰ হিচাব নিকাঃ বিৱৰণ আদি ৰাজহ বিষয়া সকলে দিব লাগে। জুডিচিয়েল অনুসন্ধানৰ হিচাব পিছত আহিব।

শ্ৰীমতী তৰুলতা বৰা :— চৰকাৰে আজি এই সদনত যিমান টকাৰ হিচাব দিলে তাতকৈ আচলতে বহুত বেছি টকা লোকছান হৈছে। তাৰ ভিতৰত ঘৰদুৱাৰ, যন্ত্ৰপাতিটো আছেই। তেনেস্থলত চৰকাৰী হিচাবত ইমান টকা ধৰাটো কেনেকুৱা ধৰাৰ হৈছে ? তদন্তৰ ৰিপৰ্ট নোপোৱালৈকে এইটো এতিয়া স্থগিত ৰাখি পিছত যেতিয়া, সেই তদন্তৰ ৰিপৰ্ট-পাব তেতিয়া দুয়োটাৰ হিচাব মিলাই কাম কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীভূমিধৰ বৰ্মণ ( মন্ত্ৰী ) :— তদন্ত হৈছে এটা ডাঙৰ কমিটি। কিবা এটা মাননীয় সদস্যাই দিলে চাম। আমি ভালেই পাম।

## Re :— RABI CROP PROGRAMME FOR MAJULI

Shri Mal Chandra Pegu asked :—

* 106. Will the Minister, Agriculture be pleased to state :—

(a) Whether Rabi Crop programme has been drawn up for Majuli area ?

(b) If so, what are the programmes ?

(c) Whether Government propose to tractorise the lands belonging to the Flood hit people of Majuli free of charge for Rabi Crops?

(d) Whether Government propose to provide free distribution of Rabi Crop seeds amongst the cultivators of Majuli?

Shri Lakshya Nath Doley (Minister), Agriculture) replied :—

*106. (a)— Yes.

(b)— The programmes are—

| | | |
|---|---|---|
| Wheat | .... | 1,500 Ha. |
| Pulses | .... | 4,500 Ha. |
| Mustard | ... | 8,500 Ha. |
| Potato | ... | 280 Ha. |
| Early Ahu | .... | 500 Ha. |
| Gram | .... | 20 Ha. |
| Rabi Maize | .... | 50 Ha. |
| Groundntu | .... | 10 Ha. |
| | ... | 15,360 Ha. |
| Jute (early) | .... | 200 Ha. |
| Total | .... | 15,560 Ha. |

(c)— No.

(d)— Certain Rabi seeds will be issued at subsidised rate.

Shri Mal Chandra Pegu :— May I know whather Govt. has given any direction to the Executive Engineer, Agriculture to give tractors free of charges ?

Sari Lakshya Nath Doley ( Minister ) :— No Sir.

Shri Mal Chandre Pegu :— Now the Robi crop programmes would be taken up Govt: for its suecessful implementation without tractorisation. either free of charges or at subsidised rates ?

Shri Lakshya Nath Doley ( Minister ) :— The Govt. have drawn up the programme, but there is no provision of tractorisation.

Shri Mal Chandra Pegu :— How the lands could be made available to the people without proper prouging programmes ?

Shrt Lakshya Nath Doley ( Minister ) :— We have no programme for tractorisation ?

Shri Mal Chandra Pegu :— Whether the Govt. is aware that there is no plough in the whole of the

Majuli area and in the absenct of a plough or tractorisation the programme cannot be made a successful one ?

Shri Lakshya Nath Doley ( Minister ) :— We have no programme for tractorisation:

Shri Mal Chandra Pegu :— What is the necessity of drawing up of such a programme ? if it cannot be made a successful one ?

Shri Lakshya Nath Doley ( Minister) :— We do not think that it will be unsuccssful. We are provoding the cultivators with seeds of puises, mustard etc and these will of use to time.

Shri Mai Chandra Pegu :— Whether these people will be provided with tractors at concessional rates ?

Shri Lakshya Nath Doley ( Minister ) :— I have said that we do not have any programme of tractor sation.

শ্ৰীজগদিশ দাস :— অধ্যক্ষ মহোদয়, ৰবিশষ্যৰ আচনি কৃতকাৰ্য্যতা কৰিবৰ কাৰণে জলসিঞ্চনৰ ব্যৱস্থাও কৰিছে নেকি ?

শ্ৰীলক্ষ্য নাথ দলে ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, কাষ্টম চাৰ্ভিচৰ সহায়ত জলসিঞ্চনৰ ব্যৱস্থা কৰিবলৈ লোৱা হৈছে ।

শ্ৰীআটাউৰ ৰহমান :— অধ্যক্ষ মহোদয়, এই সদনত যেতিয়াই

বানপানীৰ কথা আহে তেন্তিয়াই আজুলিৰ কথা আহে। শিৱসাগৰৰ পৰা মানকাচাৰলৈকে কিমান যে মাজুলি আছে আৰু সেই বিলাকত বানপানী হলে কিবা ব্যৱস্থা কৰেনে নকৰে জনাবনে আৰু সেই ঠাইৰ মানুহৰ মাটিৰ পট্টা নথকাত আৰু টৌজিবাহী পট্টা থকাৰ কাৰণে তেওঁলোক যে সকলো সুবিধাৰ পৰা বঞ্চিত হৈছে, চৰকাৰে সেই কথা জানেনে?

শ্রীলক্ষ্য নাথ দলে (মন্ত্রী):— অধ্যক্ষ মহোদয়, গোটেই অসমত আৰু প্ৰত্যেক মহকুমাত প্ৰতি গাওঁ পঞ্চায়তত্তে ৰবি শস্যৰ আচনি লোৱা হৈছে।

Shri Mal Chandra Pegu :— Sir, the hon. members who put irrelevant question should be asked not to do such a thing, since it debars the other members puting important questions.

Mr. Speaker :— Please draw the attention of the Chair when the members speak.

শ্রী সানেশ্বৰ বৰা :— অধ্যক্ষ মহোদয়, মন্ত্রীমহোদয়ে এই সম্পৰ্কত ৰবিশস্যৰ কাৰণে কঠিয়া দিয়াৰ কথা কৈছে। মোৰ এটা প্ৰশ্ন। লিখিত উত্তৰত কৈছে এই বীজৰ আৱশ্যকীয় অংশ বানবিধস্ত কৃষকক বিভাগে কৃষি ঋণ হিচাবে দিবলৈ ঠিক কৰিছে আৰু বাকী কৃষকক ৰেহাই মূল্যত বিক্ৰি কৰা হব। কিন্তু বান প্ৰপীৰিত যি সকলক ঋণ দিয়া হব সেই সকলক ৰেহাই মূল্যত নহয়। তেতিয়াহলে বানপ্ৰপীৰিত সকলে সম্পূৰ্ণ ৰেট দিবলাগিব। আৰু বান বিধস্ত নোহোৱা সকলক ৰেহাই মূল্যত বা আধা দামত দিয়া হব।

শ্রীলক্ষ্য নাথ দলে (মন্ত্রী):- এইটো চাবচিদাইজ ৰেটহে।

শ্ৰীসোনেশ্বৰ বৰা :— অধ্যক্ষ মহোদয়, এই বীজৰ আৱশ্যকীয় অংশ ৰাজহ বিভাগে বানবিধ্বস্ত কৃষকক কৃষি ঋণ হিচাবে দিবলৈ ঠিক কৰিছে আৰু বাকী কৃষকক ৰেহাই মূল্যত বিক্ৰি কৰা হব বুলি কোৱা হৈছে। কিন্তু ৰানবিধস্ত নোহোৱা সকলে কথিয়া ৰেহাই মূল্যত পাব আৰু বান প্ৰপিৰীত সকলে সম্পূৰ্ণ মূল্য দিব লাগিব।

শ্ৰীলক্ষ্য নাথ দলে :— (মন্ত্ৰী) অধ্যক্ষ মহোদয়, টাম মতেহে ঋণ দিয়া হয়। বানবিধস্ত লোক সকলে চাবচিদাইজ ৰেটত ঋণ পাব আৰু বাকী বিলাকে নগদ পইচা দিব লাগিব। ঋণ হিচাবে ললে সম্প্ৰতি পইচা দিব নালাগে।

শ্ৰীসোনেশ্বৰ বৰা :— অধ্যক্ষ মহোদয়, ঋণ হিচাবেও সম্পূৰ্ণ মূল্য ধৰা হৈছে। তেখেতে এই লিখিত প্ৰশ্নটো সংশোধনী কৰিবনে ?

শ্ৰীলক্ষ্য নাথ দলে :— (মন্ত্ৰী) সেইটো নহয়। তেখেতৰ পৰিপূৰক প্ৰশ্নতে এইটো কোৱা হৈছে।

শ্ৰীমাল পেগু :— অধ্যক্ষ মহোদয়, মন্ত্ৰীমহোদয়ে কৈছে যে ট্ৰেকক্তৰাইজেচন কৰিব নোৱাৰে। মই এটা কথা সুধিব বিচাৰিছোঁ চৰকাৰে ধাৰলৈ বাবলৈ দিব নেকি ?

শ্ৰীলক্ষ্য নাথ দলে :— (মন্ত্ৰী) অধ্যক্ষ মহোদয়, ধাৰত দিয়াৰ কাৰণে তেনেকুৱা কোনো ব্যৱস্থা নাই।

শ্ৰীমাল পেগু :— অধ্যক্ষ মহোদয়, ব্যৱস্থা কৰিব নেকি।

শ্ৰীলক্ষ্য নাথ দলে :— (মন্ত্ৰী) অধ্যক্ষ মহোদয়, বিবেচনা কৰি চাম।

Undisposed starried Question de— 15-11-77

বিষয় :— টংলা পানী যোগান আঁচনি

শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়াই সুধিছে :—

*১০৭। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে —

(ক) টংলা নগৰ এলেকাত খোৱা পানী যোগান আঁচনি গ্ৰহন বা তৈয়াৰ কৰিছে নেকি ?

(খ) যদি কৰিছে, এই পানী যোগান আঁচনিত কিমান টকা ব্যয় নিৰ্দ্ধাৰণ কৰা হৈছে ?

(গ) উক্ত আঁচনিৰ খৰচ টংলা নগৰ সমিতিয়ে বহন কৰিবনে চৰকাৰে অনুদান যোগে খৰচ কৰিব ?

(ঘ) উক্ত পানী যোগান আঁচনিৰ কাম কোন বিত্তীয় বছৰত আৰম্ভ কৰিব ?

ডাঃ লুটফুৰ ৰহমান ( স্বাস্থ্য বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :—

১০৭। (ক) — টংলা নগৰত পানী যোগান কৰিবৰ কাৰণে ১৯৭৭ চনত এখন আঁচনি বিভাগীয় পৌৰ প্ৰশাসনীয় বিভাগলৈ অনুমোদন অৰ্থে পঠোৱা হৈছে।

(খ) — মুঠ ২৮.৩৭ লাখ টকাৰ আঁচনি এখন যুগুত কৰা হৈছে।

(গ) পৌৰ সভাই নিজে নাইবা চৰকাৰৰ পৰা ঋণ লৈ আঁচনিৰ খৰচ বহন কৰিব লাগিব।

(ঘ)— প্ৰশাসনীয় অনুমোদন পোৱাৰ পাছতহে এই বিষয়ে স্থিৰ সিদ্ধান্তত অহা হব। কিন্তু পুঁজিৰ অভাৱত উক্ত আঁচনিৰ অনুমোদন এই বছৰতে দিয়া সম্ভৱ নহব ।

**বিষয় ঃ— কলিয়াবৰ জলসিঞ্চনৰ বাবে অধিগ্ৰহণ কৰা মাটিৰ মূল্য**

শ্ৰীগোলাপ চন্দ্ৰ বৰুৱাই সুধিছে ঃ—

* ১০৮। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে —

(ক) কলিয়াবৰ জলসিঞ্চন আঁচনিৰ বাবে কিমান বিঘা মাটি অনুগ্ৰহণ কৰা হৈছিল আৰু কিমানজন লোকৰ মাটি অধিগ্ৰহণ কৰিছে ?

(খ) উক্ত মাটিৰ মূল্য কিমান জনাবনে ?

(গ) এতিয়ালৈকে কিমানজন লোকক মাটিৰ মূল্য দিয়া হৈছে আৰু কিমানজনক দিবলৈ বাকী আছে ?

(ঘ) কিমান দিনৰ ভিতৰত সকলোকে মাটিৰ মূল্য দিয়া শেষ হব জনাবনে ?

ডা ঃ— ভূমিধৰ বৰ্মণ ( ৰাজহ বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ—

১০৮। (ক)— প্ৰথমতে মুঠতে ৬৬৬৭ জন লোকৰ পৰা ৩২০৮/৯ লোচা মাটি অধিগ্ৰহণ কৰা হৈছিল। ইয়াৰে ৮ জন লোকৰ মুঠ ৩ বিঘা ৩ কঠা ৫ লোচা মাটি অধিগ্ৰহণৰ ছুটা প্ৰস্তাৱ সম্প্ৰতি জলসিঞ্চন বিভাগে বাদ দিছে।

(খ)— উক্ত ৩ বিঘা ৩ কঠা ৫ লেচা মাটি বাদ দি বাকী ৩২০৪ বিঘা ৩ কঠা ৪ লেচা মাটিৰ ক্ষতিপূৰণ মুঠতে ৩৪,৬৫,৮৫৫,: ৮৮ টকা।

(গ) — মুঠতে এতিয়ালৈ ২৪২৩ জন লোকক ক্ষতিপূৰণ দিয়া হৈছে আৰু ৪২৩৬ জন লোকক দিবলৈ বাকী আছে।

(ঘ) — বকী থকা লোকসকলকৰ ভিতৰত ১১৩০ জনৰ প্ৰাপ্য টকাখিনি অহা ডিচেম্বৰ মাহৰ শেষলৈ তেওঁলোকক দিব পৰা হব বুলি ভবা হৈছে। বাকী ৩১০৬ জন লোকৰ প্ৰাপ্য ক্ষতিপূৰণৰ টকা জলসিঞ্চন বিভাগৰ পৰা পোৱাৰ পিচতহে দিব পৰা হব।

## বিষয় : কৃষি শ্ৰমিক

শ্ৰীকেহোৰাম হাজৰিকাই সুধিছে : —

* ১০৯। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম ৰাজ্যত কৃষি শ্ৰমিকৰ সংখ্যা কিমান ?

(খ) এই কৃষি শ্ৰমিক সকলক ৰক্ষণাবেক্ষণ দিয়া, ন্যাৰ্য্য মজুৰী আদায় কৰা আৰু কামৰ সময় নিৰ্দ্ধাৰণ কৰা সম্পৰ্কে চৰকাৰে কি ব্যৱস্থা

হাতত লৈছে ?

(গ) ১৯৭৭ চনৰ ভিতৰত অসম ৰাজ্যিক কৃষি শ্ৰমিক সংঘৰ পৰা এখন স্মাৰক পত্ৰ চৰকাৰে পাইছেনে ?

(ঘ) যদি পাইছে, তেন্তে স্মাৰক পত্ৰত থকা দাবী বিলাকৰ সম্পৰ্কে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীগজেন তাঁতী ( শ্ৰম বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

১০৯। (ক)— ৪০৬০০০ ( ১৯৭১ চনৰ চেন্সাচ মতে )।

(খ)—এই কৃষি শ্ৰমিক বিলাকৰ বাবে নিম্নতম মজুৰী ( Minimum Wages Act. 1984 ) মতে নিৰ্দ্ধাৰিত কৰা হৈছে। দৈনিক কামৰ সময়ো উক্ত এক্টত নিৰ্দ্ধাৰিত কৰা হৈছে। সদৰ আৰু মহকুমা অফিচত নিযুক্ত কৰা লেবাৰ ইন্সপেক্টৰ আৰু লেবাৰ অফিচৰৰ ওপৰত উক্ত নিম্নতম মজুৰী আইনৰ ধাৰা বিলাক প্ৰযোজ্যৰ বাবে দায়িত্ব দিয়া হৈছে।

(গ)— এনেখুৰা স্মাৰক পত্ৰ পোৱা দেখা নেযায়।

(ঘ)— প্ৰশ্ন নুঠে।

বিষয় : জাত-কুলৰ প্ৰমাণ পত্ৰ

শ্ৰীনগেন্দ্ৰ বৰুৱৰই সুধিছে :—

*১১০। মাননীয় সমাজকল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে —

বিভিন্ন বিদ্যালয়ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰী সকলৰ বাবে প্ৰযোজনীয় জাত-কুলৰ প্ৰমাণ পত্ৰ কিয় অগ্ৰাহ্য কৰা হয় ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম ( পিছপৰা জাতি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

১১০। প্ৰয়োজনীয় জাত-কুলৰ প্ৰামাণ পত্ৰ কোনে আৰু কিয় অগ্ৰাহ্য কৰে সেই বিষয়ে কোনো ওজৰ-আপত্তি পোৱা নাই। অৱশ্যে এনে প্ৰমাণ পত্ৰ Issue কৰিবলৈ যি অনুষ্ঠান আৰু চৰকাৰী বিষয়াক ক্ষমতা দিয়া হৈছে তাৰ বাহিৰে আনে Issue কৰা জাত-কুলৰ প্ৰমান পত্ৰ অগ্ৰহণীয়।

Re :— COMMISSION OF GAS TURBINES IN LAKWA

Dr. Robindra Kumar Goswami asked :—

*111. Will the Minister, Power be pleased to state—

(a) When the three gas turbines in Lakwa are expected to go into generation ?

(b) What would be the expected cost of the project ?

(c) Whether the ONGC has agreed to supply the required quantity of gas ?

Shri Girindra Chandra Choudhury ( Minister,

Power) replied :—

111. (a)— The three gas turbines are expected to be commissioned by February / March, 1979.

(b)— Rs. 15·64 crores

(c)— Yes.

বিষয়ঃ নাহৰকটীয়াত খনন কাৰ্য্যৰ বাবে মাটিৰ ক্ষতিপূৰণ

শ্ৰীক্ষীৰোদ চন্দ্ৰ শইকীয়াই সুধিছে :—

* ১১২। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) নাহৰকটীয়া তেল পথাৰত খনন কাৰ্য্যৰ বাবে চৰকাৰে বিঘাই প্ৰতি কি হাৰত মাটিৰ ক্ষতিপূৰণ কৰিছিল আৰু কেতিয়া কৰিছিল ?

(খ) খেতিয়কৰ মাটিৰ ক্ষতিপূৰণ বঢ়াই দিয়াৰ কথাটো চৰকাৰে বিবেচনা কৰিছে নেকি ?

ডাঃ ভূমিধৰ বৰ্ম্মণ (ৰাজহ বিভাগৰ ৰাজ্যিক মন্ত্ৰী) যে উত্তৰ দিছে ঃ

১১২। ক)—নাহৰকটীয়া আৰু অন্যান্য ঠাইত তেল পথাৰ খনন কাৰ্য্যৰ বাবে স্থায়ী বা অস্থায়ী ভাবেই হওঁক ১৮৯৪ চনৰ ভূমি অধিগ্ৰহণ আইন মতে অধিগ্ৰহণ কৰিছিল। অস্থায়ী ভাবে অধিগ্ৰহণ কৰা মাটিৰ ক্ষতিপূৰণ সমহৰ্ত্তাই নিৰ্দ্ধাৰিত কৰি দিয়া মতে দিয়া হৈছিল আৰু স্থায়ী ভাবে অধিগ্ৰহণ কৰা মাটিৰ মূল্য উক্ত আইনৰ বিজ্ঞাপন অনুচ্ছেদ ৪(১)

ৰাজ্যপত্ৰত প্ৰকাশ পোৱাৰ পিছত মাটিৰ শ্ৰেণী অনুযায়ী সেই সময়ৰ বজাৰ দৰ হিচাবে প্ৰদান কৰা হৈছিল।

ইয়াৰ উপৰিও খনি অনুজ্ঞাভুক্ত স্থায়ী বন্দবস্তী জমিত প্ৰৱেশৰ বাবে ১৫৫ (এফ) নং অনুচ্ছেদৰ মতে তৈয়াৰ কৰা নিয়মাৱলীৰ ১৮৯ অনুচ্ছেদৰ (৪) নং উপ-অনুচ্ছেদ অনুযায়ী অনুজ্ঞাপত্ৰ প্ৰাপ্ত লোকসকলৰ উক্ত মাটিত প্ৰৱেশত মাটিৰ দখলদাৰ বা আন কোনো লোকৰ ক্ষতি সাধন হলে সেই ক্ষতিৰ মূল্যাঙ্কন উপায়ুক্তই নিজে কৰি ক্ষতিগ্ৰস্ত লোক সকলক অনুজ্ঞাপত্ৰ প্ৰাপ্ত অনুষ্ঠানে জমা দিয়া ধনৰ পৰা ক্ষতিপূৰণ প্ৰদান কৰিব পাৰে। আৰু এই নিৰ্দ্ধাৰণ ১৯৬৫ চনত (অনুজ্ঞাপত্ৰ দিয়া সময়ত) বিঘায় প্ৰতি ১০০০·০০ (এক হাজাৰ টকা হিচাবে কৰিছিল।

(খ) — ১৮৯৪ চনৰ ভূমি অধিগ্ৰহণ আইনমতে যি বিলাক মাটি অস্থায়ী বা স্থায়ী ভাবে অধিগ্ৰহণ কৰিছিল সেই বিলাকৰ ক্ষতিপূৰণ বঢ়াই দিয়াৰ কথা চৰকাৰে বিবেচনা কৰা নাই। কাৰণ, আইনমতে ক্ষতিপূৰণৰ নিৰিখ কলেক্টৰেহে স্থিৰ কৰিব পাৰে।

কিন্তু খনি অনুজ্ঞাপ্ৰাপ্ত লোকৰ স্থায়ী বন্দবস্তী জমিত প্ৰৱেশৰ বাবে ১৫৫ (এফ) অনুচ্ছেদৰমতে তৈয়াৰ কৰা নিয়মাৱলীৰ ১৮৯ অনুচ্ছেদৰ (৪) নং উপ-অনুচ্ছেদ অনুয়ায়ী যিবোৰ মাটি অধিগ্ৰহণ কৰা হৈছিল সেই বোৰৰ ক্ষতিপূৰণ একেটা নিৰ্দ্দিষ্ট হাৰত নিদি প্ৰত্যেক ক্ষেত্ৰতে বেলেগ বেলেগ নিৰিখ (হাৰ) কৰা যায় নে নেজায় সেই বিষয়ে উপায়ুক্তৰ পৰ্য্যায়ত বিবেচনা কৰি থকা হৈছে।

বিষয় ঃ ইষ্টাৰ্ন লোন্নাৰ

শ্ৰীমতী তৰুলতা বৰাই সুধিছে ঃ—

*১১৩। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

[ক] ইষ্টাৰ্ণ লোম্বাৰ (M/S. Eastern Lumber, Digboi, Assam) নামেৰে এটা প্ৰতিষ্ঠান আছে নেকি ?

[খ] যদি আছে, চৰকাৰী পঞ্জীয়ন মতে তেওঁলোকে কি ব্যৱসায় কৰে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ [ মুখ্যমন্ত্ৰী ] য়ে উত্তৰ দিছে ।

১১৩। [ক] আৰু [খ]—উদ্যোগ বিভাগৰ চৰকাৰী পঞ্জীয়ন মতে ডিগবৈত "ইষ্টাৰ্ণ লোম্বাৰ" নামেৰে কোনো উদ্যোগ প্ৰতিস্থান নাই ।

**বিষয় ঃ চুলং ২নং বৰঘুলিৰ অধিগ্ৰহণ কৰা মাটিৰ মূল্য**

শ্ৰীগোলাপ চন্দ্ৰ বৰুৱাই সুধিছে ঃ—

* ১১৪। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

ক) শিলঘাট থিং মঠাউৰিৰ চুলং ২নং বৰঘুলিৰ অধিগ্ৰহণ কৰা মাটিৰ শেষ কিস্তিৰ মাটিৰ মুল্য দিয়া হল নে ?

খ) যদি হোৱা নাই, কি কাৰণত অধিগ্ৰহণ কৰা মাটিৰ মুল্য দিয়া নাই আৰু কেতিয়ালৈ ইয়াৰ মূল্য দিয়াৰ সিদ্ধান্ত লৈছে ?

গ) উক্ত মথাউৰিৰ বাবে কোন চনত মাটি অধিগ্ৰহণ কৰা হৈছিল ?

ডা: ভূমিধৰ বৰ্ম্মণ ( ৰাজহ বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

১১৪। ক)—হোৱা নাই।

খ)—ৰাজহ বিভাগে অনুমোদন কৰা চুড়ান্ত প্ৰাক্কলনৰ টকাৰ মঞ্জুৰী বান নিয়ন্ত্ৰন বিভাগৰ পৰা এতিয়াও পোৱা নাই বাবে উক্ত মাটিৰ মুল্য দিব পৰা নাই। যেতিয়া উক্ত প্ৰাক্কলনৰ টকা সেই বিভাগে মঞ্জুৰ কৰি যথোচিত নিধি নগাওঁৰ সমহৰ্ত্তাক জমা দিব তেতিয়াহে অধিগৃহীত মাটিৰ মূল্য যথাবিহিত ভাবে দিব পৰা হব

গ)—১৯৭৬ চনৰ ২২ জানুৱাৰীত।

## Re: COMMUNITY CENTRES FOR PLANTATION LABOUR

Dr. Robindra Kumar Goswami asked :—

* 115. Will the Minister, Labour be pleased to state—

a) How many plantation labour Welfare Centres has been established by the Government till date ?

b) What are the functions of these centres ?

c) Whether they have acheived their full objectives ?

Shri Gajen Tanti ( Minister, Labour ) replied :—

115. a)—Fifteen Community Centres for Plantation labour have been established by Government till date.

b)—The main functions of the Centre are.

i) To inculcate the habit of hygienic living and economic budgeting; to promote a sense of discipline and dignity of labour and to eradicate social evils, viz gambling and alcholism etc., among the tea garden population.

ii) To promote games and sports and other cultural and recreational activities.

iii) to promote cducational facilities such as adult education and reading habits and to impart training in crafts viz, cutting and tailoring and carpentry through departmental instructors for the benefit of unemployed tea garden workers and their dependants.

c)—The objectives have, more or less, been achieved and the workers and their depandants have benefitted from the schemes.

## UNSTARRED

## QUESTIONS AND ANSWERS

Date : 15th November, 1977

বিষয় ঃ ধান উৎপাদন

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে ঃ—

২। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

ক) এই বছৰৰ ধান খেতিত ৰাজ্যখনত সৰ্ব্বমুঠ কিমান উৎপাদন হব বুলি চৰকাৰে ঠাৰৰ কৰিছে ?

খ) এই বছৰৰ ধান উৎপাদনে ৰাজ্যখনত চাহিদা পুৰাব নোৱাৰিলে অন্য কি কি খেতি কৰিবলৈ চৰকাৰে ব্যৱস্থা লৈছে ?

গ) যদি কিবা ব্যৱস্থা লৈছে, তেনেহলে খেতিয়কৰ দ্বাৰা কি কৰাব খোজা হৈছে আৰু চৰকাৰে নিজস্ব ৰবীয়াকৈ কিবা কৰিব খুজিছে নেকি ?

শ্ৰীলক্ষ্যনাথ দলে ( কৃষি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

২। ক)—১৯৭৭-৭৮ চনৰ বছৰটোত চাউল উৎপাদন হব—

| | |
|---|---|
| ১) বৰো | ·২৪ লাখ টন |
| ২) আহু | ৩·৭৭ লাখ টন |
| ৩) শালি | ১৪·৫০ লাখ টন |

অনুমানিক

খ]—১৯৭৬-৭৭ চনৰ বছৰটোত মুঠ চাউল উৎপাদন হয় ২১·৫৪ লাখ টন। সেই অনুপাতে চলিত বছৰত উৎপাদন প্ৰায় ৩ লাখ টন কম হব। খাদ্য শষ্যৰ উক্ত ঘাটি আংশিক ভাবে পুৰাবলৈ কৃষি বিভাগে প্ৰায় ৯১ হেজাৰ হেক্টৰ অধিক মাটিত ৰবি শষ্য [ খাদ্য ] কৰিবলৈ স্থিৰ কৰিছে। ইয়াৰ পৰা প্ৰায় ২ লাখ টন খাদ্য শষ্য উৎপাদন হব বুলি আশা কৰা হৈছে।

গ]—অতিৰিক্ত ৯১ হাজাৰ হেক্টৰ মাটিত ৰবি খাদ্য শস্য খেতিয়কৰ

দ্বাৰাই কৰাব খোজা হৈছে। ইয়াৰ কাৰণে আৱশ্যকীয় সা-সুবিধাৰ ব্যৱস্থা কৰিবলৈ হাতত লোৱা হৈছে। চৰকাৰে আগবঢ়োৱা সা-সুবিধা বোৰৰ বিৱৰণ তলত দিয়া হল---

১। কঠিয়া :-- অসম বীজ নিগমৰ দ্বাৰা চৰকাৰে তলত দিয়া মতে বীজ সংগ্ৰহ আৰু বিতৰণ ব্যৱস্থা লৈছে—

| | | |
|---|---|---|
| ১) | ঘেঁহু | ৪০,০০০ কুইন্টল |
| ২) | মচুৰ | ৬০০ ,, |
| ৩) | মটৰ | ৩,০০০ ,, |
| ৪) | সৰিয়হ | ৭০০ ,, |
| ৫) | মগুমাহ | ১০০ ,, |
| ৬) | বুত | ১০০ ,, |

এই বীজৰ আৱশ্যকীয় অংশ বান বিধ্বস্ত কৃষকক ৰাজহ বিভাগৰ কৃষি বীজ ঋণ হিচাবে দিবলৈ ঠিক কৰিছে আৰু বাকী কৃষকক ৰেহাই মূল্যত বিক্ৰী কৰা হব।

২) সাৰ আৰু কীট নাশক দৰব :— অসম কৃষি উদ্যোগ উৎপন্ন বিভাগৰ দ্বাৰা সাৰ আৰু কীট নাশক দৰব বিতৰণৰ ব্যৱস্থা কৰা হৈছে।

৩) জলসিঞ্চন :—আৱশ্যক অনুসৰি জলসিঞ্চন বিভাগৰ যোগেদি জল-সিঞ্চনৰ ব্যৱস্থা কৰা হৈছে।

মাননীয় অধ্যক্ষ :— প্ৰশ্নোত্তৰৰ সময় শেষ। এতিয়া মন্ত্ৰী শ্ৰীশইকীয়াই এটা ষ্টেটমেণ্ট দিব— শ্ৰীদুলাল বৰুৱাই অনা এটি ইলি-গেচনৰ ওপৰত। আপুনি ষ্টেটমণ্টটো দিবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া :— হয়, দিম চাব ।

শ্ৰীনগেন বৰুৱা ঃ— নহয় চাৰ, এই ষ্টেটমেণ্টটো মেম্বাৰজন নিক্তে উপস্থিত থকা অৱস্থাত দিলেহে ভাল হব ।

মাননীয় অধ্যক্ষ :— হয় নেকি, তেতিয়াহলে কালিলৈ দিব । এতিয়া আইটেম নং ২ ।

Dr. Kosheswar Bora :— Sir, under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I beg to call the attention of the Minister, Irrigation to the news item appearing in the Dainik Asom, dated 23rd October,1977 under the caption.

"এখন এঘাৰ লাখ টকীয়া নাৱৰ কাহিনী"

Shri Lakshy nath Doly :— The attention of the govt has been colled upon to a news item appearing in the 'Dainik Asom' under the coption "এঘাৰ লাখ টকীয়া নাৱৰ কাহিনী" Sir, the actual fact is this. The Borgong Lift Irrigation scheme was taken up in 1972 at an estimated amount of Rs. 9,88,850.00 to irrigate 1,200 Hect. The cost of Barge & Mechanical and Electrical installation in the Barge is approx. Rs.1,81,000.00 and not Rs.11 lakhs as reported in the news item

When the scheme was taken up the bank was firm and from 1972 onwards there was no erosion. The bank

was protected in the upstream and to some extent in the D/S. with boulder revetment as usually done near the lift points.

In the current year from 15.8.77 the river started eroding the bank in the up-stream and attacked the and of the revetment. The erosion was quite severe upto 28.8.77 Temporary protection works were taken to arrest the erosion and the was completely arrested by .8.77. On 2-10-77 from about 8 A.M. due to heavy rain the upper catchment, the water of Borgong started rising Al the temporary measures taken earlier were was hed away. The river started eroding the revetment. All precautiuary measures were taken for safety of the Btrge. The Barge was tied with 7 nos of steel wire ropes and chains. At about 9—30 P.M. some sausages were pushed underside of the Barge and the Barge got tilted and water entered the Barge. Immediate message was sent to S.D.O. , Charali Assistant Engineer ( Mechanical ) who rushed to site that very night, Though a strike of the Subordinate Engineering Service, Section I Assistants, Operators and other Subordinates was on at that period, all the staff posted at the lift point were conscious of their responsiblity and exerted without he sitation

and tried their best to avert the incident. The Barge was in the same position upto 4-10-77. on 4-10-77 at 4 P.M. one wire rope and a chain tied with the balland fixed on the up-stream side of the Barge snaped. The presure of water was so high that the bollard on the Barge cracked. The Barge rurned at 90. The wate pressure up -turned the Barge. But as it was securedly tied with other wire ropes it could not be moved away and it sank at site.

The action at that stage to recover the barge could not be taken due to turbulent current and high water level. Now the water level has gone down slightly and steps are being taken to divert the current as much as possible and recovery operation has been started and some me chinaries and equipments valued Rs.33,000.00 approx. have been recovered. For the purpose of recovery of the barge and machinaries, attempts have been made with the help of machines, man-power and even with elephants. Some time will be necessary to recover the whole thing as the task is a difficult one and the site condition is not favourable. Hwever, it is expected to recover the materials within Nov/77. The materials after recovery will be used after necessary repairs, Expected cost of

repair is roughly Rs. 20,000.00 which can be correctly assessed only after recovery. Thus it may be seen that there were no loose boulders stacked on the bank as reported in the news item. Further hed the remaining wire ropes tying the Barge to the bank been untied as suggested in the news item, the barge would have been drifted away causing further damage to the machinaries and accessories and recovery of the materials and the accessories costing Rs. 33,000/- would not have been possible. It would have completely damaged the costly electric cables also.

It may also be mentioned that necessery alternatve arrangement has been mabe to supply water during Rabi season as per cultivators demand by installing 20 H.P. spare pumps on the bank as a temporary measure.

ডঃ কোষেশ্বৰ বৰা ঃ—অধ্যক্ষ মহোদয়, ১১ লাখ টকাৰ নহয় —৯ লাখ টকাৰহে বুলি আমাৰ মন্ত্ৰী ডাঙৰীয়াই কৈছে। যি নহওক এতিয়া ইয়াত যিটো স্কীম লৈছে সেইটোৰ এতিয়ালৈকে কাম আৰম্ভ হৈছে নে নাই, তাত পানী যোগান ধৰিব পৰা হৈছে নে নাই আৰু য'ত নাওখন ডুবিছে সেই ঠাইত পানী আছে নে নাই ? তাৰোপৰি ইয়াত যিটো টেক্‌নিকেল অসুবিধা—আছে তাৰ ফলত ইয়াত যথেষ্ট টকা অপব্যয় হৈছে —সেইকথা আমাৰ মন্ত্ৰী ডাঙৰীয়াই জানে নে ?

শ্ৰীলক্ষ্য নাথ দলে ঃ— অপব্যয় একেবাৰে হোৱা নাই । আচনিখন খুউব ভাল আচনি । তাৰ পৰা ভালেমান পথাৰত পানী যোগান ধৰিব পৰা যাব ! ইতিমধ্যে ৩০০ বিঘা মাটিত শালি খেতিৰ কাৰণে পৰীক্ষামূলক পানী দিয়া হৈছে । কাম এতিয়াও সম্পূৰ্ণ হবলৈ বাকী আছে — তথাপিও কাৰোবাৰ পানী দৰকাৰ হলে তাত যিটো নলা আছে তাৰ পৰা পানী তুলি দিব পৰাকে বিকল্প ব্যৱস্থা কৰা আছে ।

শ্ৰীসোণেশ্বৰ বৰা :— নাঁওথন য'ত আছে তাত পানী আছে নে নাই ?

শ্ৰীলক্ষ্য নাথ দলে—ঃ পানী আছে ।

ড: কোষেশ্বৰ বৰা :— নাওঁথন য'ত ডুবি আছে তাৰ পৰা পানী আতৰি গৈছে ।

শ্ৰীলক্ষ্য নাথ দলে :— নাই যোৱা । মই পঢ়িহি ৰাতিপুৱা ১০ বজাত নিজে চাই আহিছো ।

*ডঃ ৰবীন গোস্বামী :— মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৩০১ নং নিয়ম অনুসৰি ১৯৭৭ চনৰ ২৬ চেপ্তেম্বৰ তাৰিখৰ দৈনিক অসম কাকতত প্ৰকাশিত" ৰাজ্যৰ যোগান বিভাগৰ নিস্ক্ৰিয়তাৰ সুযোগ লৈছে ব্যৱসায়ীয়ে'' শীৰ্ষক বাতৰিটোৰ সম্পৰ্কত মই সদনৰ দৃষ্টি আকৰ্ষণ কৰিছো ।

*Speech not corrected

অধ্যক্ষ মহোদয়, অসমৰ যোগান বিভাগৰ নিস্ক্ৰিয়তাৰ কাৰণে জুলাই আগষ্ট আৰু চেপ্তেম্বৰ মাহত খাদ্য-ব্যৱসায়ী সকলে লাখ লাখ টকা ৰাজ্যখনত লাভ কৰিবলৈ সুযোগ পাইছে। জুলাই মাহৰ অসমত মচুৰ দাইল আৰু মিঠাতেল যথেষ্ট পৰিমাণে আছিল আৰু আগষ্ট চেপ্তেম্বৰ মাহত এই সামগ্ৰীসমূহ লাহে লাহে কম হৈ আহিবলৈ ধৰে। কিন্তু অসমৰ খাদ্য—ব্যৱসায়ী সকলে জুলাই মাহৰ মজুত কৰি ৰখা সামগ্ৰীখিনিৰ ওপৰত দাম বৃদ্ধি কৰি লাখ লাখ টকাৰ ব্যৱধানৰ মুনাফাকাৰী সকলে লাভ কৰিবলৈ সক্ষম হৈছে। অকল মচুৰ দাইল আৰু মিঠাতেলতেই—তেওঁলোকে প্ৰত্যেকটো বস্তু মজুত কৰি চৰকাৰৰ কণ্ট্ৰল নথকাৰ কাৰণে অধিক দাম বৃদ্ধি কৰিছে। মচুৰ দাইলৰ ক্ষেত্ৰত তেওঁলোকে প্ৰত্যকটো কুইণ্টলত ১০০ ভাগ দাম বৃদ্ধি কৰিছে।

চলিত নিয়ম মতে যিকোনো খাদ্য বস্তু বাহিৰৰ পৰা অনাৰ লগে লগে সকলো খবৰ যোগান বিভাগক জনাব লাগে। অকল জনোৱাই নহয়, কিমান পৰিমাণৰ বস্তু আনিছে। তাৰ মূল্য কিমান, কৰ পৰা আনিছে আদি যাৱতীয় সকলো কথা যোগান বিভাগত জনাব লাগে। ইবিলাক নিয়ম থকা স্বত্বেও যেতিয়া বস্তুৰ দাম বৃদ্ধি হৈছিল তেতিয়া যোগান বিভাগে সেই বস্তু বিলাক নতুন বস্তু নে পুৰনি বস্তু সেই বিষয়ে তেওঁলোকে অনুসন্ধান নকৰিলে। আৰু যদি পুৰনি সামগ্ৰীৰ ক্ষেত্ৰত দাম বৃদ্ধি হৈছিল সেইটো কিয় অনুসন্ধান নকৰিলে। যোগান বিভাগৰ এনে ধৰণৰ ততপৰতাৰ কাৰণেই ব্যৱসায়ী সকলে লাখ লাখ টকা লাভ কৰিবলৈ সুযোগ পালে। এই থিনিতেই এটা কথা উল্লেখ কৰিব খুজিছো যে আমাৰ অসমৰ বজাৰ কমিচনৰ এজেণ্টে নিয়ন্ত্ৰণ কৰে। এই কমিচনৰ এজেণ্টে দাম নিৰ্দ্ধাৰণ কৰি দিয়ে। যি দাম নিৰ্দ্ধাৰণ কৰি দিয়ে সেই দামকে আমাৰ ব্যৱসায়ী সকলে লয়

তেওঁলোকে সকলো বিলাকে ব্যৱস্থা কৰি দিয়াৰ কাৰণে, মালৰ কাৰণে বা ৰেলৰ ডবাৰ কাৰণেও হাবাথুৰি খাবলগীয়া নহয়। কিন্তু কমিচনৰ এজেণ্ট দ্বাৰা বস্তু অনাৰ কাৰণে অসমৰ জনসাধাৰণে অতিৰিক্ত দাম ভৰিবলগীয়া হয় সেইকাৰণে মই চৰকাৰক অনুৰোধ কৰিছো এই ব্যৱস্থা বিলাক নাইকীয়া কৰিব লাগে। মই ইয়াৰ কাৰণে তিনিটা পৰামৰ্শ আগবঢ়াব বিচাৰিছো। (১) যোগান বিভাগন অধিক সক্ৰিয় হব লাগিব; (২) দাইলকে ধৰি যিবিলাক প্ৰয়োজনীয় সামগ্ৰী অসমৰ ভিতৰলৈ আনিব লাগে সেইবিলাক পোনপতিয়া ভাবে উৎপাদন কেন্দ্ৰৰ পৰা আনি সুলভ মূল্যৰ দোকানৰ যোগেদি বিতৰণ কৰিব লাগে। (৩) যিবিলাক বস্তু অসমৰ অনুমোদিত ব্যৱসায়ী সকলক আনিবলৈ দিয়া হয় তেওঁলোকক উৎপাদন কেন্দ্ৰৰ পৰা বস্তু অনাত সহায়ক হব লাগে ইয়াৰ যেন ৰেলৰ ডবা আদিৰ সুবিধা পায় ইয়াৰ ব্যৱস্থা চৰকাৰে কৰি দিব লাগে। এই বিলাক যদি ব্যৱসায়ী সকলৰ এজেণ্ট সকলৰ দ্বাৰা নকৰি পোন পোতীয়া ভাবে যদি বস্তু আনিব পৰা যায় তেতিয়া হলে অসমৰ ৰাইজে সকাহ পাব।

শ্ৰীগজেন তাতী :— মাননীয় অধ্যক্ষ, অত্যাৱশ্যকীয় খাদ্য সামগ্ৰীৰ দাম বঢ়া সম্পৰ্কে যোগান বিভাগ নিস্ক্ৰীয় হৈ থকা বুলি অনা অভিযোগ সত্য নহয়। মিঠাতেল আৰু দাইলকে ধৰি আন আন অত্যাৱশ্যকীয় সামগ্ৰীৰ অধিক আমদানীৰ বাবে যোগান বিভাগে ব্যৱস্থা লৈ আহিছে আৰু উপায়ুক্ত আৰু মহকুমাধিপতি সকলকো তেওঁলোকৰ এলেকাত থকা পাইকাৰী ব্যৱসায়ী সকলে যাতে উপযুক্ত পৰিমাণে অত্যাৱশ্যকীয় খাদ্য সামগ্ৰী আমদানী কৰে তাৰ বাবে নিৰ্দেশ দি আহিছে। ৰাজ্যত যাতে মিঠাতেল আৰু দাইলৰ নাটনিয়ে দেখা নিদিয়ে তাৰ বাবে গাইগুটীয়া ব্যৱসায়ী সকলৰ ওপৰিও ৰাজ্যিক সমবায় ফেডা-

ৰেচনকে এই বিভাগে মিঠাতেল আৰু দাইলকে ধৰি আন আন নিত্য-প্ৰয়োজনীয় খোৱা বস্তু আনিবলৈ নিৰ্দ্দেশ দিছে। যোৱা বছৰৰ পৰা এই ফেডাৰেচনে ভালেখিনি মিঠাতেল আৰু কিছুপৰিমাণে দাইল আৰু আন আন খোৱা বস্তুত আমদানি কৰিছে। এই সম্পৰ্কত কোৱা উচিত হ'ব যে দাইলৰ ব্যৱসায় কোনো সংগঠিত ব্যৱস্থামতে কৰা হোৱা নাই। (organised seel বা) আৰু ইয়াৰ দাম আৰু ৰিবৰণো আইনৰ দ্বাৰা নিয়ন্ত্ৰিত নহয়। তেনেদৰে মিঠাতেলৰ ব্যৱসায়ো সংগঠিত ব্যৱস্থাৰ (organired secl বা) মাজেদি কৰা নহয় আৰু ইয়াৰ বিতৰণো নিয়ন্ত্ৰিত নহয়। কিছুদিনৰ আগলৈকে মিঠাতেলৰ দামৰ ওপৰতো কোনো নিয়ন্ত্ৰণ নাছিল। তাৰ উপৰিও এই দুবিধ সামগ্ৰীৰ বাবে অসম আন আন ৰাজ্যৰ ওপৰত নিৰ্ভৰশীল আৰু আমাৰ ইয়াত এনে বস্তুৰ দাম উৎপাদনকাৰী ৰাজ্যৰ চলিত দামৰ ওপৰত নিৰ্ভৰ কৰে। যিহেতু এনেবোৰ খাদ্যসামগ্ৰীৰ উৎপাদনকে আমাৰ ৰাজ্যৰ চাহিদা পূৰণ কৰিব নোৱাৰে। তেনেস্থলত আমাৰ ইয়াত এনে বস্তুৰ দাম বান্ধি দিয়াটোও অবাস্তৱ হ'ব। কিয়নো এনে কৰিলে ইয়াৰ আমদানী একেবাৰে বন্ধ হৈ বস্তুৰ নাটনি হোৱাৰো সম্ভাৱনা নোহোৱা নহয়। খাদ্যসামগ্ৰীৰ দাম উৰ্দ্ধমুখী অকল অসমতেই নহয়, সমগ্ৰ দেশতেই হৈছে আৰু সেয়ে আমাৰ ইয়াত মিঠাতেল আৰু দাইলৰ দাম বৃদ্ধি সম্পৰ্কে যি অভিযোগ বাতৰি কাকতত ওলইছে, সেই অভিযোগ ওপৰত উল্লেখিত পৰি—প্ৰেক্ষিতত বিচাৰ কৰা উচিত হ'ব।

স্থানীয় বিষয়া সকলৰ পৰা পোৱা প্ৰতিবেদন মতে এই মাহকেইটাত যোৰহাটত মচুৰ দাইল আৰু মিঠাতেলৰ দাম তলত দেখুওৱা ধৰণৰ আছিলঃ—

| মাহ— | মচুৰ-দাইল (প্ৰতিকেজিৰ-দাম) | মিঠাতেল (প্ৰতি-লিটাৰৰ-দাম) |
|---|---|---|
| এপ্ৰিল,-৭৭ | — ২.৩০ ৰ-পৰা ২.৫০ — | ৮.২০ ৰ-পৰা-১০.০০ |
| মে-৭৭ | — ২.৮৫ ৰ-পৰা ২.৯৫ — | ৯.৬০ ৰ-পৰা-১০.৫ |
| জুন-৭৭ | — ২.৯০ ৰ-পৰা ৩.০০ — | ১০.০০ ৰ-পৰা-১১.০ |
| জুলাই-৭৭ | — ৩.১০ ৰ-পৰা ৩.২০ — | ১০.০০ |
| আগষ্ট-৭৭ | — ৩.৩০ ৰ-পৰা ৩.৪০ — | ১০.০০ ৰ-পৰা-১০.৫ |
| চেপ্তেম্বৰ-৭৭ | — ৩.৮০ ৰ-পৰা ৪.০০ — | ১১.৫০ ৰ-পৰা-১২.০ |

---

এই সময়ত উৎপাদনকাৰী ৰাজ্য-সমূহতো এই দুইবিধ বস্তুৰ দাম ক্ৰমান্বয়ে বৃদ্ধি পাইছিল। এই দুবিধ বস্তুৰ এখন উৎপাদনকাৰী ৰাজ্য উত্তৰ প্ৰদেশৰ কেইখনমান ঠাইৰ উল্লেখ কৰা সেই সময়ৰ মূল্য তলত উদ্ধৃত কৰা হ'ল :—

মচুৰ-দাইল

(প্ৰতি কুইন্টলৰ দাম)

| তাৰিখ | বিধ | দাম |
|---|---|---|
| ৩০।৪।৭৭ | — আগ্ৰা চিলেক্টেদ — | ২১০্ টকা |
| ৩০।৫।৭৭ | — ,, — | ২৭০্ ৰ-পৰা ২৮০্ |
| ৩০।৬।৭৭ | — ,, — | ২৪০্ টকা |
| ৩০।৭।৭৭ | — ,, — | ৩০৫্ ৰ-পৰা ৩১০্ |
| ৩০।৮।৭৭ | — ,, — | ৩২০্ টকা |
| ৩০।৯।৭৭ | — ,, — | ৪০০্ টকা |

মিঠাতেল—

( প্ৰতি-কুইন্টল খোলা (loose) তেলৰ দাম )

| তাৰিখ— | কানপুৰ— | — আগ্ৰা | — হাঠৰাচ্ |
|---|---|---|---|
| ৩০।৪।৭৭ — | ৯৮০্ | — ৯০০্ | — ৮৩৫্ |
| ৩১।৫।৭৭ — | ১০২৫্—১০৬৫্ | — ১০৩০্ | — ১০৮০্ |
| ৩০।৬।৭৭ — | ১০৩০্—১০৭০্ | — ১০১৬্ | — ১০০৮্ |
| ৩০।৭।৭৭ — | ১০৭০্—১১১০্ | — ১০৪০্ | — ১০৪০ |
| ৩০।৮।৭৭ — | ১০০০্—১০৮০্ | — ১১০০্ | — ১০৯৪্ |
| ৩০।৯।৭৭ — | ১২৩০—১২৮০্ | — ১২৭৫্ | — ১১২০্ |

যদিও বাৰিষাৰ আনাতে খেতি উঠাৰ বাবে বাৰিষা আৰম্ভ হোৱাৰ পাচৰ সময় চোৰাত এই দুইবিধ বস্তুৰ আমদানি সাধাৰণতে কম হয় তথাপিও যোৱা বছৰৰ তুলনাত দাইল আৰু খোৱাতেলৰ আমদানি তুলনাত দাইল আৰু খোৱাতেলৰ আনদানি তুলনা মূলক ভাবে বৰ কম নহয়। যোৱা বছৰ আৰু এই বছৰৰ জুন, জুলাই আগষ্ট আৰু চেপ্তেম্বৰ মাহত ৰেলেৰে অসমলৈ অহা দাইল আৰু খোৱা তেলৰ এটা হিচাব তলত দেখুৱা হ'ল :—

( ৰেলৰ ডবা হিচাপত )

| বস্তু | ১৯৬৬ | | | | ১৯৭৭ | | | |
|---|---|---|---|---|---|---|---|---|
| | জুন | জুলাই | আগষ্ট | চেপ্তেম্বৰ | জুন | জুলাই | আগষ্ট | চেপ্তেম্বৰ |
| দাইল | ১৪৩ | ৫০ | ৯৯ | ৮৭ | ১১২ | ৮৩ | ১০০ | ১২৯ |
| খোৱা তেল | ৫৭ | ১৪১ | ৬৯ | ৮১ | ৫৫ | ৩৫ | ৪৫ | ৮৪ |

ওপৰৰ হিচাবৰ পৰা কব পাৰি যে অকল আমদানী কাম হোৱা-টোৰেই এই দুবিধ বস্তুৰ মূল্য বৃদ্ধি একমাত্র কাৰণ নহয়।

যোগান বিভাগে সকলো সময়তে ব্যৱসায়ী আৰু ব্যৱসায় সন্থা বিলাকৰ লগত যাতে উপযুক্ত পৰিমানে খাদ্য বস্তু বাহিৰৰ পৰা অসমলৈ আহে তাৰ বাবে যত্ন কৰি আহিছে। চৰকাৰৰ গঠিত বিভিন্ন সমিতি বোৰেও বিভিন্ন স্তৰত বিভিন্ন খোৱা বস্তুৰ পৰিমাণ ( stoek ) আৰু দামৰ বিষয়ে সময়ে সময়ে পৰ্য্যালোচনা কৰি আহিছে।

আগতে আমদানি কৰা বস্তু যাতে আনাৰ দামতে বিক্রী হয় সেই সম্পৰ্কে চকু ৰাখিবলৈ যোগান বিভাগে স্থানীয় বিষয়া সকলক নিৰ্দ্দেশ দিছে আৰু তেওঁলোকৰ এলেকালৈ অনা প্ৰতি consignmeut ৰ- " বিজুক " কে ( Bijuk ) ধৰি বস্তু অনা সম্পৰ্কীয় অন্যান্য কাগজ পত্ৰও নিয়মিত ভাৱে পৰীক্ষা কৰিবলৈ কৈছে। যাতে উপযুক্ত পৰিমানে বস্তু আহে আৰু দাম নাবাঢ়ে এই সম্পৰ্কে তেওঁলোকক ব্যৱসায়ী সন্থাবিলাকৰ লগত যোগাযোগ ৰাখি স্বচ্ছাই দাম বন্ধা সম্পৰ্কেও ( vownltany price pegging ) ব্যৱস্থা লবলৈ কোৱা হৈছে।

মিঠাতেল সাধাৰণতে আমাৰ ইয়ালৈ ব্যৱসায়ী সকলে উত্তৰ প্ৰদেশ আৰু ৰাজস্থানৰ পৰা আনে আৰু দাইল সাধাৰণতে উত্তৰ প্ৰদেশ, আৰু মধ্য প্ৰদেশৰ পৰা আনে। গতিকে কলিকতাৰ কমিচন প্ৰজেক্টৰ প্ৰতিনিধিয়ে কোৱা কথাৰ লগত অসমলৈ এই দুবিধ বস্তু অহাৰ কিমান সম্পৰ্ক আছে কোৱা টান।

ৰাজ্যিক সমবায় ফেডাৰেচনৰ মতে অন্যান্য লাইচেন্স প্ৰাপ্ত ব্যৱসায়ী সকলৰ লগতে তেওঁলোকেও উত্তৰলক্ষীমপুৰ শাখাৰ জৰীয়তে মাজুলীত ৩১০৮ কুইন্টস সৰিয়হ কিনিছিল। যোৰহাটত ৰাজ্যিক সমবায়

ফেডাৰেচনে ১২৯৮ কুইণ্টল ৩০ কেজি সৰিয়হ কিনিছিল। সৰিয়হৰ দাম ক্ৰমান্বয়ে ৩০০ টকাৰ ওপৰলৈ বৃদ্ধি পোৱা বাবে আৰু যিহেতু চৰকাৰে সেই সময়ত মিঠাতেলৰ দাম প্ৰতি লিটাৰত ৮.২০ পইচাকৈ বান্ধি দিছিল সেই কাৰণে পিচত বাজ্যিক সমবায় ফেডাৰেচনে লোকচান নভৰিবলৈ সৰিয়হ কিনা বন্ধ কৰি দিছিল। যোৱা খেতিৰ সময়ত গোটেই অসমত সমবায় ৰাজ্যিক ফেডাৰেচনে ৮৯৯৩ কুইণ্টল ৩১ কেজি সৰিয়হ সংগ্ৰহ কৰিছিল। আৰু তেওঁলোকে সংগ্ৰহ কেন্দ্ৰৰ পৰা সৰিয়হ বিভিন্ন তেল মিলক তলত দিয়া স্বৰ্ত্তত দিছে :—

(ক) বস্তু, গুদাম ভাড়া, পৰিবহন, গুদামত থকা সময়ৰ শুকনী আদি "মিলে" বহন কৰিব ;

(খ) ৰাজ্যিক সমবায় ফেডাৰেচনে প্ৰতি কুইণ্টল আবণ্টন দিয়া সৰিয়হৰ বাবে তেল 'মিলৰ" পৰা দুই টিনকৈ (প্ৰতি টিনত ১৬ কেজি) সৰিয়হ তেল টিন সহ পাব।

(গ) ইয়াৰ উপৰিও তেল মিলে প্ৰতি কুইণ্টল আবণ্টন কৰা সৰিয়হৰ বাবে ফেডাৰেচনক ৩০্ টকাকৈ দিব।

(ঘ) খলিহৈ তেলকলৰ হ'ব আৰু তাকে কেজি প্ৰতি ১্টকাকৈ বিক্ৰি কৰিলেও অনুমানিক কুইণ্টলে প্ৰতি ৬৪ কেজি খলিহৈৰ বাবে তেল মিলে ৬৪্ টকা পাব।

দৈনিক অসমৰ ২৬।৯।৭৭ তাৰিখৰ সংখ্যাত প্ৰকাশ পোৱা ৰাজ্যিক সমবায় ফেডাৰেচনে মাজুলীৰ পৰা ১২,২৮৯ কুইণ্টল সংগ্ৰহ কৰা বাতৰি সত্য নহয়। তেওঁলোকে উত্তৰলক্ষীমৰ শাখাৰ জৰিয়তে

মাজুলীত মাত্ৰ ৩১০৮ কুইন্টল সৰিয়হহে কিনিছে । মাজুলীত বাজ্যিক সমবায় ফেডাৰেচনৰ উপৰিও অন্যান্য অনুজ্ঞা পত্ৰধাৰী (sicenseo) ব্যৱসায়ী সকলে সৰিয়হ কিনিছিল । ৰাজ্যিক Gop Forecast Committee ৰ মতে ১৯৭৬—৭৭ চনত সমগ্ৰ যোৰহাট মহকুমাত ৮০০০ হেক্টৰ মাটিত সৰিয়হৰ খেতি কৰা হৈছিল আৰু তাৰ আগৰ বছৰ ১৯৭৫—৭৬ চনত আছিল ৮০০০ হেক্টৰ । যোৰহাট মহকুমাৰ মাজুলীত সৰিয়হৰ খেতি কিমান মাটিৰ কৰা হৈছিল আৰু কিমান সৰিয়হ পোৱা হৈছিল ততালিকে কোৱা টান ।

গতিকে এইটোৰ পৰা দেখা যায় যে অকল বস্তুৰ দামৰ কাৰণেই দাম বাঢ়ে আৰু ব্যৱসায়ীয়ে বেছি দাম লয় এইটো কথা সত্য বুলি কব নোৱাৰি । মাননীয় সদস্য ডাঃ গোস্বামী ডাঙৰীয়াই যিকেইটা পৰামৰ্শ আগবঢ়াই সেইকেইটা পৰামৰ্শ ইতিমধ্যে ৰাজ্য চৰকাৰে গ্ৰহণ কৰিছে । আমি ইতিমধ্যে ষ্টেটফেডৰ জৰিয়তে পোনপোতিয়া ভাৱে বস্তু আনাৰ ব্যৱস্থা কৰিছো । যাৱা বছৰ এই ধৰণে বস্তু আনি বিতৰণ কৰা হৈছিল। ৰেলৰ ডবাৰ ক্ষেত্ৰত যিবিলাক অসুবিধা আছিল সেই-বিলাক অসুবিধা দূৰ কৰা হৈছে । কিন্তু যিবিলাক ৰাজ্যৰ পৰা বস্তু আনিব লাগে সেইবিলাক ৰাজ্যৰপৰা সহাৰি পোৱা নাই । কেন্দ্ৰৰ পৰাও আমি সহাৰি পোৱা নাই । কেন্দ্ৰ আৰু ৰাজ্য বিলাকক আমি এই অসুবিধা বিলাকৰ কথা কৈছো । দাইল তেল কেন্দ্ৰৰ প্লেন চেক্টৰৰ পৰা কৰা হোৱা নাই । তেখেতৰ দৃষ্টিআকৰ্ষণ প্ৰস্তাৱৰ সন্দৰ্ভত মই এই খিনিকে স্পষ্টীকৰণ দিছো ।

* শ্ৰীনগেন বৰুৱাঃ = অধ্যক্ষ মহোদয় মই মন্ত্ৰী মহোদয়ৰ পৰা

*Speech not Corrected

এটা স্পষ্টীকৰণ বিচাৰিছো । যোৱা অক্টোবৰ মাহৰ ভিতৰত নতুন গুৱাহটী ষ্টেচনত বহুত ডবা খানা বস্তু ৰেলত আহি আনক্লেইম অৱস্থা হৈ পৰি আছিল । ৭অক্টোবৰ তাৰিখে ৰেলৰে বিভাগে এইবিলাক অকচন কৰিবৰ কাৰণে আইনৰ জৰিয়তে জাননী দিলে । সেই সময়ত অসম চৰকাৰৰ যোগান বিভাগে অনুৰোধ কৰিছিল যে সেই আন ক্লেইম বস্তু বিলাক এতিয়া অকচন কিৰব নালাগে কাৰণ যিহেতু পূজা আহিছে । আৰু তেওঁলোকক কিছু সময় দিব লাগে এই বুলি যোগান বিভাগে ৰেল বিভাগক অনুৰোধ কৰিলে । সেইমতে অকচনৰ তাৰিখ ১৭, ১৮ অক্টোকবলৈ বঢ়াই দিয়া হল । এইবিলাক কোনে আনিছিলে কিয় আনিছিলে কোনেও ক্লেইম কৰা নাছিলে । সেই সময়ত যোগান বিভাগে বেপাৰী সকলৰ হৈ গোপনে ৰেল বিভাগলৈ এখৰ চিঠি দিয়া কথাটো সত্য নেকি ? অসমৰ প্ৰায় আটাইবিলাক বাতৰি কাকতত্তেই এই বিলাক কথা প্ৰকাশ পাইছিল যে যোগান বিভাগে ৰেল বিভাগক অকচন চেল নকৰিবলৈ অনুৰোধ কৰি এখন চিঠি দিছে আৰু অকচনৰ তাৰিখ বঢ়াই দিবলৈ কৈছে । কিন্তু ইতিমধ্যে ১৪, ১৫ তাৰিখে এই বস্তু বিলাক উঠাই লৈ গু.চ আহিল । এই সম্পৰ্কত চৰকাৰে কোনো প্ৰেছ বিজ্ঞাপ্তি আদিও নিদিলে । এই সম্পৰ্কত যিবিলাক কথা উঠিছে সেইবিলাক সচা নে মিচা এই সম্পৰ্কত মই মন্ত্ৰী মহোদয়ৰ পৰা মতামত বিচাৰিছো ।

*শ্ৰীগজেন তাতী :— অধ্যক্ষ মহোদয়, ৰেলৰে ওৱাগনত বস্তু আহিলেহে ৰেলৰে নিয়ম মতে এটা নিৰ্দ্ধাৰিত সময়ত বস্তুবোৰ উঠাই নিব লাগে । নহলে অক্সন চেল কৰা হয় । কিন্তু কিবা কাৰণত অসুবিধা হলে আমি ৰেলৱেক অনুৰোধ কৰো যাতে বস্তু খিনি কিছুদিন ৰখা হয় মোৰ মনত পৰা

*Speech not Corrected

মতে বৰুৱা ডাঙৰীয়াই কোৱা মতে তেনে কোনো ৰেকৰ্ড নাই । সেইটো চাব লাগিব । কিন্তু দুটামান সময়ত আমি ৰিকুৱেষ্ট কৰাৰ কথা হয় । তিনচুকীয়া ষ্টেচনত কিছু বস্তু আছিল সময়মতে মোকোলাব নোৱাৰাৰ কাৰণে আমি কিছুদিন ৰাখিবৰ কাৰণে সময় দিব লাগে বুলি অনুৰোধ কৰিছিলো আৰু দ্বিতীয়তে যোৱা চেপ্তেম্বৰ মাহৰ শেষ ভাগত আৰু অক্টোবৰ মাহৰ প্ৰথম ভাগত কেন্দ্ৰীয় চৰকাৰ যেতিয় চাউল — দাইল, তেল ইত্যাদিৰ ক্ষেত্ৰত নতুন নিয়ম পৰ্ণেয়ণ কৰিলে সেই সময়ত দেখা গল যে একোজন হলচেল ব্যবসায়িক ৫ শ কুইণ্টলৰ বেছি বস্তু ৰাখিব দিয়া নহয় আৰু ৰাখিবৰ হলে আইনমতে দণ্ডনীয় হব সেই সময়ত কিছুমান ব্যৱসায়ীয়ে সময় মতে খালাচ কৰিব পৰা নাছিল। ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ পৰা স্পষ্টীকৰণ লব লগা হল আৰু সেই বাবে কিছুদিন দেৰী হোৱাত আমি ৰিকুৱেষ্ট কৰা কথাটো সচাঁ । এই ক্ষেত্ৰত বৰুৱা ডাঙৰীয়াই যিটো কথা কৈছে সেইটো নিশ্চয় চাম ।

শ্ৰীনগেন বৰুৱা :— ৰেলৱে বিভাগত যোৱা ৭ অক্টোবৰ তাৰিখে যিটো কৰিলে সেই সন্দৰ্ভত যিটো প্ৰশ্ন উঠিছে সেইটো অনুসন্ধান কৰি চাব নে ।

শ্ৰীগজেন তাঁতী :— চোৱা হব ।

Shri Md. Idris :— Sir I beg to present the List of Supplementary Demands for Grants and Supplementary Appropriation for the year 1977-78.

Shri Sarat Chandra Sinha :— Sir, I beg to lay the Election Commission's Notification No. 282/1/AS/77 dt. 10.10.77.

Prfsentation of Reports of Legislature Committee's

Shri Md. Umaruddin :— Sir I beg to present the Sixth Report of the Employment Review Committee. Sir, typed copies of Report are placed on the table of of the House. printed copies of the same would be sent to the hon. members after these are ready.

Shri Biren Ram Paukan :— Sir I beg to present the Twenty-third Report of the Committee on Government Assurances. In this connection, I want to submit that due to want of time, the report could not be printed; the typed copies of the report are placed on the table of the House. and the printed copies would be submited to the hon. members in due course.

Shri Debendra Nath Bora :— Sir, I beg to present the First Report of the Library Committee. Sir, due to want of time the copies could not be printed but this would be circulated to the hon. members when these are printed. The typede copy of the same

is placed on the table of the House,

Shri Promode Chandra Gogoi :— Sir, I beg to present the Twenty-sixth Report of the Publie Accounts Committee on the Report of the Comptroller and Auditor General of India for the year 1971-72, Appropriation Accounts, 1971-72 and Finance Accounts 1971-72

Shri Promode Chandra Gogoi :— Sir I beg to present the Twenty-seventh Report of the Public Accounts Committee relating to excess over voted grants and charged appropriation on the report of the Comptroller and Auditor General of India for the years 1969 70, 1970-71, 1971-72 and 1972-73 and Appropriation Accountes 1969-70, 1970-71, 1971-72 and 1972-73

Shri Promode Chandra Gogoi :— Sir I beg to present the Twenth-eighth Report of the Public Accounts Committee on the Report of the Comptroller and Auditor General of India for the year 1972-73, Appropriation Accounts, 1972-73 and Finance Accounts 1972-73. Sir, due to want of time the printed copies of the report could not be circulated to the hon. members; the typed copies of the same are placed on

the table of the House. the printed copies would be supplied to the hon. members later on.

Shri Mal Chandra Pegu :— Sir I beg to present the Second Report of the Committee on welfare of Scheduled Castes and Schduled Tribes. Sir for want of time printed copies of the Report could not be circulated to the hon'members but the printed copies would be submitted to the hon. members when ready. The typed copies of the same are placed on the table of the House.

Mr. Speaker :— Now item No. 13, Mr. Sinha

*Shri Sarat Chandra Sinha :— Sir, the hon. membes have raised various points; these points are not precisely connected with this particular Bill. The hon. members have referred to the matters of eviction of the people from the Forest Reserves, and also from other lands of PWD and other deptts. But so far as this Bill is concerned, it precisely refers to the premises and buildings of the Goverument and some public Undertakings. It has no relation with the Forest, or the PWD or even the Government lands. Sir it has

*Speech not Corrected

been stated in the statement of objects and reasons that it is necessary for the speedy implementation for recovery of the properties of the Government there should be a bar to the jurisdiction of the civil courts. This is precisely the point whether this matter should be deparred from the civil courts: We have found that very often these cases remain pending in the court and on account of litihation it becomes difficult for the government function properly, becuse very often the houses remain occupied and become subject matter of litigation and the government is put to inconvenience. The Hon. members have pointed out that if this Bill is passed, then the officers, particularly the government officers immediately after their retirement this will be applied without any consideration and such Officers should be put to difficulty. Sir, while implementing this act certainly it is not the intention of the Govt. to harass the Govt. officers, particularly who have retired after long years of service, after remaining in the service for the entire life. It is not the intention of the Govt. to harrass. So the apprehehsion of the hon'ble Members is not correct. I can assure, sir, that the Govt. will certainly be conseiderate even when the Govt. can apply and can

evict the person who has just retired, even in such cases the Govt. will certainly consider. But then we want that the Govt. should have the power to free its own premis and also to free the premises and the buildings of the public undertakings for the smooth functiening of the Govt. Therefore, it is sought in the Govt. bill to debar the civil court in this particular case. Hon'ble members have rasied so many points in this particular case, but I do not think most of the points raised by the hon'ble members relate to the provisions of the Bill.

শ্ৰীনগেন বৰুৱা :— মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা এটা স্পষ্টীকৰণ বিচাৰিছো, ভেখেতে কলে যে এই বিলখনৰ সংশোধনীৰ দ্বাৰা চিভিল কোৰ্টত যাব নোৱাৰাৰ ব্যৱস্থা কৰা হৈছে। মই জানিব বিচাৰিছো চুপ্ৰিম কোৰ্টত যাব নোৱাৰাৰ ব্যৱস্থাও কৰা হৈছে নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ :— চুপ্ৰিম কোৰ্টক কোনেও বাধা দিব নোৱাৰে, চুপ্ৰিম কোৰ্টত যোৱাৰ অধিকাৰ আছে।

Mr. Speaker :— Now I put the motion. The motion is than the Assam Public Premises (Eviction of unauthoaised Occupants) Amendment) Bill, 1977 be passed. (After a pause the motion is passed, the bill is passed)

Now Saikia, item No. 14.

Here is a message from the Governor:

"Uader the provision of Article 207 (3) of the Constitution of India, I Lallan Prasad Singh, Governor of Assam, recommend that the Assam Secondary Education (provincialisation) Bill, 1977, be taken into consideration by the Asssm Legislative Assembly:

( Lallan Prasad Singh )
Governor of Assam.

Shri Hiteswar Saikia, :— Sir, I beg to move that the Assam Secondary Education (provincialisation) Bill, 1977 be taken into consideration.

Mr. Speaker :— The motion is moved.

Shri Nagendra Chandra Barua :— Sir, I beg to move that the Assam Secondary Education (Provincialisation) Bill, 1977 be referred to the Select Committee consisting of the following members.

1. Minister, Education .... Chairman;
2. Minister of State Education .... Member;
3. Shri Lila Kanta Bora, M.L.A, .... Member;
4. Shri Bijoy Krishna Handique, M.L.A .... Member;
5. Shri Harendra Nath Talukdar, M.L.A ... Member.
6. Shri Pranita Talukdar, M.L.A .... Member.
7. Smti. Tarulata Bora, M.L.A .... Member.

8. Shri. Dulal Chandra Barua, M.L.A .... Member.

9. Shri Badan Chandra Talukdar, M.L.A ... Member.

10. Shri Dulal Chandra Khound, M.L.A ... Member.

11. Dr. Robindra Kumar Goswami, M.L.A .. Member.

12. Shri Mohitosh Purkyastha, M.L.A ... Member.

13. Seri Syed Ahmed Ali, M.L.A .... Member.

14. Shri Ataur Rahman, M.L.A ... Member.

15. Shri Khirod Saikia, M.L.A .... Member.

16. Shri Harad Kumar, M.L.A .... Member.

17. Shri Nagan Barua, M.L.A .... Member.

18. Shri Kabir Ch. Roy Pradhni, M.L.A .... Member.

19. Shri Sondswar Bora, M.L.A .... Member.

The Committee will scrutinise the Bill and submit its report on it to the House by the 30th November. 1977.

Mr. Speaker :— The amendment is moved.

শ্ৰীনগেন বৰুৱা :— অধ্যক্ষ মহোদয়, শিক্ষা মন্ত্ৰী মহোদয়ে যিখন বিল এই সদনত উৎথাপন কৰিছে সেইখন মই পঢ়ি চাইছো। যিথিনি কথা এই বিলত আহিবলাগিছিল তাৰ বহুত কথাই এই বিলত দেখা নাই। তাৰোপৰি ইতিমধ্যে এই বিলখনত আমি পাইছো যে

তাক ভালদৈ সুক্ষ্মভাবে বিচাৰ কৰা নাই। সুক্ষ্মভাবে বিচাৰ কৰি চাই এই বিল অনা হলে আমাৰ তাত আপত্তি কৰিবলগীয়া নাথাকিল হেতেন কিন্তু ইয়াৰ দ্বাৰা মাধ্যমিক স্তৰৰ সকলোবে সমস্যাৰ সমাধান হব বুলি বিশ্বাস কৰিব নোৱাৰি। গতিকে আমি ভাবিছো ভাল তদন্তৰ কাৰণে বিধান সভাৰ এটা চিলেক্ট কমিটি কৰি দিব লাগে আৰু এই চিলেক্ট কমিটিয়ে চাই চিন্তি ভালভাবে যি পৰামৰ্শ আগবঢ়াই তেনেহলে বিল-খনৰ উদ্দেশ্য সফল হব। গতিকে এই বিলখনৰ খুটিনাতি আতৰাবলৈ হলে চিলেক্ট কমিটিলৈ পঠাব লাগে যাতে তেওঁলোকে পাব্লিক অপিনিয়নকে আদি কৰি সকলো সন্নিবিষ্ট কৰি চাই চিন্তি দিব পাৰে।

(At this stage at 11-37 Mr. Speaker vacated and Chairman Shri Giasuddin Ahmed occupied the chair)

গতিকে চৰকাৰৰ পক্ষৰ পৰা এই বিলখন চিলেক্ট কমিটিত যোৱাত যাতে সম্মতি দিয়ে তাৰ বাবে অনুৰোধ জনাই মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

Shri Mohitosh Purkayastha :— Mr. Chairman, Sir, I extend my support to the amendment moved by Shri N. gen Barua that this is a hasty peace of legislation. The Aided High Schools Teachers Association, the recognised Association of the Govt. was agritating on a 17 point demand and while a negotiation was going on with the Govt., the Govt came forward to provincialise their services. What was the demand of the employees ? Their demand was to raise

their scale of pay and other emoluments, gratuity, medical allowances, pension benefit, housing and such other benefits recommended by the Education Commission from time to time. So at that time the Govt. plea was that they cannot implement or fulfill those demands want for of fund. But suddenly where from this fund came. The Govt. came up with the scheme of provincialisation; Mr. Chairman. Sir, you are aware that when the Chief Minister took up the portfolio of Education, he brought out a series of educational bulletins. But in none of the bulleting or litereture the Govt. never stated that they had the slightest intention to provincialise the secondary education of Assam. On principle, we are not opposed to the provincialisation of secondary education in Assam. But as it is understood in this bill, they are not provincialising the Secondary Educatison of Assam, but they are provincialising particular schools and the seavices of a few teachers. What is the demand of the people of the State. Their demand is that secondary education should be free. In a weifare State we aim to build up a social State. in a welfare State the first priority should get for free education up to Secondary stage. When we launched the student movement as a part of anti-imperialist in 1936 then our

leader of the Oppositison Shri Gaurisankar Bhattacharya was my colleague in the student movement. Our first demand, in the charter of demands, was free education up to secondary stage. In a welfare State. If that demaed is conceded then the people of the State as a whole will be benefited. But this provincialisation bill is going to give benefit to a particular secotion of the people and it has not been welcome by the teachers as well. A scetion of the teachers led by Assam Aided High Schools Teachers' Association came to an agreement and the component units have not extended their support to that agreement. Sir, this Sinha Ministry as you know, specialises in one thing, and that is disruption of peoples movement, be it of teaehers be it of students, be it of people, be it of peasants, be it of workers everyhere the present Education Minister has disrupted it and

Mr. Chairman ( Shri Giasuddin Amhed ) :— Mr. Purkayastha, I think. you should confine yourself to the merit of the amendment.

Shri Mahitosh Purkayastha :— Yes Sir, I want to stress on the point that it is a hasty legislation: Therefore, before we go further I want to strees on this

point. If it is a hasty piece of legislation there are as feguards under the Constitution and the Rules of Proce dure of this House and that safeguard is that a bill which is hastily placed before the House it should be properly scrutinised and examined by the members of the House and after going into the pros and cons of the bill they should report to the House. Sir, in this amendement we have sought that this bill should be refemed to the Select Committee for that purpose. It is not in the interest of the teachers; neither in the interest of the people nor in the interest of the students. So we demand that this bill should be referred to the Select Committee.

*শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :— সভাপতি মহোদয়, এই যি খন চিলেক্ট কমিটিলৈ পঠোৱাৰ কাৰণে বিল মাননীয় সদস্য শ্ৰীনগেন বৰুৱা দেৱে আনিছে তাক সমৰ্থন কৰিছো।' মাধ্যমিক শিক্ষা ( প্ৰদেশিকৰণ) বিল-খন তৎকালে অনা হৈছে। আনকি চৰকাৰৰ লগত শিক্ষক সন্থাৰ যি বিলাক কথা আলোচনা হৈছিল সেই বিলাক কথা এই বিলখনত সন্নিবিষ্ট হোৱা নাই। উদাহৰণ স্বৰূপে ২২-৭-৭৭ তাৰিখে শিক্ষামন্ত্ৰীৰ চেম্বাৰত শিক্ষক সন্থাৰ লগত ১১ বজাত আলোচনা হোৱা মাইনুটচ্‌ত শিক্ষক সকলৰ চাকৰি চৰকাৰীকৰণ কৰা উদ্দেশ্য নাছিল। মন্ত্ৰীয়ে স্বাক্ষৰ কৰা এই মাইনুটচ্‌ত কোৱা হৈছে। On provincialisation, the school buildings and other

*Speech not corrected

movable and immovable, properties of the concerning schools will be authmatically taken over by the Government কিন্তু এই বিলখনত এই বিলাক কথা সন্নিবিষ্ট হোৱা নাই । ১৯৭৫ চনৰ ৫ চেপ্তেম্বৰ তাৰিখে প্ৰাথমিক শিক্ষা চৰকাৰীকৰণ কৰা হৈছে যাৰ ফলত তেতিয়াৰ পৰা আজিলৈকে শিক্ষক সকলৰ খালি হৈ থকা পদ বিলাক অজিলৈকে পূৰণ কৰিব পৰা হোৱা নাই । প্ৰাইমাৰী শিক্ষানুষ্ঠান বিলাকৰ ঘৰ দুৱাৰ বিলাকৰ মেৰামতি কৰাৰ ক্ষেত্ৰত আজি দুবছৰে এক পইচা খৰচ কৰা হোৱা নাই । এনে অৱস্থাত এই বিল খন গ্ৰহণ কৰিলে একেই অৱস্থা হব । তাৰ ফলত শিক্ষাৰ ক্ষেত্ৰত এটা বেমেজালীৰ সৃষ্টি হব । ছাত্ৰ সকলে জীয়াতু ভুগিব লাগিব । গতিকে এই ক্ষেত্ৰত খৰচি মাৰি চোৱাৰ কাৰণে সংশোধনীটোত সময় বান্ধি দিয়া হৈছে । ভালদৈ চাই মেলি যি বিলাক লাগতিয়াল কথা বাদ পৰিছে সেই বিলাক দূৰ কৰি শিক্ষক ছাত্ৰ জনসাধৰণৰ সকলো কথা উপযুক্ত ভাবে বিবেচনা কৰি বিল খন তৈয়াৰ কৰিব পাৰো । ভৱিষ্যতে যাতে শিক্ষাৰ ক্ষেত্ৰত এটা বেমেজালিৰ সৃষ্টি নোহোৱাকৈ সকলোকে সামৰি লব পাৰো তাৰ কাৰণে এই সংশোধনী অনা হৈছে ।

শ্ৰীপ্ৰমোদ গগৈ :··· চেয়াৰমেন ডাঙৰীয়া, মাধ্যমিক শিক্ষা (প্ৰাদেশিকৰণ) যি বিল খন চিলেক্ট কমিটিলৈ ৰেফাৰ কৰাৰ মচন মভ হৈছে আৰু বিলখনৰ মেৰিট সম্পৰ্কত আলোচনা কৰিবলৈ নাযাওঁ এইটো ঠিক যে বিলখনৰ লগত অসমৰ যি বিলাক মাধ্যমিক স্কুল আছে সেই গোটেই স্কুল বিলাক প্ৰশ্ন জৰিত । এই বিল খন আমি পাচ কৰিবলৈ যাওঁতে সেই স্কুলৰ ঘৰ বাৰীৰ কথা, বিল্ডিংৰ কথা । শিক্ষক সকলৰ চাকৰিব কথা ৪ৰ্থ শ্ৰেণীৰ চাকৰিৰ কথা, গোটেই কথা বিলাক গভীৰ ভাবে বিবেচনা কৰা প্ৰয়োজন । মাধ্যমিক স্কুল বিলাক

চৰকাৰীকৰণ কৰা সময়ত অসম চৰকাৰ আৰু হাইস্কুল শিক্ষক সন্থাৰ যি বুজাপৰা হৈছিল সেই বুজাপৰা এই বিলখনত সকলো ক্ষেত্ৰত প্ৰতিফলিত হোৱা নাই। সেই কাৰণে অধ্যক্ষ ডাঙৰীয়া, মইও বিবেচনা কৰো যে এই বিল খন তত্তালিকে এই সদনত এই বিল খন পাচ নকৰি ৩০ নবেম্বৰৰ ভিতৰত এই সদনত দাখিল কৰাৰ কাৰণে চিলেক্ট কমিটি গঠণ কৰা প্ৰয়োজন। অবশ্যে প্ৰস্তাৱকে যি তালিকা দিছে এই চিলেক্ট কমিটিৰ প্ৰকৃতপক্ষে মতামত প্ৰতিফলিত হবলৈ হলে এই চিলেক্ট কমিটিৰ গঠণ পৰিবৰ্ত্তন কৰাটো প্ৰয়োজন। নীতিৰ ফালৰ পৰা বিবেচনা কৰো যিহেতু অতি জটিল আৰু সময় খুব বেচি নাই, ৩০ নবেম্বৰৰ ভিতৰত চিলেক্ট কমিটিয়ে ৰিপোৰ্ট দাখিল কৰিব লাগে সেই কাৰণে চৰকাৰেও এই বিলখন পুংক্ষানুক্ষুৰূপে বিবেচনা কৰি বিশেষকৈ শিক্ষক সকলৰ যি মনোভাব সেই কথা বিলাক ভাল ধৰণে বিবেচনা কৰাৰ কাৰণে চিলেক্ট কমিটি ৩০ নবেম্বৰৰ ভিতৰত গঠণ হওক। পৰমৰ্শ দিছে কমিটিৰ গাথনিটো পৰিবৰ্ত্তন কৰা হওক।

( at 11—45 Mr: Speaker occupied the Chair and Mr: Chairman, Shri Giasuddin Ahmed Vacated)

Shri Santi Ranjad Das Gupta —Mr. Speaker, Sir, I want to support the amendment movd by Shri Nagen Barua. This bill is a misnomer It difficult to enter into the merits of the bill just at the moment. The name of the bill is Assam Secondary Education (Provincialisation ) Bill , 1977 .But Sir, in chapter of defination under (v), you will see Sir, it has been

said that " employee " means a person in the employment of a deficit school .Sir , my point is that these employees of the deficit schools do not cover the whole cadre of teachers of the State. This covers only the teachers of the deficit schools, Therefore, if this bill is accepted then a serious chaos and confusion will be created in the educational field of Assam. Therefore I request the Treasury Bench kindly to send the bill to the Select Committee. The Bill as it presented in the Housc cannot be passed because it is a discreminatory and partial bill aimed at giving benefit to a section of peopld. So I submit that the bill be referred to the Select Committee.

শ্রীসোনেশ্বৰ বৰা :— অধ্যক্ষ মহোদয়, মাননীয় সদস্য নগেন বৰুৱাই উত্থাপন কৰা চেকেন্দৰী এডুকেচন প্ৰভিন্সিয়েলাইজেন ১৯৭৭ চনৰ বিলখন চিলেক্ট কমিটিলৈ পঠাবলৈ অনা প্ৰস্তাৱটো মই সমৰ্থন কৰিছোঁ । অধ্যক্ষ মহোদয়, এবাৰ সাপে খালে কেচুলৈকো ভয় । প্ৰাইমেৰী শিক্ষাৰ চৰকাৰী কৰণ কৰাৰ পিচত যি অভিজ্ঞতা সেই অভিজ্ঞতা খিনি স্মৰণ কৰিলে চেকেন্দেৰী এডুকেচন চৰকাৰী কৰণ কৰাৰ পিচত্ত কি হবগৈ সেইখিনি এক দূৰ দৃষ্টিৰে চাবলগা হৈছে । চেকেন্দেৰী এডুকেচন চৰকাৰৰ হাতলৈ অনাৰ পিচত এই কথাটোৰ নাম আৰু ব্যাখ্যা হবপাৰে, ইয়াৰ ভিতৰত দিয়া ব্যৱস্থা মতে সেই ব্যৱস্থা গ্ৰহনীয় নহয় । গতিকে চেকেন্দেৰী এডুকেচন বুলিলে কেইখন মান ডেফিচিত্ত স্কুল বা ঘাটি মজুৰী প্ৰাপ্ত হাইস্কুল বা হায়াৰ চেকেন্দেৰী

স্কুলকে সুবুজায়। গোটেই খিনিকে বুজাব। গতিকে ডেফিচিত পোৱা অৱস্থালৈকে তাত শিক্ষা কোনে দিব। কৰ মানুহে দিব ? সেই অৱস্থালৈ স্কুল বিলাক কোনে স্থাপন কৰি দিব ? চৰকাৰে নিজে যাই দাখিল লব লাগিব। সেই দায়িত্ব চৰকাৰে যেতিয়ালৈকে নলয় তেতিয়ালৈকে আচলতে এনে এখন বিল শুদ্ধ ভাবে উত্থাপিত হৈছে বুলি আমি সদনৰ মজিয়াত এজন জীয়া সদস্য হিচাবে ভাবিবলৈ টান। চেকেণ্ডেৰী এডুকেচন চৰকাৰী কৰণ মানে এই কথা হব নোৱাৰে যে, ডেফিচিত স্কুল বিলাক এটা নতুন পৰ্য্যালৈ গৈছে। যি বিলাক স্কুল চৰকাৰে এতিয়ালৈকে চৰকাৰীকৰণ কৰিছে সেইস্কুল বিলাকৰ সকলো খিনি দায়িত্ব চৰকাৰে লব লাগিব। কিন্তু চৰকৰে কব পয়চা নাই। পয়চা চৰকাৰে যোগান কৰিব লাগিব আৰু সদনত বিশ্বাস ৰাখিব লাগিব। সদনত এটা চিলেক্ট কমিটি কৰি এইটো বিবেচনা কৰিবলৈ দিব লাগে। এতিয়াও আমি জখলা দাবিকি আদি লগাবলৈ আছে। এই সকলো বিলাক কথা একেসময়তে সম্ভৱ নহব কাৰণেই গোটেই ব্যৱস্থাটো এটা চিলেক্ট কমিতিক দি খৰচি মাৰি আনিবলৈ দিব পাৰে আৰু তেতিয়া চৰকাৰে এটা পূৰ্ণাঙ্গ প্ৰস্তাৱ বুলি উত্থাপন কৰিব পাৰে আৰু সেই বিল নিশ্চয় সমৰ্থনযোগ্য হব। প্ৰাইমেৰী স্কুলৰ চৰকাৰীকৰণৰ পিচত শিক্ষক সকলে অহা ১ ডিচেম্বৰৰ পৰা কি ব্যৱস্থা লৈছে ? অসমৰ প্ৰাইমেৰী স্কুলৰ শিক্ষক সকলে কি ব্যৱস্থা লৈছে ? প্ৰাইমেৰী স্কুলৰ শিক্ষকে চকীও নেৰে পঢ়িবলৈকো নিদিযে ? তেনেকুৱা অৱস্থাৰ সৃষ্টি কৰিব বিচাৰিছে চেকেণ্ডেৰী স্কুল চৰকাৰীকৰণ পিচত তেনেকুৱা পৰিবেশ বা পৰিস্থিতি যাতে আহিব নোৱাৰে তাক ভালকৈ আলোচনা, কৰি সুস্থিৰ ভাবে এটা ভাল সিদ্ধান্ত লোৱাত নিতান্ত আৱশ্যক। আৰু চিলেক্ট কমিতিৰ আয়ুসো আমি বেচি বিচৰা নাই। অহা ৩০ নবেম্বৰলৈকেহে বিচৰা হৈছে আৰু এই সময়চোৱাৰ ভিতৰতে আমি কৰিব পাৰিম

বুলি আশাকৰোঁ। গতিকে এই থিনি কৰিবৰ কাৰণে চৰকাৰ পক্ষক মানি লবলৈ মই অনুৰোধ জনালো।

*শ্ৰীকবিৰ ৰায় প্ৰধান :— অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীনগেন বৰুৱা দেৱে যি প্ৰস্তাৱ উত্থাপন কৰিছে তাক মই সমৰ্থন কৰিছো। প্ৰাইমেৰী শিক্ষাৰ চৰকাৰী কৰণ কৰাৰ পিচত যি অৱস্থাৰ সৃষ্টি হৈছে সি একেবাৰে নিৰাশব্যঞ্জক। এতিয়া চেকেণ্ডেৰী শিক্ষা চৰকাৰী কৰণ কৰিলে ত্ৰুটি বিচ্যুতি হোৱাটো স্বাভাবিক। ইতিমধ্যে প্ৰাইমেৰী শিক্ষক সন্থাই আৰু বাইৰেও এই সম্পৰ্কে আলোচনা কৰিছে। আজি চৰকাৰ মেজৰিটি পক্ষত আছে সেইকাৰণে এই খন পাচ কৰি লৈ যাব। আমি যিমানেই যুক্তি নিদিও তাক কোনো ফলেই নধৰিব। দল হিচাবে পাচ কৰি নিয়াতো কৰি নিয়াতোৱেই কথা নহয়। কিন্তু ইয়াৰ ফলত অসমত শিক্ষাৰ সমাজত এটা বেমেজালীৰ সৃষ্টি হব। লৰা ছোৱালীৰ শিক্ষাৰ কথা ভাবি ইয়াত কোনো ৰাজনৈতিক কথা উঠিব নালাগে। এই ক্ষেত্ৰত আমি এটা বেমেজালি হোৱাটোও নিবিচাৰো। অন্ততঃ কংগ্ৰেছ দলে এইটো ৰাজনৈতিক দৃষ্টি ভঙ্গীৰে চাব নালাগে। মাননীয় সদস্য গগৈ ডাঙৰীয়াই যিটো প্ৰস্তাৱ কৰিছে যে, কমিটিৰ সালসলনি হোৱাত আমাৰ আপত্তি নাই। গতিকে শিক্ষাৰ ক্ষেত্ৰত ভালধৰণে এটা ব্যৱস্থা লোৱা উচিত। ইতিমধ্যে শিক্ষক সকলৰ ভিতৰত আৰু স্কুলৰ ভিতৰত বহুত কেতিগৰি ওলাইছে। ভেলাৰৰ পৰা আৰম্ভ কৰি তদাৰ্থ মঞ্জুৰী পোৱালৈকে এ বি টি ডি আদি বহুত কেতিগৰি আছে। যেতিয়া মই শিক্ষক আছিলো তেতিয়া মই এইডেদ স্কুলৰ শিক্ষকৰ ষ্টেট কমিটিৰ মেম্বাৰ আছিলো। বোধকৰো প্ৰশাসনীয় ব্যৱস্থা কট কটীয়া কৰাৰ কাৰণেই এই ব্যৱস্থা

*Speech not corrected

কৰা হৈছে নে কি ? কিন্তু ইয়াৰ ফলত শিক্ষাৰ পৰিবেশটো বেয়াৰ ফালে গৈছে । যদি আজি শিক্ষাৰ পৰিবেশ বেয়া হয় সমাজখন কোন ফালে যাবগৈ । আমি ভৱিষ্যতে ইয়াৰ ফলাফল ভোগ কৰিব লাগিব । সেই ফালৰ পৰা চিন্তা কৰি চোৱা উচিত যে আজি শিক্ষাৰ নিচিনা এটা গুৰুত্ব পূৰ্ণ বিষয় দুই এজন অফিচাৰৰ হাতত এৰিদিলে নচলিব । কেৱল দুই এজন মানুহৰে চিলেক্ট কমিটি গঠন কৰি কিবা এটা সিদ্ধান্ত লৈ শিক্ষা সম্পৰ্কীয় বিলখন পাছ কৰাই লৈ ভালদৰে কাম নকৰি কেৱল ফাইলৰ মাজতে আবদ্ধ নেৰাখি ইয়াৰ ভালতো ফল নহয়ই , বৰং অবাটেহে পৰিচালিত হবগৈ ভবিষ্যতৰ উঠি অহা ল'ৰা ছোৱালীবোৰ গতিকেই আমি এই বিষয়টোৰ কথা ভাবিবলগীয়া হৈপৰিছে । গতিকেই মই শ্ৰীনগেন বৰুৱা ডাঙৰীয়াৰ প্ৰস্তাৱটো সমৰ্থন জনাইছো আৰু লগতে মাননীয় সদস্যসকলক অনুৰোধ জনাইছো যাতে তেওঁলোকে এই-প্ৰস্তাৱটো সমৰ্থন কৰে । নহেল — এইটো চিলেক্ট কমিটিৰ যাব ।

Mr. Speaker :—There are some amendment. Has the Hon'ble Member leave of the House to move the amendment from the Opposition Branch.

Shri Dulal Chandra Khound :- Sir, I moue the amendments. The following Hon'ble Members of the House be added as a mamber of the Select Committee for the Assam Secondary Education (Provincialisation) Bill, 1977.

1 .Shri Lakhi Kanta Saikia, M.L.A.,

2. Shri Auyatha Ram Das M.L.A.,

3. Shri Giasuddin Ahemd, M.L.A,

4. Shri Chandra Bahadur Chetri M.L.A,

Mr. Speaker :— The amendment is moved.

Shri Dulal Ch. Khound : Mr. Speaker Sir, a point of order : While moving the amendment for sending the Bill to the Select Committee no—body has opposed the Provincialisarion of the Bill till now. So we are discussing now. The only question is whether the Bill is to be sent to the Select Committee or not ?

( ভইচ : চিলেক্ট কমিটিত যাব। )

শ্রীসোনেশ্বৰ বৰা :— অধ্যক্ষ মহোদয়, সেইকাৰণেই এইটো শেষ কৰিব নালাগে। এতিয়া আলোচনা কৰা হব। যিসকলে সকলোবোৰ ইয়াতে আছে বুলি কৈছে তেওঁ লোকে উচিত কথা কোৱা নাই। কাৰণ বিলখনত বহুতো ভুল আছে। সেই ভুলবোৰ শুধৰাবৰ বাবে পৰামৰ্শ আগবঢ়াব লাগে — এতিয়াই, কাৰণ পিছলৈ থৈ দিয়াৰ কোনো অৰ্থ নাই। পিছত কিবা আন্দোলন হোৱাৰ সম্ভাবনা থাকে। এতিয়ালৈকে সদস্যসকলে মোৰ প্ৰস্তাৱত ভালেই পাইছে, মই চাৰিওফালে ঘূৰি চাইছো। সংশোধনৰ সময় আছে, গতিকেই পৰামৰ্শ দিব লাগে। তাৰবাবে মই অধ্যক্ষ মহোদয়ক অনুৰোধ জনালো।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া :— মাননীয় অধ্যক্ষ মহোদয়, বৰা ডাঙৰীয়াই যিটো বাচনি কমিটিলৈ এইবিল সংশোধনীৰ বাবে প্ৰস্তাৱ

উত্থাপন কৰিছে মই বিৰোধীতা কৰিছো। কিয়নো বৰা ডাঙৰীয়াই আৰু তেখেতৰ সপক্ষীয় মাননীয় সদস্য সকলে কৈছে যে এই বিলখনৰ সংশোধনী আনিব লাগে, কাৰণ আমাৰ বৰ্ত্তমান শিক্ষামন্ত্ৰীৰ আমোলত পাছ কৰা বিলখনৰ ভুল — দোষ; যথেষ্ট ফাকে আছে। অধ্যক্ষ মহোদয়, আচলতে এই কথাটো সঁচা নহয়। কিয়নো ইয়াক ভালদৰে বিবেচনা কৰি চালে দেখা যায় যে ১৯৭৩ চনতে আমাৰ তেতিয়াৰ শিক্ষামন্ত্ৰী শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ডাঙৰীয়াই নীতিগত ভাবেই কমিটি গঠন কৰিয়ে শিক্ষা ব্যৱস্থা কাৰ্য্যকৰী কৰি আহিছে। এই নীতি অনুসৰণ কৰিয়েই বহুতো শিক্ষানুষ্ঠান চৰকাৰীকৰণ কৰা হল আৰু বহুতো শিক্ষকৰ চাকৰি চৰকাৰী কৰা হল। এনেদৰেই ইমান দিন চলি আহিল, এতিয়া আমাৰ কাৰ্য্য কালৰো সময় শেষ হৈ আহিছে। এতিয়া আৰু এই ভুল শোধৰণীৰ সময় নাই আমি জনাত শিক্ষকসকল এই ব্যৱস্থাৰ দ্বাৰা উপকৃত হৈছে আৰু বাইজেও ইমান দিনে ইয়াৰ বিৰোধীতা কৰা দেখা নাই। গতিকেই চিলেক্ট কমিটিলৈ প্ৰস্তাৱটো সংশোধনৰ বাবে পঠোৱাৰ যি প্ৰস্তাৱ বৰা ডাঙৰীয়াই উত্থাপন কৰিছে তাৰ মই বিৰোধীতা কৰিছো।

*Shri Abul Hossain Mir:— Sir, I rise to oppose the amendment put forward by the Hon'ble Mebers Mr. Barua and Mr. Khound from the opposition because they have failed to aubstantiate any reason for which this bill is to be sent to the Select Committee. Their main reason is that it will have ample scope of scrutiny if the bill is referred to the Select Committee.

*Speech not Corrected

They have only stated this fact that in the Select Committee this bill can be proerly scrutinised: But, sir, here I would I like to submit that here in the House itself we may now discuss it clause by clause properly instead of referring it to the Select Committee: Sir, I hink this is not the proper reason for which the bill may be referred to the Select Committee. Sir, the Hon'ble Member Mr. purkayastha has stated that it has become hasty and, therefore, it should be referred to the Select: Committee : Sir, I think it is not the fact and the Govt : has taken up the decision after giving thoughts on the matter for quite a long time. Sir, we are also feeling that a discrimination is going on in this sphere from quite a long time and the teachers who are the trustees of our future generation are being deprived of their legitimate shares. Govt. bave come forward to take over these institutions after a long time : Therefore, sir, I beg to submit that it is better to decide the issue in the House itself and it is not necessary to refer it to the Select Committee. Sir, as you are aware, our Govt. has taken this bold step of provincialisation of Secondary Education with great financial difficulties. Therfore, we should support the bill for the benefit of the people and to the

educational institutions. Sir, Govt: of Jammu & Kashmir have also taken such step but the Govt. of Jammu & Kashmir is being subsidised. But here our case is different and the Govt: have taken this bold step with limitted finacial resources. Therefore, sir, I suggest that it should not be delayed and the bill should be immediately adopted. In order to fulfil the longfelt griovances of the people, I request the Hon'ble Members in the opposition to support the bill. With these words, sir, I oppose the amendment moved by the Hon'ble Member Shri Barua from the opposition and requst him to support the bill and withdraw the amexdment:

শ্ৰীমতী প্ৰণীতা তালুকদাৰ :— মাননীয় অধ্যক্ষ মহোদয়, এই পবিত্ৰ সদনত আমাৰ শিক্ষামন্ত্ৰী মহোদয়ে মাধ্যমিক শিক্ষা চৰকাৰীকৰণ কৰাৰ কাৰণে যিখন বিল উৎথাপন কৰিছে তাৰ কাৰণে তেখেতক ধন্যবাদ জনাইছো আৰু মই আশা কৰিছো যে এই বিলখন কাৰ্য্যকৰী কৰাৰ পিচত আমাৰ ৰাজ্যৰ মাধ্যমিক শিক্ষক সকলে যথেষ্ট পৰিমাণে সা সুবিধা পাব পাৰিব।

মাননীয় অধ্যক্ষ :— সংশোধনীৰ ওপৰত আলোচনা কৰক।

শ্ৰীমতী প্ৰণীতা তালুকদাৰ :— ইয়াত যিটো সংশোধনী দিছে সেই সংশোধনী বিলাক আলোচনা কৰি স্কুটিনি কৰাৰ কাৰণে বিলখন পিচত উৎথাপন কৰিব নালাগে বুলি তেখেতসকলে কৈছে যদিও যিহেতু

আমাৰ এই সদনৰ আৰু বেছি দিন নাই সেই কাৰণে আশা কৰিছো এই অধিবেশনতে বিলখনৰ কথা আলোচনা কৰিব লাগে। আমাৰ বহুতেই কওঁযে মাধ্যমিক শিক্ষক সকলৰ অৱস্থা ভাল নহয় যি যিনি চৰকাৰী সা-সুবিধা চৰকাৰী চাকৰিয়াল সকলে পাই আহিছে ঠিক সিমানখিনি শিক্ষকসকলেও যাতে পাব পাৰে তাৰ কাৰণে আমি সকলোৱেই কৈ আহিছো গতিকে মাননীয় সদস্য সকলে যিটো সংশোধনী দিছে সেইটো উইড্ৰ কৰিবলৈ মই অনুৰোধ কৰিছো। ইয়াকে কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

Shri Giasuddin Ahmed :— Mr. Speaker, Sir, Agument against reference of the bill to the Select Commitee has been put fount by some member Sir, it is pleaded that the life of this Assembly is very short and we are not in a position to sit again: But, sir, I don't think that we are going to die so soon-at-least before January. So, the wholh month of December, will be at your disposal. Therefore, in the month of December, Assembly may sit again for consideration of this bill and for someother important lurinen. So, we should not be very much afraid of our impending death. Sir, the merit of the amendment that the bill be referred to the Select Committee has been admitted. Sir, this is a very important bill and nobody has said anything against provincialisation of the Secondary Education. This such an

important matter that it should get threadbare disc-ussion and the bill should be draftedin such a way that there cannot be any loopholeso The future of Sec-ondary Education very much depends on this bill; That is why I feel that referring to this bill to the Select Committee only for few deys will not do any harm. On the contrary it will rather streugthen the position of the Govt. so far as this bill is concerned.

শ্ৰীলক্ষ্মীকান্ত শইকীয়া :— অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীগিয়াচুদ্দিন আহমেদ ডাঙৰীয়ই কোৱা কথা এটাৰ অলপ আপত্তি কৰিব খুজিছো। মই সদনত কৈছিলো যে আমাৰ কাৰ্য্যকাল শেষ হৈ আহিছে লেপচ হব পাৰে কাৰণেহে বিলখন লব লাগে, ইয়াৰৈ নিৰ্ব্বাচিত হৈ অহা বা নহাৰ ভয়ৰ কথা কোৱা নাই।

শ্ৰীনগেন বৰুৱা :— বিলখন লেপচ হোৱাৰ ভয় যদি থাকে বিলখন চিলেক্ট কমিটিলৈ পঠিয়াই দিলে বিলখনৰ ভেলিডিটি নোহোৱা নহয়। তাৰ পিচত দুই এদিনৰ কাৰণে হাউচ বহিলে কোনো অসুবিধা নহব বুলি মই ভাবো।

* শ্ৰীহিতেশ্বৰ শইকীয়া :— অধ্যক্ষ মোহোদয়, মাননীয় সদস্য শ্ৰীযুত নগেন বৰুৱা ডাঙৰীয়াই বিলখন চিলেক্ট কমিটিলৈ পঠিওৱা আৰু মাননীয় সদস্যসকলৰ আন কেইজনমানে বিলখনৰ বিভিন্ন বিষয়ৰ ওপৰত পৰামৰ্শ আগবঢ়াইছে। এই বিলখনৰ সংক্ৰান্তত ভালেখিনি

*Speech not corrected

পৰামৰ্শ আগবঢ়াইছে কাৰণে মই আটাইকে ধন্যবাদ জনাইছো। মাধ্যমিক শিক্ষাৰ নিচিনা গুৰুত্বপূৰ্ণ বিল এখন মাননীয় সদস্যসকলে আলোচনা কৰাতো স্বাভাৱিক। কোনো কোনোৱে খৰতকীয়া হোৱা বুলি কৈছে, শ্ৰীযুত শইকীয়া ডাঙৰীয়াই ১৯৬৩ চনত মুখ্যমন্ত্ৰী ডাঙৰীয়াই প্ৰাথমিক পৰ্যায়ৰ স্কুলসমূহ চৰকাৰী কৰণ কৰাৰ ক্ষেত্ৰত দিয়া উক্তি দোহাৰিছে। কিন্তু এই কথা বিলাক চৰকাৰে নিজৰ ফালৰ পৰা যে কৰিছে তেনে নহয়। আমাৰ শিক্ষকসকলৰ কেইবাটাও সন্থা আছে। তেখেতসকলৰ লগতো এই বিষয়ত আলোচনা কৰা হৈছে।

তিনিটা সন্থা আছে তাৰ ভিতৰত আছে সদৌ অসম শিক্ষক সন্থা, অসম সাহাৰ্য্যপ্ৰাপ্ত হাই স্কুল শিক্ষক সন্থা আৰু সদৌ অসম মাধ্যমিক স্কুল সন্থা, এই তিনিটা সন্থাৰ ভিতৰত অসম সাহৰ্য্য প্ৰাপ্ত হাইস্কুল শিক্ষক সন্থাৰ যিবিলাক দিমাণ্ড আছিল সেইবিলাক পালন কৰা হ'ল, এই সিদ্ধান্তৰ দ্বাৰা কেৱল সাহাৰ্য্য প্ৰাপ্ত হাইস্কুল শিক্ষক সন্থা উপকৃত হ'ল কিন্তু বাকীবিলাক সন্থা উপকৃত নহ'ল। এই বিষয়টো ১৯৭৩ চনত ২০।২১ আগষ্ট তাৰিখে হোৱা বাৰ্ষিক অধিবেষনত আলোচনা কৰা হৈছিল আৰু তেতিয়া ৩নং প্ৰস্তাৱ যোগে এই সম্পৰ্কত এটা সিদ্ধান্ত লোৱা হৈছিল। ইয়াৰ পিছত ১৯৭৫ চনত ১০।১১।১২ মাৰ্চত হাইস্কুল শিক্ষক সন্থাৰ যিখন সভা বহিছিল তাত সেইটো সমৰ্থন জনাইছে। শেহতীয়াকৈ ১৯৭৬ চনত। ৮।৯ মাৰ্চত অভয়াপুৰীত হোৱা মুকলি বাৰ্ষিক অধিবেশনত কেইটামান সিদ্ধান্ত প্ৰস্তাৱ আকাৰে লোৱা হয়। সেইয়ে চৰকাৰীকৰণ সিদ্ধান্ত চুড়ান্ত ভাবে গ্ৰহণ কৰাৰ আগতে সন্থাৰ সৈতে বিভিন্ন দি পৰ্য্যালোচনা কৰাৰ লগতে তলত উল্লেখ কৰা পৰামৰ্শ খিনি গ্ৰহণ কৰিবৈল আজি সভাই চৰকাৰক অনুৰোধ জনাই

(১) কৱল শিক্ষক কৰ্ম্মচাৰীৰ চাকৰি চৰকাৰীকৰণ নকৰি

মাধ্যমিক শিক্ষা ব্যৱস্থা সামগ্ৰিক ভাবে চৰকাৰীকৰণ কৰিব লাগে।

(২) বৰ্ত্তমান সেৱা চৰ্ত্তাদিত স্থায়ীকৃত শিক্ষক কৰ্ম্মচাৰী সকলক বৰ্ত্তমানৰ সেৱা চৰ্ত্তাদি (অৰ্থাৎ ৬০ বছৰ বয়সত অৱসৰৰ ব্যৱস্থাকে আদি কৰি) থকাৰ কিবা (অপিনিয়ন) গ্ৰহণৰ সুবিধা দিব লাগে।

(৩) বৰ্ত্তমানে চাকৰি কৰি থকা শিক্ষক কৰ্ম্মচাৰীৰ কাৰ্য্য কাল তেখেত সকলে চাকৰি নিযুক্তি পোৱাৰ দিনৰে পৰা চাকৰি কাৰ্য্য কাল স্বীকৃতি দি চৰকাৰী চাকৰিৰ সকলো সা-সুবিধা পাব লাগে।

তাৰ পাছত বিভিন্ন সাহাৰ্য্যপ্ৰাপ্ত অসম হাইস্কুল শিক্ষক সন্থাই প্ৰস্তাৱ আকাৰে চৰকাৰীকৰণৰ সমৰ্থন জনায়। সদৌ অসম হাইস্কুল শিক্ষক সন্থা, অসম সাহাৰ্য্য প্ৰাপ্ত হাইস্কুল শিক্ষক সন্থা, আৰু সদৌ অসম মাধ্যমিক স্কুল সন্থাৰ লগত আলোচনা বিলোছনা কৰি তেওঁলোকৰ মতামত সাপেক্ষ্যে এই বিলখনত তেওঁলোকৰ মতামত লৈ তাত সন্নিবিষ্ট কৰি চূড়ান্ত সিদ্ধান্ত লোৱা হৈছে। তাৰোপৰি এটা চেল দিশপুৰত ৰখা হৈছে, শিক্ষক সকলৰ কেতবোৰ অসুবিধা আছে, সেইবিলাগ আতৰ কৰাৰ কাৰণে আৰু শিক্ষকৰ লগত যাতে চৰকাৰ এটা সমবায় সাধন কৰিবপৰা হয়, তালৈ উদ্দেশ্য ৰাখি এই চেলা ইয়াত প্ৰতিস্থা কৰা হৈছে। এইবিলাক ব্যৱস্থাৰ পিচতো আমাৰ কেইজনো সদনৰ মাননীয় সদস্যই ভালে কেইটা পৰামৰ্শ আগবঢ়াইছে আৰু সেই পৰামৰ্শ বিলাকৰ যুক্তি আছে গতিকেই তেনে ক্ষেত্ৰত এই বিলখন পাচ কৰাৰ কাৰণে বিশেষ অসুবিধা নহব। মই আগতে কৈ অহা মতে যিবিলাক সন্থাৰ কথা উল্লেখ কৰিছো সেইবিলাকৰ এই সিদ্ধান্তত দিনত নাই। যিহেতু এই বিলখনত শিক্ষক সকলৰ সকলো বিলাক অসুবিধা

সুবিধাৰ কথা সন্নিবিষ্ট হৈছে, গতিকেই বিলখন খৰচকীয়াকৈ নানি শিক্ষক সকলৰ লগত খৰচি মাৰি আলোচনা কৰাৰ পাচতহে বিলখন উপস্থাপন কৰা হ'ল। ঘৰ লোৱাৰ সম্পৰ্কত মই বিশেষকৈ প্ৰশ্নত্তৰ কালত কৈছিলো আটাইবোৰ কথা সংবিধানিক বিধি মতে চাবলগীয়া হৈছে। আৰু সাংবিধানিক বিধি মতেই চোৱা হব। ২৪০১ খন স্কুল চৰকাৰীকৰণ কৰা হ'ল এইবিলাক স্কুলৰ দৰে নহ'ল কিন্তু তেওঁলোকে যাতে আৰ্থিক সাহায্য পায় তাৰ কাৰণে চেষ্টা কৰা হৈছে আৰু ২১৫৩ খন মাধ্যমিক স্কুলক বিভিন্ন শিতানত চৰকাৰে মজুৰ দিব। তাৰোপৰি অহা মাহৰ ভিতৰত ৭২২৪খন এম, ই মাদ্ৰাচা আৰু ৭১ খন হাই আৰু হাই মাদ্ৰাচা স্কুলক দেফিচিট চিচটেমত আনি চৰকাৰিকৰণ কৰা হব। এইবিলাকৰ উপৰিও যিবিলাক দশম মান শ্ৰেণী থকা স্কুল আছে সেইথিনিত কিছু সমস্যা আছে, সেই বিষয়ে পিছত কম, আমি ১-৪-৭৮ পৰা এই থিনিও লোৱাৰ কাৰণে ব্যৱস্থা কৰিছো। ১৯৭৫-৭৬ চনৰ বিত্তিয় পৰিস্থিতিলৈ চাই আমি পৰামৰ্শ আগবঢ়াইছিলো আৰু সেই অনুযায়ী এই সিদ্ধান্ত ডাঙি ধৰা হৈছে। মই ভাবো বিধান সভাত মাননয়ী সদস্য বৰুৱা ডাঙৰিয়াই আৰু আন আন মাননীয় সদস্যই আলোচনাৰ যোগেদি এই বিলখনত সন্দৰ্ভত উপযুক্ত পৰামৰ্শ আগবঢ়াব।

Shri Mohitosh purkayastha :— Mr. Speaker Sir, a point of clarification. The Education Minister has said that he has consulted the teachers of M.E Schools, Hhigh Schools and Higher Secondary Schools. May I know from the Education Minister whether hewill cons it the students and guardians who are directly concerned ?

Shri Hiteswar saikia :— Definitely Sir. But here we are discussing about the services of the teachers ....

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :— সন্থাবিলাকৰ লগত আলোচনা হৈ থকাৰ কাৰণেই মই কৰ বিচাৰিছোঁ যাতে আমাৰ সংশোধনীটো মন্ত্ৰী ডাঙৰীয়াই মানি লয় ।

শ্ৰীহিতেশ্বৰ শইকীয়া :— বিলখনৰ সংক্ৰান্তত আলোচনা শেষ হৈছে, গতিকে অন্যান্য ক্ষেত্ৰত কিবা চাবলগীয়া থাকিলে সেইটো চাব লাগিব ।

Mr. Speaker :— I put the amendment first. The amendment has been moved by Shri nagen Baruah and others — " that the Bill be referred to the Select Committee consisting of the following members —

1. Minister Education ... Chairman.
2. Minister of state, Education ...member.
3. Shri Lila Kanta Bora, M.L A. ...member.
4. Shri B.K. Handique, M.L.A. .... member.
5. Shri Hariendranath Talukdar, M.L.A. ....member
6. Shri pranita Tallukdar, M.L.A. ....Member
7. Smti Taruata, Bora, M.L.A. ... Member.
8. Shri Dulal Ch, Barua, M.L.A .... Member.

9. Shri Badan Ch. Talukdar, M:L:A:
10. Shri Dulal Khound, M:L.A ....Member.
11. Dr. Robindra Kumar Goswami, M.L.A ....Member.
12. Shri Mohitosh Purkyastha, M.L.A ....Member:
13. Shri Syed Ahmed Ali, M.L.A ....Member.
14. Shri Ataur Rahman M.L.A ....Member
15. Shri Kshirode Saikia, M.L.A ...Member.
16. Shri Narad Kumar, M.L.A ....Member:
17. Shri Nagan .Barua, Member:
18. Shri Kabir Ch. Roy Pradhani, Member.
19 Shri Soneswar Bora, M.L.A ...Member.
20. Shri Lakshmi Kanta Saikia, Member.
21. Shri Ayodharam Das, Member.
22. Shri Chandra Bahadur Chetri, Member.
23. Shri Giasuddin Ahmed, Member.

The Committee serutinise the Bill and submit its report on it to the House by the 30th of November, 1977."

(The House Dirvded) : : .

Result of the Division :—

Ayes — 20
Nceo — 42

Amendmont is lost

(The House is adjourned till 3-30 P.M.).

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ :— উপাধ্যক্ষ ডাঙৰীয়া, এই বিল খনত অসমৰ হাইস্কুল বিলাকৰ, যিবিলাক মাটি মঞ্জুৰী হাইস্কুল আছে, সেই-বিলাকৰ আৰু স্পষ্ট ভাৱে কবলৈ গলে শিক্ষক সকলৰ চাকৰি চৰকাৰী কৰণ কৰাৰ কাৰণে এই বিলখন উত্থাপন কৰা হৈছে। নীতি হিচাবে শিক্ষা ব্যৱস্থাটো চৰকাৰৰ অধীনলৈ অনাটো আমি সমৰ্থন কৰো। আৰু সেই কাৰণেই আমি এই কথা আগৰে পৰকৈ আহিছো যে আমাৰ যি শিক্ষা ব্যৱস্থা প্ৰাইমাৰী স্কুলৰ পৰা আৰম্ভ কৰি বিশ্ববিদ্যালয় পৰ্য্যন্ত বিধিমতে আৰু বিনা বেতনে এই শিক্ষা দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিব লাগে। উপাধ্যক্ষ ডাঙৰীয়া এই বিল খন উত্থাপন কৰাৰ আগতে ৰাজ্য চৰকাৰে হাইস্কুল শিক্ষক সন্থা আৰু মধ্য ইংৰাজী শিক্ষক সন্থাৰ লগত আলোচনা কৰিছিল। আৰু ইয়াৰ আগতে মাননীয় শিক্ষা মন্ত্ৰীও এই কথা উল্লেখ কৰিছে যে হাইস্কুল শিক্ষক সন্থাৰ আৰু মধ্যইংৰাজী শিক্ষক সন্থাৰ সন্মত সাপেক্ষে এই বিল খন চৰকাৰে উত্থাপন কৰিছে। আৰু তেখেতে এই কথাও উল্লেখ কৰিছে যে এই বিল খনৰ নীতি বিলাকৰ লগত সেই সন্থা সমূহৰ কোনো প্ৰাৰ্থক্য নাই। মাত্ৰ ৰূপায়ণৰ ক্ষেত্ৰত কিছুমান প্ৰশ্নত কিছুমান মতানৈক্য আছে বুলি তেখেতে উল্লেখ কৰিছে। যেতিয়া চৰকাৰে হাইস্কুল বিলাক চৰকাৰী কৰণ কৰাৰ কাৰণে আলোচনা কৰিছিল সেই সময়ত শিক্ষক সন্থা সমূহক চৰকাৰে যি আশ্বাস দিছিল, এই বিল খনত সেই আশ্বাস বিলাক প্ৰতিফলিত হোৱা নাই। সেই কাৰণে উপাধ্যক্ষ ডাঙৰীয়া শিক্ষক সন্থাৰ ইয়াত মতামত কি মই নাজানো। কিন্তু যেতিয়া এই বিল খন লৈ চৰকাৰৰ লগত তেখেত সকলে আলোচনা কৰিছিল আৰু সেই সময়ত চৰকাৰে যিবিলাক আশ্বাস শিক্ষক সন্থা সমূহক দিছিল সেই আশ্বাস বিলাক চৰকাৰে বৰাবৰ ৰক্ষা কৰিব পৰা নাই। প্ৰথমতে আমি চাব

লাগিব যে এই স্কুল বিলাক চৰকাৰীকৰণ কৰিবলৈ যাওঁতে প্ৰকৃততে শিক্ষক সকলৰ অৱস্থাৰ কিবা পৰিবৰ্ত্তন কৰিব বিচাৰিছে নেকি ? কিন্তু এই বিল খনত একমাত্ৰ শিক্ষক সকলৰ চাকৰি চৰকাৰীকৰণ কৰিবলৈ বিচাৰিছে। কিন্তু সেই শিক্ষানুষ্ঠান সমূহৰ ঘৰ-দুৱাৰ বা অন্যান্য সমূহো যে চৰকাৰীকৰণ কৰিব লাগে তাৰ কোনো কথা এই বিল খনত উল্লেখ নাই। এই কথাটো এতিয়াও স্পষ্ট হোৱা নাই যে যিবিলাক স্কুলৰ শিক্ষকৰ চাকৰি চৰকাৰীকৰণ কৰিব বিচাৰিছে সেই স্কুলবিলাকত কাম কৰা চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী বা কেৰাণী বিলাকৰ ভৱিষ্যত কি হব সেই কথা এতিয়াও স্পষ্ট হোৱা নাই। আৰু সেই কাৰণেই মই এই কথা উল্লেখ কৰিব বিচাৰিছো যে প্ৰাইমাৰী স্কুলৰ শিক্ষক সকলৰ চাকৰি চৰকাৰীকৰণ কৰাৰ সময়ত মাননীয় শিক্ষামন্ত্ৰীয়ে এই সদনত কৈছিল যে প্ৰাইমাৰী আৰু মঞ্জুৰীয়া স্কুলত যিবিলাক চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী আছিল তেওঁলোকৰ চাকৰি শিক্ষক সকলৰ লগতে চৰকাৰীকৰণ কৰা হ'ল। কিন্তু প্ৰকৃত পক্ষে সেইটো হৈ নুঠিল। আৰু তাত এতিয়া যিবিলাক চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী আছে তেওঁলোক আজিও চৰকাৰী কৰ্মচাৰী হিচাবে স্বীকৃতি লাভ কৰা নাই। আৰু তেওঁলোকৰ সেই অসুবিধাৰ কাৰণেই এতিয়া চৰকাৰৰ ওপৰত দাবী উত্থাপন কৰিবলৈ হৈছে। তাৰোপৰি প্ৰাইমাৰী স্কুলৰ শিক্ষক সকলৰ চাকৰি চৰকাৰী কৰণ কৰাৰ ফলত যিবিলাক বমেজালি থাকি গল বা যিবিলাক অসুবিধা হৈ গল সেই বিলাক দূৰীকৰণৰ কাৰণে প্ৰাইমাৰী স্কুল শিক্ষক সন্থাই শিক্ষা মন্ত্ৰীৰ ওচৰত এখন আলটিমেটাম দাখিল কৰিছে এই কথা শিক্ষা মন্ত্ৰীয়ে জানে আৰু ১৫ ডিচেম্বৰৰ ভিতৰত যদি এই দাবী পূৰণ কৰা নহয় তেতিয়াহলে ১ জানুৱাৰীৰ পৰা সমগ্ৰ ৰাইজেই আমাৰ প্ৰাইমাৰী শিক্ষক সকলে অবিৰাম আন্দোলন কৰাৰ কথাও ঘোষণা কৰিছে। সেই কাৰণে এই বিল খন আলোচনা কৰিবলৈ যাওঁতে প্ৰাইমাৰী স্কুলৰ শিক্ষক

সকলৰ চাকৰি চৰকাৰীকৰণ কৰাৰ পিচত যিবিলাক সমস্যাই দেখা দিলে সেই বিলাক কথাও এই ক্ষেত্ৰত আমি বিবেচনা কৰি চাব লাগিব।

উপাধ্যক্ষ মহোদয়; এই খনৰ কোনো স্তৰতে স্কুলৰ ঘৰ দুৱাৰ বিলাক চৰকাৰৰ নিজৰ হাতলৈ অনাৰ কোনো উল্লেখ নহি। যদিও আৰম্ভণিতে চৰকাৰে প্ৰাইমাৰী স্কুলৰ শিক্ষক সন্থাৰ লগত হোৱা আলোচনাত আশ্বাস দিছিল যে, চৰকাৰীকৰণ কৰা মানে অৰ্থ এইটোৱেই হৈছে যে কেৱল চাকৰিয়েই নহয় সেই বিলাক স্কুলৰ ঘৰ দুৱাৰ আদিও চৰকাৰে নিজৰ হাতলৈ নিব। মেৰামতি আদি কৰাৰ সকলো দায়িত্ব চৰকাৰে নিজেই লব। সেই একে আশ্বাসেই দিয়া হৈছিল মধ্যইংৰাজীৰ শিক্ষক সন্থাৰ লগত হোৱা আলোচনাতো। উপাধ্যক্ষ মহোদয়, মই এইখিনি ইয়াত পঢ়ি দিব খুজিছোঁ, "On provincialisation the school buildings and other immevable property of the concerning schools will be automatically taken ever by the Government." এই আশ্বাস হাইস্কুলৰ শিক্ষক সন্থাৰ লগত হোৱা আলোচনাত চৰকাৰৰ ফালৰ পৰা দিয়া হৈছিল আৰু এই আশ্বাসৰ ওপৰত ভিত্তি কৰিয়েই জাতীয়কৰণৰ ক্ষেত্ৰত সন্মতি দিয়াৰ ক্ষেত্ৰত ইয়াক বিবেচনা কৰা হৈছিল। মধ্য ইংৰাজী শিক্ষক সন্থাৰ লগত হোৱা আলোচনাতো এই কথাটো উল্লেখ আছে- "It was also agreed that the school buildings and other property will be taken over by the Government from the dato of provincialisation". এই আশ্বাস চৰকাৰে হাইস্কুল আৰু মধ্য ইংৰাজী স্কুলৰ শিক্ষক সন্থাৰ লগত হোৱা আলোচনাত দিছিল। কিন্তু উপাধ্যক্ষ মহোদয়, এই যি বিলত উথাপন কৰা হৈছে তাত স্কুলৰ ঘৰ দুৱাৰ বিলাক চৰকাৰে লোৱাৰ কোনো উল্লেখ নাই। তাৰ পৰা এই কথটোকে

স্পষ্ট ভাৱে ক্ৰবপাৰি যে, চৰকাৰে শিক্ষকসকলৰ চাকৰি চৰকাৰীকৰণ কৰিলে হয় কিন্তু সেই স্কুল বিলাকৰ ঘৰ দুৱাৰ আদি আগতে যি ধৰণে আছিল সেই ধৰণেই থাকি যাব। সেইকাৰণেই আৰু অভিজ্ঞতাৰ দ্বাৰা আমি যি দেখা পাওঁ যে, প্ৰাইমাৰী স্কুল বিলাক চৰকাৰীকৰণ হোৱাৰ পিচতো তাৰ অৱস্থা অতি বেয়া এহাতে চৰকাৰে মেৰামতিৰ কাৰণে কোনো পইচা দিয়াই আৰু আনহাতে চৰকাৰীকৰণ হোৱাৰ লগে লগেই আগতে ৰাইজে যি ভাৱে ঘৰ বিলাক মেৰামতিৰ কাৰণে উদ্যোগ লৈছিল এতিয়া তেনেকুৱা উদ্যোগ দেখা পোৱা নাই। সেইকাৰণেই উপাধ্যক্ষ মহোদয়, চৰকাৰক এই কাৰণেই সমালোচনা কৰিব খোজিছোঁ যে, চৰকাৰীকৰণ কৰাৰ সময়ত মাধ্যমিক আৰু মধ্যইংৰাজী স্কুলৰ শিক্ষকসকলক চৰকাৰে যি আশ্বাস দিছিল সেই আশ্বাস আৰু প্ৰতিশ্ৰুতি এতিয়া আমাৰ চৰকাৰে ভঙ্গ কৰিছে। কাৰণ এই কথা বিলাক কোনো উল্লেখ নাই। তাৰোপৰি, এতিয়ালৈকে চৰকাৰী পক্ষৰ ফালৰ পৰা যি বিলাক সংশোধী দেখিছোঁ তাত এনে কোনো ইঙ্গিত নাই যে, চৰকাৰী কৰণ কৰাৰ দিনাৰে পৰা স্কুলৰ ঘৰ দুৱাৰ আদি চৰকাৰে নিজৰ হাতলৈ আনিব। মন্ত্ৰী মহোদয়ে যিটো কথা কৈছে যে, তেখেত সকলে য'ত সম্মতি দিছিল তাত এই কথাটোও ল্লেখ আছিল যে জাতীয় কৰণ কৰাৰ দিনৰে পৰা চৰকাৰে স্কুল বিলাকৰ ঘৰ দুৱাৰ আদিও নিজৰ হাতলৈ আনিব।

দ্বিতীয়তে, যি সকলক চৰকাৰীকৰণ কৰা হল সেই সকলক কেতিয়াৰ পৰা চৰকাৰী বুলি গণ্য কৰা হব? এই ক্ষেত্ৰটো চৰকাৰে আগতে যিবিলাক আশ্বাস আৰু প্ৰতিশ্ৰুতি দিছিল সেই বিলাকো আমাৰ চৰকাৰে ভঙ্গ কৰিছে। মাননীয় উপাধ্যক্ষ মহোদয়, এই বিলখনৰ তিনি নম্বৰৰ ক্লজত এই কথাটো এই বুলি লিখা আছে "Clause No. 3 of the Bill, Employees to be Government servants. Subject to the ptevision of Article 30 of the Constitution

of India, all employees of all Secondary Schools in the State of Assam shall be deemed to be employees of the state of Assam with effect from the appeinted date on the following terms and conditions" উপাধ্যক্ষ মহোদয়, তাৰ পিছত 'এইপণ্টটেড্ ডেট্'ৰ ক্ষেত্রত তাৰ' ডেফিনিয়েশ্বণ্ড হৈছে এইটো "Appointed Date"- Appointed date in relation to any year means the daie of which this ordinance comes into foace in that year" অর্ডিনেন্সখন 'বলবৎ' কৰা হৈছে ১৯৭৭ চনৰ এক অক্টোবৰৰ পৰা।. চৰকাৰী কৰণ কৰা শিক্ষক সকলক ১৯৭৭ চনৰ পহিলা অক্টোবৰৰ পৰাই চৰকাৰী বুলি বিবেচিত হব সেইটো এই বিলত কোনো উল্লেখ কৰা হোৱা নাই।। কিন্তু সন্থা বিলাকৰ লগত হোৱা আলোচনাত চৰকাৰে এই আশ্বাস দিছিল যে, যেতিয়াৰ পৰা অনুষ্ঠান বিলাকত শিক্ষক সকলে নিয়মীয়াকৈ কাম কৰিছে তেতিয়াৰ পৰাই তেখেত সকলক জাতীয় কৰণ কৰাইছে বুলি বিবেচনা কৰা হব। এই ক্ষেত্রত প্ৰাইমাৰী স্কুলৰ শিক্ষক সকলৰ লগত হোৱা আলোচনাৰ 'মাইনুটচত' এই কথাটো লিখা আছে। "It was decided that on provincialisation the qualifying service of an employes will be counted with effect from the date of appointment by the Managing Committee where the appointment has been subsequently approved by the Inspector of Schools if at all approvad of the Inspector of Schools was necessary". গতিকে চৰকাৰে যেতিয়াই এই আশ্বাস দিছিল যে যি দিনাৰ পৰাই মেনেজিং কমিটিয়ে তেখেত সকলক শিক্ষক হিচাবে নিয়োগ কৰিছিল আৰু সেই নিয়োগক ইন্স.পক্টৰ সকলে প্ৰয়োজনীয় অনুমোদন দিছিল সেই তাৰিখৰ পৰাই সেই শিক্ষক সকলক

চৰকাৰী বুলি বিবেচনাৰ কৰা হব। অকল সেয়ে নহয়, এম,ই স্কুলৰ শিক্ষক সকলৰ লগত হোৱা আলোচনাতো এই আশ্বাসটো দিয়া হৈছিল। ১৯৭৭ চনৰ ১৩।৮।৭৭ তাৰিখত হোৱা আলোচনাৰ মাইননুটচুত এইটো লিখা আছে- "It was decided that on provincialisation the quealifying service of an employee will be counted with effect from the date of appoitment by the Managing Committee where such appointment have subsequently been approved by the Deputy Inspector of Schools or Inspector of Schools concerned if such approval was at all necessary".

গতিকে উপাধ্যক্ষ ডাঙৰিয়া, আলোচনাৰ সময়ত চৰকাৰে এই আশ্বাশ দিছিল যে, যি তাৰিখৰ পৰা মেনেজিং কমিটিয়ে শিক্ষক সকলক নিয়োগ কৰিছিল সেই তাৰিখৰ পৰাই শিক্ষক সকলক চৰকাৰী চাকৰিয়াল হিচাবে বিবেচনা কৰা হব। কিন্তু চৰকাৰে শিক্ষক সন্থা বিলাকক যি আশ্বাশ দিছিল সেই আশ্বাশৰো এই বিল খনত কোনো উল্লেখ নাই বৰং যি আশ্বাশ দিয়া হৈছিল তাকো চৰকাৰে ভংগ কৰিছে। ইয়াত এইকথা স্পষ্ট ভাবে কোৱা হৈছে যে, তেওঁলোকৰ চাকৰি ১৯৭৭ চনৰ পহিলা অক্টোবৰৰ পৰা চৰকাৰী কৰণ কৰা হৈছে গিতকে তাৰ ফলত উপাধ্যক্ষ ডাঙৰীয়া, আপুনি জানে বিশেষকৈ যি বিলাক শিক্ষকে বহু বছৰ ধৰি স্কুল বিলাকত কাম কৰি আছে সেই স্কুল বিলাকৰ ক্ষেত্ৰত এটা ডাঙৰ অসুবিধা সৃষ্টি হবলৈ বাধ্য যিটো কথা আমি প্ৰাইমেৰী স্কুল বিলাকৰ ক্ষেত্ৰত দেখিছো। সেই কাৰণে ইয়াৰ ফলত বহুত সংখ্যক শিক্ষকে চৰকাৰী কৰণ কৰাৰ পিচত পেনচনৰ কাৰণে নিম্নতম ১০ বছৰ চাকৰি কৰিব লাগিব। কিন্তু কোনো

কৰ্ম্মচাৰীয়ে নিম্নতম ১০ বছৰ চাকৰি নকৰিলে পেনচৰ কাৰণে অৰ্হতা অৰ্জণ নকৰে । সেইকাৰণে এই ব্যৱস্থাৰ ফলত যি বিলাক শিক্ষকে ১০ বছৰ বা তাতকৈ বেচি চাকৰি কাল আছে তেওঁলোক যে কেৱল পেনচনৰ পৰা বঞ্চিত হব সেইটো নহয়, যি বিলাক শিক্ষকে হয়তো ১৫, ২০ বছৰ চাকৰি আছে সেইবিলাকেও পেনচনৰ কাৰণে অৰ্হতা অৰ্জণ কৰিব সেই তাৰিখৰ পৰা যি তাৰিখৰ পৰা তেওঁলোকৰ চাকৰি চৰকাৰী কৰণ কৰা হৈছে । সেইকাৰণে স্পষ্ট ভাবে এই কথা কব বিচাৰিছো যে, যি বিলাক শিক্ষকৰ চাকৰি চৰকাৰী কৰণ কৰা হৈছে বা কৰিব বিচাৰিছে সেইবিলাক শিক্ষকৰ চাকৰি কোন তাৰিখৰ পৰা চৰকাৰী কৰণ কৰা হব আগতেই মই উল্লেখ কৰিছো যে, তেওঁলোকক মেনেজিং কমিটিয়ে নিয়োগ কৰা তাৰিখৰ পৰাই তেওঁলোকক চৰকাৰী চাকৰিয়াল হিচাবে বিবেচনা কৰাৰ আশ্বাস চৰকাৰে সংখ্যা সমূহক দিছিল । কিন্তু এই বিলত মাত্ৰ ১৯৭৭ চনৰ পহিলা অক্টোবৰৰ পৰা তেওঁলোকক চৰকৰী চাকৰিয়াল হিচবে বিবেচনা কৰাৰ কথা উল্লেখ কৰিছে । ইয়াৰ পৰা উপাধ্যক্ষ ডাঙৰীয়া, এইটোৱে প্ৰমাণ হয় যে, মন্ত্ৰী ডাঙৰীয়াই কোৱা মতে কাম কৰা নাই । আজি মন্ত্ৰী ডাঙৰীয়াই কোৱা মতে সন্থা সমূহৰ লগত যি আলোচনা কৰিছিল আৰু যি বিলাক চৰ্ত মাইনুটত লিপিবদ্ধ কৰা হৈছিল, যিবিলাক চৰ্ত শিক্ষক সকলে সম্মতি দিছিল সেইমতে যদি চৰকাৰে শিক্ষকসকলৰ চাকৰি চৰকাৰী কৰণ কৰি ঘৰ তুৱাৰ আদি হয় তেতিয়াহলে এই ক্ষেত্ৰত আপত্তি কৰিব লগীয়া কোনো কাৰণ নাথাকে । কিন্তু উপাধ্যক্ষ ডাঙৰীয়া, যি খিনি প্ৰতিশ্ৰুতি শিক্ষকসকলৰ দিছিল সেইপ্ৰশ্ৰুতি চৰকৰে ৰক্ষা কৰা নাই । আৰু যি বিলাক কথা চৰকাৰে সন্থা সমূহক কৈছিল এই বিলত তাৰ কোনো উল্লেখ নাই । বৰং ইয়াৰ দ্বাৰা যি বিলাক শিক্ষকে বহুত বছৰ ধৰি চাকৰি কৰি আছে সেইসকল এই চৰকাৰী

কৰণৰ ফলত ক্ষতি হোৱাৰ বাহিৰে আন কোনো উপায় নাই।

উপাধ্যক্ষ ডাঙৰীয়া, দ্বিতীয়তে মই এই কথা কব বিচাৰিছোঁ যে, যি বিলাক ঘাটি মঞ্জুৰী প্ৰাপ্ত স্কুল আছে, তদৰ্থ মঞ্জুৰী প্ৰাপ্ত স্কুল আছে এই সকলো বিলাক স্কুল, বিশ্ব বিদ্যালয় বা মহাবিদ্যালয় পৰ্য্যন্ত নহলেও সকলো স্কুলকে চৰকাৰে নিজৰ হাতলৈ লবলাগে। যিমান বিলাক শিক্ষানুষ্ঠান আছে সেইবিলাকৰ সম্পূৰ্ণ দায়িত্ব চৰকাৰে নিজৰ হাতলৈ আনিবলাগে আৰু লৰা ছোৱালীয়ে যাতে বিনামূলীয়া শিক্ষা পাব পাৰে আৰু শিক্ষকসকলৰ চাকৰিৰ সুব্যৱস্থা কৰিবলাগে। সেই স্কুল বিলাকৰ ঘৰ দুৱাৰ আদিৰ খৰচো চৰকাৰে কৰা প্ৰয়োজন। কিন্তু এনে বিলাক ঘাটি মঞ্জুৰী প্ৰাপ্ত শিক্ষক সকলক যি আশ্বাস দিয়া হৈছিল তাক চৰকাৰে একেবাৰে ৰক্ষা কৰা নাই। উপাধ্যক্ষ ডাঙৰীয়া, ইতিমধ্যে মন্ত্ৰীডাঙৰীয়াই আলোচনাৰ সময়ত কৈছিল কোন বিলাক স্কুল চৰকাৰী কৰণ কৰা হব যি বিলাক স্কুলে ঘাটি মঞ্জুৰী পাইছে সেই-বিলাক স্কুলক চৰকাৰী কৰণ কৰা হব। আজি মন্ত্ৰী ডাঙৰীয়াই কোৱা মতে প্ৰায় ২১ শ খন এই ধৰণৰ স্কুল আছে আৰু কিমান স্কুলে ঘাটি মঞ্জুৰী পোৱা নাই। আজি হয়তো যিমান বিলাক স্কুল চৰকাৰী কৰণ কৰা হল তাতকৈ ঘাটি মঞ্জুৰী নোপোৱা বা এধক গ্ৰান্ত পাই থকা স্কুলৰ সংখ্যা নিতান্তই ইয়াতকৈ বেচি হোৱাতো স্বাভাবিক। সেই-কাৰণে এই ব্যৱস্থাৰ দ্বাৰা এই কথা নহয় যে, সকলো হাইস্কুলৰ শিক্ষকক চৰকাৰী কৰণ কৰিব বিচাৰিছে ; ইয়াৰ দ্বাৰা মাত্ৰ গোটেই ব্যৱস্থাটোৰ এটা অংশ যিটোৱে ঘাটি মঞ্জুৰীপ্ৰাপ্ত হাইস্কুলৰ শিক্ষকসক-লকহে চৰকাৰী কৰণ কৰি চৰকাৰৰ নিজৰ হাতলৈ আনিছে। মই দাবী কৰোঁ যে এই ব্যৱস্থাৰ জৰীয়তে আংশিক ভাবে পৰিবৰ্ত্তন কৰা পৰিবৰ্ত্তে অন্ততঃ হাইস্কুল পৰ্য্যায়ত আমাৰ ৰাজ্যত যিমান স্কুল আছে, বা

প্ৰাইমেৰী স্কুলকে আৰম্ভ কৰি সকলোৰে দায়িত্ব চৰকাৰে নিজৰ হাতলৈ অনাৰ প্ৰয়োজন ।

উপাধ্যক্ষ মহোদয়, মই আগতেই উল্লেখ কৰিছো যে বিলাক স্কুলৰ শিক্ষকসকলৰ চাকৰি চৰকাৰি কৰণ কৰা হৈছে তাৰ অন্যান্য কৰ্ম্মচাৰী বা কেৰাণী সকলৰ কি হব। সেইক্ষেত্ৰত উপাধ্যক্ষ ডাঙৰীয়া চৰকাৰে কি ব্যাখ্যা দিয়ে নাজানো। কাৰণ বিল খনত উল্লেখ কৰা হৈছে এমপ্লয় মানে কি? Employee means a person-in the employment of deficit schools in connection with imparting educatton and working against regular sanetioned posts and whose appointments have been approved by the school authorities whereever such aproval was necessary.

উপাধ্যক্ষ মহোদয়, এনেকুৱা এটা কথা প্ৰাইমেৰী স্কুলৰ শিক্ষক সকলৰ চাকৰি চৰকাৰী কৰণৰ সময়ত এটা প্ৰশ্ন উঠিছিল আৰু তেতিয়া আমাক এই সদনতে মন্ত্ৰী ডাঙৰীয়াই আশ্বাস দিছিল যে, প্ৰাইমেৰী স্কুলৰ যি বিলাক চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰী আছে বা অন্যান্য কৰ্ম্মচাৰী আছে সকলোৰে চাকৰি চৰকাৰীকৰণ কৰা হব। কিন্তু কাৰ্য্যত সেইটো হোৱা নাই। অৱশেষত একমাত্ৰ শিক্ষকসকলৰ চাকৰি চৰকাৰী কৰণ কৰা হল, যি বিলাক চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰীক চৰকাৰী কৰণ কৰা নহল। সেইকাৰণে এই বিলত এই কথা স্পষ্ট ভাবে থকা প্ৰয়োজন যে, এই স্কুল বিলাকত যিমান বিলাক কৰ্ম্মচাৰী আছে শিক্ষকেই হওক ব চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰীয়েই হওক আৰু আনকি কেৰাণীয়েই হওক এই সকলো বিলাকৰ চাকৰি চৰকাৰী কৰণ কৰা প্ৰয়োজন। আৰু সেই ক্ষেত্ৰত যাতে এনেকুৱা ব্যাখ্যা নাথাকে

যাৰ ফলত এই কৰ্ম্মচাৰী বিলাক বঞ্চিত হব পাৰে এই কথা বিলত স্পষ্ট ভাবে দিয়াৰ কাৰণে দাবী কৰো। এই কথাটো স্পষ্টভাবে থকাৰ প্ৰয়োজন। অৱশ্যে সংশোধনী আনিছে যেতিয়া আমি এইটো আলোচনা কৰিম। মুঠতে শিক্ষক সকলৰ ওপৰিও স্কুলত থকা চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰী আৰু যি অন্যান্য কৰ্ম্মচাৰী আছে সেইবিলাককো অন্তৰ্ভুক্ত কৰা দৰকাৰ।

উপধ্যক্ষ মহোদয়, এই পইণ্টকেইটা কোৱাৰ ওপৰিও মই আৰু কেইটামান কথাৰ প্ৰতি আপোনা দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। যেতিয়া প্ৰাইমেৰী স্কুলবিলাক চৰকাৰীকৰণ কৰা হল দেখা গল যে গোটেই অসমত এল, পি স্কুলৰ শিক্ষক নিযুক্তি কৰাৰ ক্ষেত্ৰত এটা বেপাৰ আৰম্ভ হৈছে। উপাধ্যক্ষ ডাঙৰীয়া আপুনি জানে যে শিৱ-সাগৰত যিদিনা প্ৰাইমেৰী স্কুলৰ চাকৰি চৰকাৰীকৰণ কৰা হল — সেই-দিনা তাত শিক্ষক অৱসৰ লৈছিল ১০২ জন। সেই দিনাই ১০২ জনৰ ঠাইত শিক্ষক নিয়োগ কৰিছে ৪০২ জন। মাননীয় সদস্য এজনে কৈছে যে সেইদিনা চেয়াৰমেন কোন আছিল ? সেইদিনা কোনো চেয়াৰমেন নাছিল আৰু বোৰ্ডৰ চেক্ৰেটৰীও কোনো নাছিল। তাৰ ইন্স্পেক্টৰ অৱ স্কুল জনেই ১০২ জনৰ ঠাইত ৪০২ জন নিয়োগ কৰিছে। এই ৪০২ জনক নিয়োগ কৰোতে প্ৰত্যেক চাকৰিয়ালেই ২ হেজাৰৰ পৰা ৪ হেজাৰ পৰ্য্যন্ত টকা খৰচ কৰিব লগীয়া হৈছে। অৱশ্যে এতিয়া কেই-জনমানক চাচপেন্স কৰিছে আৰু ডেপুটি ইন্স্পেক্টৰজনক বাধ্যতামূলক অৱসৰ দিছে — মোৰ বোধেৰে এইজন লোকক এইটো কৰাত অকনো লোকচান হোৱা নাই। কাৰণ তেওঁ পেনচন পোৱাৰ আগতে এইথিনি কৰি প্ৰায় চাৰি —পাঁচ লাখ পৰ্য্যন্ত টকা উপাৰ্জ্জন কৰিলে। গতিকে তেওঁক বাধ্য তামূলক অৱসৰ দি কোনো লোকচান কৰা নাই। মই

জানো এইখিনি সময়ত অসমৰ প্ৰত্যেক ডি,আইৰ চাৰ্কেলত চৰকাৰে এটা তদন্ত কৰিছে আৰু চৰকাৰীকৰণ কৰাৰ সময়ত যিসকল ডি, আই আছিল প্ৰত্যেকৰ পৰা চৰকাৰে ৪০।৫০ হেজাৰ টকা বিকভাৰী কৰিছে অতিৰিক্ত নিযুক্তি দিয়াৰ কাৰণে —সেইটো মই জানো আন কি কোনো ডি,আই'ৰ পৰা ৯০ হেজাৰ পৰ্য্যন্ত বিকভাৰী কৰাৰ ব্যৱস্থা কৰিছিল। ইমানখিনি টকা দিব ক,ৰ পৰা ? জানেই নহয় উদক ভেটা বন্ধীয়া পাতিলে মাছ খাবলৈ নাপাব। হাইস্কুল চৰকাৰীকৰণ কৰাৰ সময়ত চৰকাৰে বিষয়া সকলৰ প্ৰতি দৃষ্টি ৰাখিব ঃ কিন্তু উপাধ্যক্ষ মহোদয়, অভিজ্ঞতা কি ? এতিয়া প্ৰত্যেকটো স্কুল ইন্স্‌পেক্টৰ চাৰ্কেলত চৰকাৰে এই কথা স্পষ্টভাবে শিক্ষক সকলৰ লগত যিটো এগ্ৰিমেণ্ট কৰিছিল আৰু এগ্ৰিমেণ্টত এটা কথা লিখা আছে যে — ২২ জুলাইৰ পিচত কোনো শিক্ষক স্কুলত নিয়োগ কৰা নহব। উপাধ্যক্ষ মহোদয়, এই কথা মাইনোটচ্‌ৰ ১১ নং পইণ্টত আছে, Point No. 11. It was also decided that suitable instructions should be issued to all concerned not to appoint any teacher without previous sanction in any school or Higher Secondory School with effect from 22nd July, 1977 until further instruction the Goverment. কিন্তু এই সকলক বিভাগে নিয়োগ কৰা ? আন বিলাক ইন্স্‌পেক্টৰ চাৰ্কেলৰ সমূহত কি হৈছে নাজানো—কিন্তু যোৰহাটৰ ইনেস্‌পেক্টৰ অফিচত মই জনাত চৰকাৰীকৰণ কৰাব সময়ত একে লগে ২০০ শিক্ষক ইন্সপেক্টৰ নিযুক্তি দিছে আৰু কোনো কোনো স্কুলত তেনেকৈ একেলগে ৪।৫ জন শিক্ষকো নিযুক্তি দিছে। গতিকে এই ক্ষেত্ৰত কেনেকৈ সেইসকল শিক্ষকক নিযুক্তি দিবলৈ পালে ? এনেকৈ বহুতকে নিযুক্তি দিলে — যি সকলক চৰকাৰে অৱসৰ দিয়া কৰ্ম্মচাৰী আছিল আৰু যি সকলে চৰকাৰী চাকৰিত থাকি ৫৫ বছৰত অৱসৰ লৈছিল

তেনেকুৱা লোককো ইন্সপেক্টৰে নিযুক্তি দিছে। যোৱহাটৰ ইন্সপেক্টৰ অৱ স্কুলে কেনেকৈ ইমানবিলাক শিক্ষকক বে-আইন ভাবে নিযুক্তি দিব পাৰে অৱশ্যে উপাধ্যক্ষ ডাঙৰীয়া আপুনি নিশ্চয় জানে যে সেই সকলক মুক্ত ভাবেই নিযুক্তি দিয়া হোৱা নাই নে ? কিন্তু মোৰ হলে ইয়াত সন্দেহ আছে। অন্ততঃ কিছুমান নিযুক্তিৰ কথা মই জানো যে —সেইসকলৰ ক্ষেত্ৰত বিনা স্বৰ্তে নিযুক্তি দিয়া নাই — যিসকলক নিযুক্তি দিয়াৰ কাৰণে বহুখিনি টকা পইচা খৰচ কৰিব লগীয়া হৈছে। হাইস্কুল বিলাকৰ শিক্ষকক সকলৰ চাকৰি চৰকাৰীকৰণ কৰাৰ পিচতো শিক্ষক নিয়োগৰ ক্ষেত্ৰত যদি এনেকৈয়ে মৰ্য্যদা থকা ইন্সপেক্টৰ অৱ স্কুলে বা মৰ্য্যদা থকা দায়িত্বপুৰ্ণ অফিচে এনেকৈ বে—আইনিভাবে নিয়োগ কৰিব লগা হয় আৰু নিয়োগ কৰিবলৈ যাওতে অন্য পন্থা অৱলম্বন কৰিছে তেতিয়াহলে যিসকল চৰকাৰী কৰ্ম্মচাৰীয়ে এনে বে - আইনি পন্থা অৱলম্বন কৰিছে সেইসকলক চৰকাৰে অতি সোনকালে কঠোৰ শাস্তি দিয়াৰ ব্যৱস্থা কৰাৰ প্ৰয়োজন ।

উপাধ্যক্ষ মহোদয়, সিদিনা এটা প্ৰশ্নৰ আলোচনা হৈছিল যে —চৰকাৰী কৰণ কৰাৰ লগে লগে কিছুমান স্কুলক বে-চৰকাৰী কৰা হৈছে ঃ তেতিয়া অৱশ্যে মন্ত্ৰী ডাঙৰীয়াই কৈছিল যে — যি-বিলাক স্কুলত মাইনৰিটি লেংগুৱেজ আছে - সেইবিলক স্কুলক চুপ্ৰিম কোৰ্টৰ এটা ৰাইট্ থকাৰ কাৰণে সেইবিলাক স্কুলক বে-চৰকাৰী কৰা হৈছে। এইখিনিতে উপাধ্যক্ষ মহোদয় এটা প্ৰশ্ন মনলৈ আহে অৱশ্যে এই বিষয়ে আইনজ্ঞ সকলে কব—মই জনাত হিন্দী মাধ্যম থকা স্কুলবিলাক কেনেকৈ মাইনৰিটি লেংগুৱেজ হব ? ভাৰতত হিন্দীক চৰকাৰী ভাষা কৰা হৈছে আৰু দ্বিতীয়তে দিছে ইংৰাজী। গতিকে এটা চৰ-কাৰী ভাষা কেনেকৈ মাইনৰিটি হল ? এই কথা আইনজ্ঞ সকলে

বিবেচনা কৰি চাব । কিন্তু সকলো ধৰণৰ হিন্দী মাধ্যম থকা স্কুলৰ অধিক সখংককে মাইনৰিটি স্কুল হিচাবে বিবেচনা কৰাটো সমীচিন হোৱা নাই। এই কথা বিবেচনা কৰি চাব লাগিব । কাৰণ হিন্দী হৈছে আজি ভাৰত চৰকাৰৰ চৰকাৰী ভাষা । উপাধ্যক্ষ মহোদয় ,আপুনি জানে যে- আজি অসমৰ প্ৰত্যেকখন হাইস্কুলতেই হিন্দী হৈছে এটা বাধ্য-তামূলক বাধা । যিবিলাক অসমীয়া মাধ্যম স্কুল আছে তাত ৮ম মান শ্ৰেণীলৈকে হিন্দী পঢ়িব লাগে আৰু ৰাষ্ট্ৰিক ভাষাৰ লগতেই এই ভাষাটোও ৮ম মান শ্ৰেণীলৈ পঢ়িব লাগে — তেনেস্থলত সংখ্যালঘূৰ ভাষা বুলি বিবেচনা কৰাৰ কোনো যুক্তি থাকিব নোৱাৰে । মই এই-ক্ষেত্ৰত আৰু এটা কথা কব বিচাৰিছো যে-ইতিমধ্যে চৰকাৰে স্কুলবিলাক ঘৰ তুৱাৰ দেস্ক বেঞ্চ দিব পৰা নাই। কিন্তু হঠাত কিয় এনেকুৱা এটা কথা শিৱসাগৰত উঠিছিল - যে হিন্দী থকা স্কুলবিলাক বে-চৰকাৰী কৰা হৈছে এই উক্তৱ উঠাৰ কাৰণ কি ? সিদিনাখন শিৱসাগৰৰ এটা প্ৰশ্নত আলোচনা কৰিছিল যে - তাৰ যিটো সুন্দৰমল হিন্দী এম, ই, স্কুল আছে তাত যিসকলে হিন্দী মাধ্যম লৈছে - বিশেষকৈ মাৰোৱাৰী, বিহাৰী, পঞ্জাৱী আনকি অসমীয়া লৰাও আছে - এই স্কুলখন ১৯৭৪ চনতেই চৰকাৰে মাটি মঞ্জুৰি দিছিল ,কিন্তু সিদিনা মন্ত্ৰী ডাওবীয়াই এটা প্ৰশ্নত্তৰৰ আলোচনাত কৈছে যে - সেইখন স্কুল -চৰকাৰী কৰা হৈছে ! সেই কাৰণে তাৰ অভিভাৱক সকলে মেনেজিং কমিটিত এই কথাৰ অভিযোগ কৰি মেনেজিং কমিটিৰ দ্বাৰাই আবেদন চৰকাৰলৈ দিছে ।

মই তালৈ গৈ অনুসন্ধান কৰিছিলো যে মেনেজিং কমিটিৰ কোনো মিটিঙত সেই স্কুলখন বেচৰকাৰী কৰিব লাগে বুলি কেতিয়া বা প্ৰস্তাৱ পাছ হৈছিল নে কি ? উপাধ্যক্ষ মহোদয়, মোৰ হাতত প্ৰচিডিংচ আছে কিন্তু এইবিলাকৰ কতো পোৱা নগল আৰু সেই থিনি সময়ত যিজন

স্কুলৰ চেক্রেটৰী আছিল তেওঁ কৈছে যে কোনো মিটিঙত সেই স্কুলটো প্ৰাইভেট স্কুল কৰিব লাগে বুলি প্ৰস্তাৱ পাছ কৰা নাই। যদি কেইজনমান মিলি গোপনে কৰিছে মই নাজানো, কিন্তু যিবিলাক প্ৰচিদিংচ ডেপুটি ইন্সপেক্টৰৰ অফিচলৈ পঠোৱা হৈছে (এইদৰে প্ৰত্যেক খন মিটিঙৰ প্ৰচিদিংচ পঠোৱা) সেই বিলাকত এনেকুৱা কোনো পৰামৰ্শ নলই।

কিন্তু উপাধ্যক্ষ মহোদয়, আনকি যিসকল অভিভাৱক তেওঁলোকৰো কোনো সম্মতি লোৱা হোৱা নাই। গতিকে ইয়াৰ মূলতে হৈছে কি? আৰু বহুতো প্ৰশ্ন এতিয়ালৈ উঠিছে যে প্ৰাইভেট কৰাৰ কাৰণে কাৰ পৰা হুকুম লোৱা হৈছে। উপাধ্যক্ষ ডাঙৰীয়া এতিয়া দেখা গল যে প্ৰাইভেট হোৱাৰ লগে লগে তেওঁলোকে এখন চাৰকুলাৰ জাৰি কৰিব লাগে। এম ই খাপত মাহেকত ১০ টকা, হাইস্কুলত ১৫ টকা ফিজ হয়। এইদৰে বছেৰেকীয়া উপাৰ্জন প্ৰায় ৮ হেজাৰ, ৯ হেজাৰ টকা হয়। কিন্তু শিক্ষক বিলাকক কিমান দৰমহা দিয়া হয়? যিহেতু মঞ্জুৰী প্ৰাপ্ত, ঘাটি মঞ্জুৰী প্ৰাপ্ত আৰু এধক্ গ্ৰাণ্ট পোৱা স্কুল শিক্ষক সকলক (গ্ৰেজুৱেটক) দৰমহা দিয়া হৈছে ১২০, ১৩০ বা ১৪০ টকা। অথচ চৰকাৰে ঘোষণা কৰিছে যে যি সকল গাৰজেনৰ মাহিলী দৰমহা দিয়া শতিনিশৰ কম হয় সেই সকলৰ লৰা-ছোৱালীয়ে ১০ ম মানলৈকে ফিজ দিব নালাগে। কিন্তু প্ৰাইভেট কৰাৰ ফলত সকলোৱে ফিজ দিব লগা হৈছে। আৰু আনহাতে যিবিলাক ঘাটি মঞ্জুৰী প্ৰাপ্ত স্কুলৰ শিক্ষক সেই সকলক যিখিনি সুবিধা দিব লাগিছিল সেই সুবিধা বিলাক আজিলৈকে দিয়া নাই। আৰু সেই শিক্ষক সকলৰ দাবী আছিল যে তেওঁলোকক প্ৰাইভেট স্কুলৰ হিচাবে পৰিগনিত কৰিব লাগে সেই দাবী কোনো ৰকমে বিচাৰ কৰা নহল।

উপাধ্যক্ষ ডাঙৰীয়া, ঘৰ দুৱাৰৰ ক্ষেত্ৰত যিখিনি অসুবিধা থাকে সেইখিনি চৰকাৰে বিবেচনা কৰিব। কিন্তু আমি বিচাৰিছো যে যিবিলাক

শিক্ষকৰ চাকৰি অৰ্থাৎ ঘাটি মঞ্জুৰী প্ৰাপ্ত যি সকল শিক্ষক তেওঁলোকে যিখিনি সুবিধা পাব লাগিছিল স্কুল চৰকাৰী কৰণ কৰাৰ আগ মুহূৰ্ত্ত সেই সকল শিক্ষকক কিয় বঞ্চিত কৰা হৈছিল বা বঞ্চিত কৰাৰ আইনগৰ্ত্ত সুবিধা আছে নে নাই। মই এই প্ৰস্তাৱটো এই কাৰণেই দাঙি ধৰিছো যে ১৯৭৪ চনৰ পৰা এই শিক্ষক সকলে যিখিনি সুবিধা পাব লাগিছিল সেইখিনি তেওঁলোকে বঞ্চিত কৰা হৈছে। আচৰিতকৈ দাঙৰ কথা হৈছে যে কোন তাৰিখে এই স্কুলবিলাক প্ৰাইভেট স্কুল হিচাবে পৰিগণিত কৰা হৈছে। চৰকাৰে ইয়াৰ পৰা চাৰকুলাৰ দিছে যে আগষ্ট মাহৰ চাৰি তাৰিখৰ পৰা সকলোবিলাক স্কুল প্ৰাইভেট স্কুল বুলি গনা কৰিব লাগিব আৰু কোনো গ্ৰাণ্টৰ টকা খৰচ কৰিব নোৱাৰিব কিন্তু ১০ তাৰিখৰ দিনা হুকুম দিয়া হল যে সেই স্কুল প্ৰাইভেট কৰি দিয়া হৈছে আৰু ইয়াৰ পৰা এইটোৱেই প্ৰমাণ হয় যে এচাম ব্যৱসায়িক এইবিলাক চমজাই হৈছে এনেকৈ পক্ষ পতিত্ব বিবেচনা কৰি সুবিধা দিয়া হৈছে।

মাননীয় উপাধ্যক্ষ :— আপোনাৰ ৪৫ মিনিত হৈ গল।

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ : সেইকাৰণে উপাধ্যক্ষ মহোদয়, আজি যিটো সংশোধন আহিব তেতিয়া মই বেলেগকৈ আলোচনা কৰিম এতিয়া এই আলোচনা উৎথাপন কৰাৰ সময়ত মই চৰকাৰ ওচৰত দাঙি ধৰিব বিচাৰিছো যে যিবিলাক হাইস্কুল সেই স্কুলৰ শিক্ষকৰ চাকৰি চৰকাৰীকৰণ কৰিবলৈ যাওঁতে যি এই কথা আমি বিবেচনা কৰিব লাগিব যে যি তাৰিখৰ পৰা শিক্ষক সকল নিয়োগ কৰা হৈছিল সেই তাৰিখৰ পৰা তেওঁলোকৰ চাকৰি যাতে চৰকাৰী কৰণ কৰা হয়। আৰু দ্বিতীয়তে ঘাটি মঞ্জুৰী প্ৰাপ্তই হওক বা, মঞ্জুৰী প্ৰাপ্তই হওক বা এধক গ্ৰাণ্টই হওক সকলোবিলাক স্কুল এই ব্যৱস্থাৰ মাজলৈ

অনাটো প্ৰয়োজন আৰু লগে লগে আমি এই কথা দাবী কৰো যে অকল শিক্ষক সকলক চৰকাৰীকৰণ কৰাটোৱে যথেষ্ট নহয় সেই স্কুলবিলাকৰ ঘৰ-দুৱাৰ আদিৰ সম্পূৰ্ণ দায়িত্বও চৰকাৰে-নবগ্ৰহণ কৰিব লাগিব।

গতিকে মই বিলখন উত্থাপন কৰাৰ সময়ত এই কথাখিনি উপাধ্যক্ষ ডাঙৰীয়া মই অপোনাৰ জৰিয়তে চৰকাৰৰ ওচৰত ডাঙি ধৰিছো।

*শ্ৰীবদন চন্দ্ৰ তালুকদা :— ৰউপাধ্যক্ষ মহোদয়, এই বিলখনত যিটো কথা কোৱা হৈছে আৰু বিল খনৰ ভিতৰত যিটো কথা আছে তাৰ মাজত আকাশ পাতাল প্ৰভেদ। ইয়াত কোৱা হৈছে যে "hereas it is expedient to provincialise secondary Education covered by the Deficit Scheme of the Goveonment of Assam for its improvement and for better conterol and management of such education in the State of Assam" ইয়াৰ মতে মাধ্যমিক শিক্ষা ব্যৱস্থাটো সুনিয়ন্ত্ৰণ আৰু সুপৰিচালনা কৰিবলৈ বিচাৰিছে। কিন্তু যদি ভালকৈ চোৱা যায় তেন্তে দেখা যায় যে মাধ্যমিক শিক্ষা ব্যৱস্থাটো সুনিয়ন্ত্ৰণ বা সুপৰিচলনা কৰিবলৈ ইয়াত কোনো ব্যৱস্থা নাই। এটা স্তৰত শিক্ষকৰ চাকৰি চৰকাৰীকৰণ কৰাৰ নামত ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিত ভাবহে গ্ৰহণ কৰা হৈছে। যদি স্কুল বিলাক ভাল কৰাৰ সদিচ্ছা চৰকাৰৰ থাকিলহেতেন তেতিয়াহলে এই গোটেই ব্যৱস্থাটো অৰ্থাৎ অকল শিক্ষকৰ চাকৰিয়েই নহয় স্কুলখনৰ, আচবাৱ পত্ৰ এই সকলোবিলাক চৰকাৰে এই ব্যৱস্থাৰ মাজেৰে সামৰি ললেহেতেন শিক্ষকৰ বাহিৰে যিবিলাক চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী সেইসকলক সমুদায় বাদ দিয়া হৈছে। মাধ্যমিক শিক্ষা যদি উন্নত কৰিব লগা হয় তেন্তে অকল শিক্ষকৰ চাকৰি

*Speech not Corrected

চৰকাৰীকৰণ কৰিলেই নহয় শিক্ষকৰ যি বিলাক অভাব অভিযোগ সেইবোৰ দূৰ কৰিব লাগিব আৰু ইয়াৰ লগত যিবিলাক আনুসঙ্গিক কথা আছে সেইবিলাককো ইয়াৰ অন্তৰ্ভুক্ত কৰিব লাগিব সেইটো নকৰি ইয়াত ভত্তাভৈয়াকৈ আমাৰ শিক্ষা মন্ত্ৰী মহোদয়ে হেস্তৌ ৰেজিচলেচন বুলি কওঁতে আপত্তি কৰিছে। এই ব্যৱস্থা ২ বছৰ আগতে প্ৰাথমিক স্কুলৰ শিক্ষক সকলক চৰকাৰীকৰণ কৰোতে তেতিয়াৰ পৰাই আলোচনা বিলোচনা হৈ আছে আৰু তাৰ পিচতহে এইখন বিল উত্থাপন কৰা হৈছে। উপাধ্যক্ষ মহোদয় ইয়াৰ আগতে চৰকাৰৰ তৰফৰ পৰা শিক্ষক সন্থাৰ লগত যি আলোচনা হৈছিল আৰু তাত যি কেইটা সিদ্ধান্ত লোৱা হৈছিল তাৰ কাৰ্য্যকৰী ব্যৱস্থা লোৱা হোৱা নাই আৰু তাক এই বিলতও ৰখা হোৱা নাই। উদাহৰণ স্বৰূপে যিখন ২২-৭-৭৭ তাৰিখে শিক্ষা মন্ত্ৰীৰ চেম্বাৰতে এই সভা হৈছিল য'ত শিক্ষা মন্ত্ৰী, অতিৰিক্ত শিক্ষাধিকাৰ যুটীয়া শিক্ষাদিকাৰ, উপ শিক্ষাধিকাৰ, উপ সচিব আদি উপস্থিত আছিল সেই সভাতে সিদ্ধান্ত হৈছিল।

(1) ( Not disclosed )

(2) On provincialisation all the school buildings and other moveable and immovable properties of the concerning schools will be automatically teaken over by the Govt:

(3) It was docided that on provincialisation the qualifying service of on employoe will be counted with offect from the date of appointment by the Managing Committee where such appointments habe subsequently been approved by the Deputy Inspector of Schools

or the Inspector of Schools if such approval at all was Necussary.

(4) It was decided that the employees who will complete 58 years of age at the date of supearnnuation will be given option oither to serve up to the age of 6J years or to go on pension or superannuation. Pension will be applicable under the present rules in force. Those who will complete 60 years of age will however pension as admissible under rules operating there in usual course.

(5) The Association poinited out that this sort of relaxation. The Minister pointed out that for such relaxation, rules might be framed after getting clearance from the Finance Department. The Association pointed out that this sort of relaxation has already been given in the State of Behar and contemplated in U. P.

সেইটো এই আইনৰ পৰা বাদ দিয়া হৈছে। ৫নংত দিয়া হৈছিল প্ৰভি:দণ্ট ফাণ্ড। এই প্ৰভিদেণ্ট ফাণ্ড এতিয়া ঘূৰাই অনাৰ ব্যৱস্থা কৰা হৈছে। এই ক্ষেত্ৰত যি কেইটা সিদ্ধান্ত হৈছিল যাক চৰকাৰেও মানি লৈছিল তাৰ ভিতৰত শিক্ষকৰ চাৰ্ভিচ সক্ৰান্তৰ কথা সেইটো বাদ দিয়া হৈছে। ক্লজ ২ চাব ক্লজ ৪ত আছে। it is staed that employee means a person in the employment of a deficit school in

connection with imparting education and making appointment against regularly sanctioned posts and whose appointmentent has been approved by th৩ School authority where such approval was necessary. তাৰ পিচত স্কুল বিল্ডিং বিলাক লোৱাৰ সিদ্ধান্ত আছিল যদিও এই কথা এই বিলত নাই। আনহাতে শিক্ষক সকলৰ যিটো প্ৰভিডেণ্ট ফাণ্ড সেইটো চৰকাৰে ঘূৰাই লৈ যাবলৈ ব্যৱস্থা কৰিছে শিক্ষক সন্থাৰ তৰফৰ পৰা এই বিষয়ত চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰা হৈছিল। বিহাৰ ৰাজ্যত ইতিমধ্যে এই ব্যৱস্থা কাৰ্য্যকৰী কৰা হৈছে তেওঁলোকে আইন শিথিল কৰি আগতে পাই থকা সুবিধাকে দিয়া হৈছে, উত্তৰ প্ৰদেশতো কৰিব ধৰা হৈছে। এই ক্ষেত্ৰত অসম চৰকাৰে কৰিব নোৱাৰাৰ কোনো যুক্তি থাকিব নোৱাৰে। ভাত কোৱা হৈছে চৰকাৰীকৰণ কৰিলে শিক্ষক সকলে দ:বুল বেনিফিট পাব। কিন্তু এই কথা মনত ৰথা উচিত শিক্ষক সকলৰ যি সকলৰ প্ৰভিডেণ্ট ফাণ্ড আছিল অন্যান্য চাকৰিয়াল সকলৰ যি ব্যৱস্থা আছে সেইবিলাক নাই কাৰণেই তেওঁলোকক প্ৰভিডেণ্ট ফাণ্ডৰ ব্যৱস্থা দিয়া হৈছিল গতিকে তেওঁলোকৰ জমা ধন যদি ঘূৰাই অনা হয় সেইটো উচিত কথা নহব। গতিকে আজি যিখন বিল আনিছে তাৰ দ্বাৰা মাধ্যমিক স্কুলৰ শিক্ষকৰ সমস্যাৰ সমাধান নহয় বৰং বেছি সমস্যাৰ সৃষ্টিহে হব। আজি অন্যান্য চাৰকাৰী স্কুলৰ শিক্ষক সকলে যি সা সুবিধা পাই আছে এওঁলোকক যদি সেই সুবিধা দিয়া নহয় সেইটো ভাল ব্যৱস্থা নহব বৰং শ্ৰেণী বিভাগৰ সৃষ্টি কৰাহে হব। আগৰ যিবিলাক চৰকাৰী স্কুল আছে সেইবিলাকৰ ঘৰ দুৱাৰৰ কথাও চৰকাৰে চায় কিন্তু এই স্কুল বিলাকৰ ঘৰ দুৱাৰ চোৱাৰ কাৰণে মেনেজিং কমিটি থাকিব। আমি সকলোৱে জানো আজি দুবছৰ আগতে প্ৰাইমাৰী স্কুল বিলাকৰ শিক্ষক সকলক চৰকাৰীকৰণ কৰা হৈছে তেতিয়াই কোৱা হৈছিল

যে ঘৰ তুৰাৰৰ কথাও চৰকাৰে চাব কিন্তু সেই ব্যৱস্থা আজিলৈকে উঠা নাই। আনহাতে স্কুল বিলাকত এধক ব্যৱস্থা চলিয়ে থাকিব যিবিলাক স্কুলত এধক পোৱা নাই তাত মেইনটেনেঞ্চ গ্ৰাণ্ট দিব আৰু সেই বিলাক তেনেকৈ থাকিব সেই বিলাক স্কুল বাদ দিয়া হৈছে ইয়াৰ পৰা শ্ৰেণী বিভাগটো বেছি হব। চৰকাৰে আগতেও যে ঘৰ তুৰাৰৰ ক্ষেত্ৰত যিবিলাক প্ৰাইমাৰী স্কুলো হৈছিল লোৱাৰ অসুবিধা নহব আৰু লোৱা হব বুলি আশ্বাসো দিছিল কিন্তু আজিও সেই শিক্ষক সকলৰ অভাব অভিযোগ দূৰ নহ'ল। তেওঁলোকৰ বহুতেই ৫৫ বছৰতে অৱসৰ লব লগা হৈছে সেই ক্ষেত্ৰত কোনো সিদ্ধান্ত লব পৰা নাই। যাৰ কাৰণে আজি তেওঁলোকে ধৰ্মঘট কৰিবলৈ আলটিমেটাম দিছে অথচ চৰকাৰ কোনো সিদ্ধান্তত উপনীত হব পৰা নাই।

যি বিলাক শিক্ষকৰ অৱসৰ হৈ গল আৰু পদ বিলাক খালি হল তাত আজি তুবছৰ তুমাহ ধৰি শিক্ষক নিয়োগ কৰিব পৰা নাই। বহুতো স্কুলত এতিয়ালৈকে শিক্ষক নাই। শিক্ষকে অৱসৰ ললে তাত শিক্ষক নিয়োগ হোৱা নাই। তিনি জন শিক্ষকৰ ঠাইত এজন শিক্ষকে চলাব লগা হৈছে। এজনে কাম কৰা ঠাইত অৱসৰ লোৱাৰ পিচত তাত বেলেগ এজন শিক্ষক আনি দিয়াত আন স্কুলত শিক্ষক নাইকীয়া হৈছে। আজি স্কুল বিলাকৰ এই অৱস্থা হৈছে। দৈনিক অসমৰ সম্পাদকীয়লৈ লিখা চিঠি এখনত শিক্ষক এজনে লিখিছে চৰকাৰীকৰণ কৰাৰ পিচত শিক্ষক নিয়োগ কৰিব লগা হলে প্ৰাথমিক শিক্ষাৰ দুৰে তুৰৱস্থা হব। শিক্ষক নিয়োগ নহব। এতিয়া চেংচন নোহোৱা পোষ্ট অথচ শিক্ষকৰ দৰকাৰ আছে তাতে মেনেজিং কমিটিয়ে শিক্ষক নিয়োগ কৰিছে। এই পোষ্ট বিলাক বছৰৰ পিচত বছৰ পাৰ হৈ যায় শিক্ষা বিভাগে চেংচন কৰা নাই। যি বিলাকত মন্ত্ৰীয়ে ভাল পায়

বা থাত্তিব বাত্তিৰ আছে সেই বিলাকত পোষ্ট বিলাক চেংচন হয়। যি বিলাকৰ সেই ক্ষমতা নাই সেই বিলাক স্কুলৰ পোষ্ট বিলাক চেংচন নহয়। চৰকাৰী কৰণৰ পিচত সেই একেই অৱস্থা হব। বস্তুত স্কুলত বিজ্ঞান, অংকৰ শিক্ষক লাগে। এই বিলাক কেতিয়ালৈ পূৰণ হব? প্ৰাথমিক স্কুল বিলাক দুই তিনি বছৰ অপেক্ষা কৰিব লগা হৈছে। ইয়াৰ দ্বাৰা শিক্ষা ব্যৱস্থাৰ কি উন্নতি হব তাক চাব লগা হৈছে। এই বিলাক খুটি—নাটি চাৰৰ কাৰণে বিলখন বাচনি কমিটিলৈ পঠোৱাৰ কথা কৈছিলো। এই ব্যৱস্থাৰ আমোল পৰিবৰ্ত্তন কৰিবৰ কাৰণে চালি জাৰি চাৰৰ কাৰণে, দোষমুক্ত কৰাৰ কাৰণে বাচনি কমিটিলৈ পঠোৱাৰ কথা কৈছো। আমি চাব লাগিব যাতে ইয়াৰ দ্বাৰা শিক্ষক সকল উপকৃত হয়, ছাত্ৰ সকল উপকৃত হয় আৰু যাতে ৰাইজেও সৃষ্টিৰ নিশ্বাস পেলাব পাৰে যে শিক্ষাৰ ব্যৱস্থা ভাল হব। কিন্তু চৰকাৰী পক্ষই ৰাজনৈতিক উদ্দেশ্য পূৰণৰ কাৰণে তৎতাতৈয়াকৈ পাচ কৰিব বিচাৰিছে। সেই কাৰণে ইয়াৰ বিৰোধীতা কৰিছে। ইয়াত যি কেইটা ব্যৱস্থা কৰিছে তাৰ দ্বাৰা যে বিশেষ উপকাৰ হব সেইটো নহয়। যদি শিক্ষক সকলৰ অৱস্থা উন্নত কৰাই উদ্দেশ্য আছিল বা শিক্ষা ব্যৱস্থাৰ উন্নতি কৰাই উদ্দেশ্য আছিল তেতিয়াহলে মাধ্যমিক স্তৰলৈকে বিনামূলীয়া শিক্ষা ব্যৱস্থা কৰিব পাৰিব লাগিছিল। কিছুদিন আগতে বাতৰি কাকতত পঢ়িবলৈ পাইছিলো শিক্ষামন্ত্ৰী য়ে ঘোষণা কৰিছে দশম মান শ্ৰেণীলৈকে বিনামূলীয়া শিক্ষা ব্যৱস্থা হব। কিন্তু আজি বিধান সভাত তেনে ব্যৱস্থা নাইকিয় দেখুন। কি উদ্দেশ্যত এনে ধৰণৰ ঘোষণা কৰে? যোৱা বিধান সভাত বিৰোধী পক্ষৰ সদস্য শ্ৰীসোণেশ্বৰ বৰা ডাঙৰীয়াই এনে এটা প্ৰস্তাৱ আনিছিল তেতিয়া সেই প্ৰস্তাৱৰ বিৰোধীতা কৰিছিল। তেখেত সকলে আৰ্থিক অসুবিধাৰ কাৰণে সেইটো কৰিব নোৱাৰে। চৰকাৰে ফাইনেনসিয়ে মেমবেণ্ডামত কৈছে এই বিল খন কাৰ্য্যকৰী

কৰিবৰ কাৰণে ১৫ কোটি টকা খৰচ হব । কিন্তু প্ৰফিডেণ্ট ফাণ্ডৰ কিমান টকা পাব সেই হলে কোৱা নাই । ৫০—৫৫ বছৰ কাম কৰা শিক্ষক সকলৰ প্ৰফিডেণ্ট ফাণ্ডৰ এটা অংশ লৈ আহিব। সেই পালে খৰচ কিমান কম হব বা বেচি হব সেইটো কোৱা নাই । এই বিধেয়ক খনত যি কেইটা ব্যৱস্থা আনিছে তাক নলবৰ কাৰণে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো ।

* Shri Dulal Chandra Barua :— Mr. Speaker, Sir, while opposing the motion for consideration of the Bill, namely the Assam Secondary Education (Provincialisation) Bill, 1977 I want to submit some of my observations on this Bill. This afternoon we have advanced one amendment for referring this Bill to the Select Committee to scrutinise and to report of same by the 30th November, 1677 but I have told that this has been rejected on vote. To my mind the Bill which has now been placed before the House for consideration has been prepared with a very immeturred and improper brain; because I do not find anything in the Provision of the Bill which can create an impcact in the field of education here in the State of Assam. Sir,it surprised me when the announriment was made by the Govt : about the passing

* Speech not corrected

of the ordinance for provincialisation of the Higher Seconbary, and M.E. Schools and Madrassas in the last month because this is not a matter which could be dealt with in the manner done by the Govt. It is a very delicate issue where the future of the entire State is gravely involved. That consideration was not mostprobably in the mind of the Govt. at the time of framing or Promulgating the ordinance for Provincialisation of those educational institions, because to my mind Sir, the object of the Govt is to have political gain out of it and also to earn cheap popularity in the name of framing the education system here in the State of Assam. The Present Minister-in-charge of Education after assumption of Office of Education Minister by fore-going the earlier power as Home Minister a declaration has been made that there would be re-vitalisation of the entire educational system. I do not understand or I fail to understand whether this is one of the steps taken by him to revitalise the education system in the State or to my mind it is not re- vitalisation, it will kill the sprit of academic life of the State of Assam. To my mind this is a most imperfect Bill and the provisions that have been made here in this bill have no connection or relation with the changed circumstances of the academic life of

the people in the State of Assam as well as the country. More so, this has got a bad affect which may bring danger to the academic life of the State. Therefore, Sir, I wuld like to point out that the entire provision of the bill is defective and confusing. Sir, unless and until we embrace the entire body of education into one organ it will not function effectively. Sir, I have got the knowledge of various such anomalies which has not only damaged the cause of public good but has completely destroyed it. I am not in a position to refer to those instances as the time at my disposal is very limited. Therefore, Sir I would cite only one instance. From the very beginning we were expecting that this Govt. would do proper justrice in the field of education according to the changed circumstances and we also hoped that Govt. would give equal facilities not only to the teachers or professors but would also give the simslar facilities to the children of the soil, irrespective or castes, creed and religion. We hoped that Govt. would give epul facilities to the poor people of our State so that they could have given minimum academic education to their children. But, Sir, you will be surprised to know what they have done in the field of education ? Sir, we have seen in the name of education this Govt.

has crested an healthy atmosphere right from top to bottom, right from University stage to the Primari stage. what is that Sir, students are divided on the besis of class, castes, creed and religions. In the Schoolarship forms it is written তোমাৰ জাত কি ? তোমাৰ কুল কি, তোমাৰ ধৰ্ম্ম কি ? In this way, sir, an unhealthy atmesphere was created in the field of education. Sir, the entire system of education is viltiated: Sir, if this is the steandard of our education, we have nothing to say and I am not going to say anything. Sir, what is education, what is the real education The real education is such which can throw light in the minds of the people that people of all castes, creeds and religions are same. This is the real education and the teachings of Sanakaracharyye, Sri Chaitanay and Sri Gouranga have clrearly advocated the real system of education. Sir, hare we talk about the unity in diversity but in the real field we find it otherwise. Sir, the real system of education is not advocated by this Govt. This Govt is indulging in casteiam and religions and people have been divided from top to bottom accordingly and the real spirit of education is neglected. Our buneaucrats are also trying to crush the real spirit of education and they do not like to apply their mine in proper way what

the politicians say, they want to execute them without exerting their brains and this so called 'Yes' type of officers have damaged the entire system of education. If this is the spirit of education, then they should ouit and they should remain somewhere in the outside near the Himalaya. Sir, we have seen from the very beginning that this Govt, is sayig one thing but doing another thing. Sir, right form time of Mr. Talukdar, this Govt. was experimenting various systems of education. but everywhere they have created a poisonous atmospheae and has polluted the entire system of education throughout the State. Sir, during the emergency. this Govt- has formed Loka-semity a dragon. a political inatrument which has pollnted and destroyed the entire academic life of the State. They have formed managing committees on political consideration. You have fromed Governing Bodies on political consideration. They have done everything on political consideration. Now, what you have done. You do not like stand on your own legs : you have issued circulars on framing certain rules-that one men can-not be member of the Governing Bodies of two institutions but you have deviated form that abruptly in case of an stitation of Badarpur. It is also metioned in the rules that if there is any charges of cerruption against

anybody then he cannot be the Secretary of any governing body. Against the Principal of Sibsagar College there is charge, of criminal misappriation of money and yet he has been allowed to continue as Secretary of the Governing Body by violating the rules and regulations. The Principal was charge sheeted on 10.11.77 and he is still continuing as Secretary. যেনেক দেখি বাঙ্কে বাঢ়ে, খনেক দেখি হুৱাৰ দাং খাবে, My friend Shri Gogoi has pointed out that by taking over the charges of the Primery Schools you are indulging in corrupt practices and nepotism. In Sibsagar one such case was detected. Appointments were made against certain posts by taking bripes. On this issue at the instance of an honourable member an enauary was instituted and in consequencc of that the head assistant, who is a muslim gentlemen, was put under suspension and proceedings were drawn up against him. and now you will be surprised to hear Sri, that in spite of opposition from the local people our the then Minister had lunch with that gentleman an later, subject to correct, I am told that corrupt man has since been reins-tated. Now Sir from Sadia to Dhubri you will find that corrupt practices are going on in the schools which were provincialised. The Govt. have virtually bifurcated the Directorate of Public Instruction - name

one side for Primery Educateon and another for general side. Nobody konws who is to do what I have been informed that a tug of war is going on in the office. There is also another post of Director of Elementary Education. To us there seems to be an absoluts cahos prevailing in that office. You will always find Sir, if you visit tnat office you will find that a largenumber of people gathering everyday in that office with some grievaces. The grievances are about delay in disposal saspension order, terminated of services, etc.etc. Crowding in front of the office is an everyday phenomenon and in no-other office of the State Govt. such a thing happens.

Now, Sir .another point - why the Govt. should involve us for reccommending candinates for appointments as teachere in the L.P. Schools. In Titabar area lists of candidates are prepared for appointments the L.P. schools on the basis of castes, such as, Miris, Mikirs kochss and so on. Sir, a circular was ssued suddenly that the M.L.A. should be while preparing the list. This is a wrong thing to involve the M.L.As for selection of candidats for appointment as L.P. schools teachers. I haue on several occasions asked the Govt. not involve us in such affairs. I rem-

ember an incident Late Lamanted Shri Fakruddin Ali Ahmed once advised me not to involvo ourselves in sush matter. He asked me to render hlep and guidance from out side and

We agreed. Suddenly in my absence they have another meeting. They were having the list from the M.L.As. From my list II nos of posts have been left out. My self and my friend, Minister in-chargy of Supply and Labour was asked to recommend. How can we recommend ? How can we recommend against a system which has been politicalised ? If in this way the things are allowed to continue then what will be the fate of the primary education ? Now, you have moved the bill with the help of majority to provincialise the services of the L.P. Teachers. where are the buildings ? You have made teachers, you have made list, but you have not made the head. Head is the roof. Without Head, how can you impart education. In the same menner, by provicialisng the services of the techers, you are going to polute the academic atmosphere of the State and you want to bring disaster to the very object of the education. Now for instance, the contradictory and confusing thing as incorported in the Bill itself is -- "employee" means a person in the employment of a

deficit school, in connection with imparting education and working against a regularly sanctioned post and whose appointment has been approved by the school authority wherever such approval was necessary. "Here the defination of school Authority has not been properly explained. Again in the Bill, it has been incorporated that —"existing employee"- means an employee who is, on the appointed day, in the regular pay roll, employee against regular sanction and whose appointment has been approved by the school authority"- This is again contredictor and many more things can be understood by this.

Then again at page 3, Sl. No.3- "Subject to the provision of Article 30 of the Constitution of India, all employees of all secondary schools in the State of Assam shall be deemed to have become employees of the State Government of Assam with effect from the appointed day on the following terms and conditions". You have included all the employees, but again you have made explanation of teacher as 'regular teacher'. This is confusing and contradictory. Again in the matter of- "Any existing employee, other than the Grade IV employees, who does not intend to go on superannuation on attaining the age of 58 years shall

have the option to continue upto the completion of the age of 60 years under the same terms and conditions which were applicable to him before the appointed day in which case he shall not be entitled to any pension or gratuity. Here the implication is if a man is about to retire after two months and as soon as this is given effect to, in his case no clarification has been given- since when his services will be counted. You have no right to deprive a man from his due benefit. When you are going to provincialise the services, then the dues must be given to him. His services must be counted from the date of his appointment. If anybody goes to Court of Law on this issue, Govt. is bound to loose. The general procedure is before going such kind of things, the concurrence of Law Deptt. is to be obtained. we do not know whether on this aspeot, it has at all been obtained or it has been done hurriedly. If somebody volunteers to go to Court for the purpose of security of his services and under Art. 226 he has got right to go and votunte his grievances in respect of supperannuation and seruice condition, then Govt. cannot avoid the complicacy. Where is tne Rule ? You may say that after preparation of the Bill, you will frame rules. We do not know what is the terms and couditions

in respect of service rules. We were in the people camps. We must know where is the weapon, we must know where we are being taken into in respect of changing service condition. It is the legal and constitutional right of the people to know whether he will be hanged, whether he will be imprisoned, whether he will put on long pant and whether he will put on turban. He has got right to know. You did not allow these things to the teachers to know and not even to the public. To overcome the lecunas, we are to scrutinise the things, if necessary we should take public opinion but the that scope was not given. We want to play before Election.

Govt. has got no right to conceal anything from the House. They must give an explanation to the House as to why and under what circumstances some schools have been dropped. Now it has been said that there should not be any discrimination in respect of imparting education atleast upto higher secondary stage. But that has not been done. Only 2,200 schools have been provincialised leaving many more schools uunttended. What would be the fate of those schools ? You are taking over the services of the teachers but not the other employees serving in the School. Why this is so ? It is not discrimination ? More over,

the facilities enjoyed by the students are not equal all over the state. The students of Jorhat Higher secondary school are getting one kind of facility while the students fo Sarojini and Clinamara High Schools are getting another kind of facility. Why there should be discrimination. You have divided the educational institutions in so many ways, such as Govt., non-Govt, deficit and non-deficit institutions. Therefore, Sir, In orber to remove all the lacunna let us have a State High Power Education is Commsion to find out and examine as to how the education system of the State can be improved. By bringing this Bill Govt. has put us in a great confusion. I am sure even if the Bill is passed the Govt. cannot implement it. Therefore, Sir, I request the Minister in-charge of Education to give a re-thinking on the whole matter. I am not saying so from the political point of view. By considering the gravity of the situation and also by considering the cause of education I request the Minister in-charge of Education to withdraw this Bill for the time being and bring a comprehensive legislation covering all the aspect. With these observations, Sir, I oppose the consideration of the Bill moved by the Minister, Education.

Shri Mahitosh purkayastha : – Mr. Speaker, Sir: At the stage of introduction I am constrained to oppose this Bill. We are not against Provincialisation of secondary education. We are opposing this bill because this Bill does not want to provincialise the secondary education itself. In a statement under Rule 59 of the Rules of Procedure and Conduct of Business of the Assam Legislative Assembly; the education Minister observed that for some time past the teachers of various school including Higher Secondary School, High School, High Madrassa, M.E. Schools, etc. have been agitating for getting emoluments and other benefits at par with their counterpart at Govt. educational institutions. Govt. in principle had agreed to provincialise the services of those categories of aided schools. From this statement, it is clear that the benefits of this legislation is for a handful of people of the State who are serving in different deficit institutions of the State. Mr. Speaker, Sir, the Assam Secondary Education (provinci lisation) Ordinance has not made it clear how it wants to serve the interest of the employees. In the case of definition given to the existing employees, it is said, existing employees mean employees those on appointed day in the regular payroll, employees against regulas sanction and whose appointments

have been approved by the School Authorities. Sir, there are employees who have crossed the age of 58; what woul happen to them, it is not clear. And there are employees who will cross the age of 58 today or tomorrow. What would be the fate of these employees, it is not mentioned in clear terms. Mr. Speaker, Sir, the Education Minister said that as a result of discussion with the representatives of the Teachers Associations, he brought this Bill. Is the decision of the Teachers Association hailed by all the teachers of the State ? No. Because I have before me resolution of a branches of that Teachers Association which have questioned the jurisdiction and propriety of the Action Committee which was to take action for realising the 17-point demand in making negotiations with the Government for provincialising the High and Higher Secondry Education. The movement for achieving the 17-point demand had gained momentum and popular support. Is it only to side-track the main issue that they have come with this Bill ? The same resolution again pointed out that the Government including the Chief Minister himself held out time-bound assurances on many accasions at various demands put forward by the Association; but those assurances were not implemented to their utter despair.

At the introduction stage when I said that the Govt. had given no indication about this policy, some members sitting on the opposite side had declared that the then Minister, Education, Shri Harendra Nath Talukder gave a policy statement on the floor of the House in which he said that gradually the Elementary Education, and Higher Secondary Education and the Higher Education and be provincialised. Have all the assurances of the then Education Minister been implemented ? Not all the assurances ; and the Government of Assam took over the Elementary Education on the 5th Sept/75. The Government gave categorical assurance that those teachers who would retire they would get penrion and other benefits. But till today I have seen that the retired teachers who retired on 5th of September/75 they are loitering in the streets of Dispur for their gratuity and other benefits. If the Government did not keep their promises how can we take it for granted that they would keep their promises this time also ? Mr. Speaker, Sir, we heard on the floor of the House Shri Harendra Nath Talukder, the then Education Minister lucidly explaining the educational policy of the Government of Assam, the policy of 4 plus 3 plus 2 plus 2 system of education. In the policy stathment, he said that the Elementary education

would begin at the age of 6; before 6, the students would be prepared for getting admission into the Elementary Schools. For this, he gave assurance that pre-primary clasess would be opend in all the primary Schools, and as a result of that assurance, pre-primary clases were opened only in a handful of schools. But the majority of the schools are still without pre-primary classes. So if the Government wants to implement any decision they should be very sure about the fund position and the man-power of the Government. I daid, when the Chief Minister was in charge of Education, he brought out series of literature and he brought out an educational Quarterly; in that literature and Quarterly we did not find any indication of taking over of the Secondary Education. We want that the Secondary Education should be provincialised and we want that not only the schools, but also its buildings, lands, fure etc. should also be taken over, everythimg should be taken over. If this is not done, it would be a mockery of provincilisation of the Secondary Education. The Government has not the machinery to implement it. We know that in every distoict, there are Inspectors of Schools; they are already loaded with so much of work, and if this work also (i.e., the administering of this provincialised deficit schools)

is given to them it would be simply imposible for them to work out the directions of the Government. Has Government cosidered this aspect? We have been seeing during the last 5 years how this Government has tradid the educationists and the persons who are at the helm of Education-department. The Education Secretary, & the Director of Public Instruction who wanted to discharge their duties conscientiously they were removed from their posts without any valid reason; they were put under suspention whimsically. This is how this Government want to implement the educational policies: Mr. Speaker, Sir, the Government when provincillising the Elementary Schools, they held out this assurance that the political elements will have no hand in the matter of appointments, and as a result of that assurance when the Selection Committees were formed in every Subdivision, what did we find? We found that the subdivisional committee were constituted with the Inspector of Schools as Chairman, the Dy. Inspector of Schools os Secretary; the Principals of Basic Schools as members, and another member was appointed on political consideration; he was a nominee of the District Congress Committee President. If the District Congress President was an MLA, his nominee was taken in that committee; if he was

not an MLA, then the District Congress Committee president was in that committee. This Selection Committee invited applications from the students and the students applied with affees of Rs. 2/- ; they held written examinations and oral examinations and the lists were prepared for publication ; at that time in May last this year, a circular went to all the Inspectors of Schools that the MLAs ahould also be associated with the appointment of LP School teachers. Is it not mockery ? Is it not political interference in governmental woeking ? We so long understood thai in the matter of appointment of government employees, there was no interferance at the political level, but this time, we have found that even in the matter of appointment of LP School teachers, the MLAs were asked to submit the names of teachers not out of the students who appeared for the examination and qualified for that but according to their desire. This is a fact and Shri Malchandra Pegu who has raised the objection, may I draw his attention to the news item published in the daily 'Janambhmi' of Jorhat only a month ago, In that news item it has been stated that one M.L.A who has taken so much bribe in the matter of appointment of teacher and I think this report........ ( noise.... noise ) Sir, I am on my leg....

